www.epaper.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. (Title) : ASSASS01389

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

আজিৰ সংখ্যাৰ বিশেষ পৃষ্ঠা
ৰাভা বিশেষ
— ৫ পৃষ্ঠা আৰু ৮ পৃষ্ঠাত —

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ১৩০ ❐ শুকুৰবাৰ ❐ ২০ জুন, ২০২৫ চন ❐ ৫ আহাৰ, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 130 ❐ Friday ❐ 20th June, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৯

## এন এল ইউ গুৱাহাটীৰ হোষ্টেলৰ কোঠাত উদ্ধাৰ ছাত্ৰৰ মৃতদেহ

**অসম বাৰ্তা, গুৱাহাটী, ১৯ জুন ঃ** গুৱাহাটীৰ ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয় আৰু ন্যায়িক একাডেমীৰ তৃতীয় বৰ্ষৰ এজন ছাত্ৰ ১৮ জুনৰ পুৱা হোষ্টেলৰ কোঠাত মৃত ▸▸৬ পৃষ্ঠাত

## মন্দিৰ, নামঘৰৰ পবিত্ৰতা ৰক্ষা কৰিব নোৱাৰা মুখ্যমন্ত্ৰীয়ে নিজৰ চকীত বহাৰ অধিকাৰ নাই ঃ গৌৰৱ

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ১৯ জুন ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতিৰ পদ গ্ৰহণৰ পিছত প্ৰথমবাৰলৈ আজি লখিমপুৰ জিলাত উপস্থিত হৈ হি সাংসদ গৌৰৱ গগৈ। তেওঁ প্ৰথমে ঐতিহাসিক শ্ৰীশ্ৰী পদুমণি আইথানত উপস্থিত হৈ আইৰ সেৱা গ্ৰহণ কৰে। ইয়াৰ পিছত আমতলাত নীপকোৰ বানত ▸▸৬ পৃষ্ঠাত



লখিমপুৰত হিন্দু ধৰ্মীয় অনুষ্ঠানৰ সমীপত গো-মাংস পেলোৱাক লৈ অব্যাহত তীব্ৰ প্ৰতিক্ৰিয়া

## বৰক্ষেত্ৰী পেৰাধৰা চৰত ভয়ংকৰ নাও দুৰ্ঘটনা; ৭ গৰাকীকৈ লোক সন্ধানহীন

### বিপদসংকুলভাৱে ১৩৭ জনৰো অধিক যাত্ৰী নিছিল কঢ়িয়াই; সন্ধানহীন তিনি ছাত্ৰও

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৯ জুন ঃ** আজি বৰক্ষেত্ৰী পেৰাধৰা চৰত ৰাতিপুৱা প্ৰায় ৭.২০ মিনিটত সংঘটিত হোৱা নাও দুৰ্ঘটনাটোৰ ফলত সন্ধানহীন স্কুলীয়া শিক্ষাৰ্থীসহ কেইবাজনো লোক। পেৰাধৰা পাৰঘাটৰ ন-দিয়া চৰৰ পৰা বিভিন্ন প্ৰান্তৰ বিদ্যালয়লৈ বুলি প্ৰতিদিনৰ দৰেই বিপদসংকুলভাৱে ১৩৭ জনৰো অধিক যাত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰী ▸▸৬ পৃষ্ঠাত



## আজি ৰাভা দিৱস; কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ কালজয়ী সৃষ্টিৰ জ্যোতিৰে উজলিব ৰাজ্য

# দিয়া অগ্নিবাণী বিপ্লৱৰ, ভাঙা বন্দীশাল কৌটিকালৰ

### বিষ্ণুপ্ৰসাদ ৰাভাৰ চিন্তাধাৰা আৰু তেওঁৰ প্ৰাসংগিকতা অসমীয়া সমাজ-সংস্কৃতিৰ বৰ্তমানৰ পৰিপ্ৰেক্ষিতত অতি গুৰুত্বপূণ



**নিউজ ডেস্ক, অসম বাৰ্তা, ২০ জুন ঃ** আজি ৰাভা দিৱস। সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতি সন্মান জনাই ৰাজ্যজুৰি পালন কৰিব বিষ্ণু ৰাভা দিৱস। ৰাজ্যৰ বিভিন্ন স্থানত বিষ্ণু ৰাভা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। একাধাৰে শিল্পী, কবি, সাহিত্যিক, নাট্যকাৰ, সংগীতজ্ঞ, নৃত্যবিদ, চিত্ৰকৰ, অভিনেতা ৰাভা দেৱসৰ সৃষ্টিৰাজিৰ চৰ্চাৰে মুখৰিত হ'ব সমগ্ৰ ৰাজ্য। বিষ্ণুপ্ৰসাদ ৰাভাৰ চিন্তাধাৰা আৰু তেওঁৰ প্ৰাসংগিকতা অসমীয়া সমাজ-সংস্কৃতিৰ বৰ্তমানৰ পৰিপ্ৰেক্ষিতত অতি গুৰুত্বপূৰ্ণ। তেওঁৰ দৃষ্টিভংগী, বিশেষকৈ ভাষিক ▸▸৬ পৃষ্ঠাত

ধৰ্মীয় সংবেদনশীল অঞ্চলত গো মাংস পেলোৱাক নিন্দা মুখ্যমন্ত্ৰীৰ

## হিন্দুসমাজক ভয় খুৱাবলৈ বিশেষ সম্প্ৰদায়ৰ লোকে গো-মাংস পেলাইছে!

ষ্টাফ ৰিপৰ্টাৰ, মহানগৰ, ১৯ জুন: অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৰুত্বপূৰ্ণভাৱে এক বিৱাদমূলক কাৰ্যৰ নিন্দা জনাই X (টুইটাৰ)ত এক পোষ্টত কংগ্ৰেছ দলক দোষাৰোপ কৰি কয় যে, "গো মাংস পেলোৱা ঘটনা অসমত নতুন নহয়। বিশেষ সম্প্ৰদায়ৰ কিছুমান লোকেই হিন্দুসমাজক ভয় খুৱাবলৈ বছৰৰ পৰা এই কাম কৰি আহিছে। ১৯৯৩ৰ পৰা ▸▸৬ পৃষ্ঠাত



◂◂ সাম্প্ৰতিক ▸▸

### কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতি সাহিত্য ঃ এক আলোকপাত

সংকল্পজিৎ শইকীয়া



গীতেই হওক বা কাব্যই নাইবা অন্য সাহিত্যই হওক সৃজনী প্ৰতিভাৰে বিশ্বজনীন আৰু চিৰন্তন আবেদননেই হ'ল শ্ৰেষ্ঠ সাহিত্যৰ ঘাই গুণ। সমাজৰ দেহৰ লগতে মনৰো সৰ্বজনীন আৱেদন ▸▸৭ পৃষ্ঠাত

ড° আৰ কে বেজবৰুৱা

### এক অবিৰত যাত্ৰা



ভাৰতৰ স্বাধীনতাৰ সপোনে যেতিয়া এঙামুৰি কাঢ়িছিল, তেনেকুৱা সময়তে সুদুৰ ঢাকাত এটি শিশু পৃথিৱীৰ পোহৰলৈ আহিছিল। সেয়া আছিল ১৯০৯ চনৰ কোনোবা এটা দিন। সেই ▸▸৭ পৃষ্ঠাত

### ৰাভাদেৱৰ সমাজ চেতনা আৰু ৰাজনৈতিক জীৱন তথা মতাদৰ্শ

প্ৰিয়াশ্ৰী নেওগ

ভিন্ন জাতি-জনগোষ্ঠীক বুকুত সাৱটি অসমীয়া ▸▸৭ পৃষ্ঠাত

## দিলীপ শইকীয়াৰ নেতৃত্বত 'টীম বিজেপি অসম' ঘোষণা

### '২৬লৈ বান্ধিছে টঙালি; বিজেপিৰ নতুন ৰাজ্যিক সমিতি



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৯ জুন ঃ** ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ অনুমোদন মৰ্মে বুধবাৰে অসম প্ৰদেশৰ ৰাজ্যিক সমিতি ঘোষণা কৰা হয়। ভবেশ কলিতাৰ স্থানত সাংসদ দিলীপ শইকীয়াক কেইমাহমান পূৰ্বে ৰাজ্যিক সভাপতিৰ দায়িত্ব প্ৰদান কৰা হৈছিল যদিও পূৰ্ণাংগ সমিতিখন গঠন কৰা হোৱা নাছিল। অৱশেষত সভাপতি দিলীপ শইকীয়াই দলৰ ৰাজ্যিক সমিতিৰ নতুন বিষয়ববীয়াসকলৰ নাম ঘোষণা কৰে। ভাৰতীয় জনতা পাৰ্টীৰ বশিষ্ঠস্থিত মুখ্য কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত আয়োজিত এক সংবাদমেলত বিজেপিৰ অসম প্ৰদেশৰ ৩১ জনীয়া বিষয়ববীয়াৰ নাম ঘোষণা কৰা হয়। তালিকাখনত আছে ১০ গৰাকী উপ-সভাপতি(পুলক গোহাঁই, পৰিমল শুক্লবৈদ্য, তপন কুমাৰ গগৈ, ৰেখাৰাণী দাস বড়ো, অপৰাজিতা ভূঞা, মুন স্বৰ্ণকাৰ, অশোক ভট্টৰায়, জুৰী শৰ্মা বৰদলৈ, ▸▸৬ পৃষ্ঠাত

### কংগ্ৰেছক চাফা কৰিবলৈ গান্ধী পৰিয়ালক দলৰ পৰা আঁতৰ কৰিব লাগিবঃ মুখ্যমন্ত্ৰী

## যদি উৎস অপবিত্ৰ হয়, তেন্তে তাৰ পৰা অপবিত্ৰ পানীয়ে ওলাব

**অসম বাৰ্তা, গুৱাহাটী, ১৯ জুন ঃ** পুনৰ কংগ্ৰেছ দলক কটাক্ষ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় কংগ্ৰেছ দলৰ পৰা গান্ধী পৰিয়াল আঁতৰিলে দল চাফা হ'ব। লগতে কয় যে, তেওঁ, মন্ত্ৰী পিযুষ হাজৰিকা, জয়ন্ত মল্ল বৰুৱা আদিও কংগ্ৰেছৰ পৰা বিজেপিলৈ আহিছে। কিন্তু বিজেপিয়ে তেওঁলোকক ভালকৈ ৰাখিছে। গতিকে কংগ্ৰেছৰ পৰা ▸▸৬ পৃষ্ঠাত

### ডিমা হাচাওক আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে নিৰ্মাণৰ পৰিকল্পনা ৰাজ্য চৰকাৰৰ

## ১০ অক্টোবৰত ৪০ হাজাৰ যুৱক-যুৱতীয়ে লাভ কৰিব চৰকাৰী চাকৰি

### '৩০ৰ ভিতৰত দৈনিক ১৫ লাখ লিটাৰ দুগ্ধ উৎপাদনৰ কৰিব অসমে !

**অসম বাৰ্তা, দিছপুৰ, ১৯ জুন ঃ** ৰাজ্যত ১ লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি পূৰণৰ পিছত স্বচ্ছ আৰু মেধাভিত্তিক এই প্ৰক্ৰিয়া অব্যাহত ৰাখি অহা ১০ অক্টোবৰ তাৰিখে ৰাজ্য চৰকাৰে একেলগে প্ৰায় ৪০ হাজাৰ যুৱক-যুৱতীক চৰকাৰী চাকৰি প্ৰদান কৰিব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত পশুপালন ▸▸৬ পৃষ্ঠাত



## ইৰাণ, ইজৰাইলত আৱদ্ধ ভাৰতীয়ক উদ্ধাৰ অভিযান



**ইণ্টাৰনেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৯ জুন ঃ** যোৱা ৭ দিন ধৰি হৈ থকা ইৰাণ-ইজৰাইলৰ যুদ্ধত কপি উঠিছে মধ্যপ্ৰাচ্য। ইৰাণৰ ৰাজধানী তেহৰাণকে ধৰি ইছলামিক দেশখনৰ বিভিন্ন প্ৰান্তত ▸▸৬ পৃষ্ঠাত

### পুৰণিগুদামৰ ৰাজ্যিক চিকিৎসালয়ত সীমাহীন দুৰ্নীতিৰ অভিযোগ

## জন্ম-মৃত্যুৰ প্ৰমাণপত্ৰৰ নামত চলিছে জালিয়াতিৰে ধনৰ লেনদেনৰ অভিযোগ

**অসম বাৰ্তা, চামগুৰি/পুৰণিগুদাম, ১৯ জুন ঃ** নগাঁও জিলাৰ পুৰণিগুদামস্থিত পুৰণিগুদাম ৰাজ্যিক চিকিৎসালয়খনত দীৰ্ঘদিনৰে পৰা চলি থকা সীমাহীন দুৰ্নীতিৰ কথা সম্প্ৰতি পোহৰলৈ আহিছে। জানিব পৰা ▸▸৬ পৃষ্ঠাত



## হৰিচৰণ বৰ্মনৰ বিয়োগত বৰতলাত শোক

**অসম বাৰ্তা, দৌলাশাল, ১৯ জুন ঃ** সীমান্ত সুৰক্ষা বাহিনী চমুকৈ বিএছএফৰ প্ৰাক্তন জোৱান হৰিচৰণ বৰ্মনৰ বিয়োগত বৰতলাত শোকৰ ছাঁ পৰিছে। নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বৰতলা গাঁৱৰ নিৱাসী, আদৰ্শবান ব্যক্তি হৰিচৰণ বৰ্মন (৬৪)ৰ কালি নিশা পৰলোকপ্ৰাপ্তি ঘটে। বিগত তিনিটা বছৰ ধৰি স্নায়ু ৰোগৰ সমস্যাত ভুগি থকা হৰিচৰণ বৰ্মনৰ বিয়োগত সমগ্ৰ গাঁওখনত শোকৰ ছাঁ পৰিছে। ১৯৬১ চনৰ ৩১ অ'ৌবৰত জন্মগ্ৰহণ কৰি হৰিচৰণ বৰ্মনে পিছলৈ সীমান্ত সুৰক্ষা বাহিনী চমুকৈ বিএছএফত যোগদান কৰি দেশমাতৃৰ হকে সেৱা আগবঢ়াইছিল। ১৯৮৩ চনৰ ৩০ ছেপ্টেম্বৰত বিএছএফত যোগদান কৰি ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধত দেশমাতৃ ৰক্ষাৰ স্বাৰ্থত নিজৰ জীৱনক তুচ্ছ কৰি পাকিস্তানৰ বিৰুদ্ধে সাহসেৰে যুঁজিছিল। চাকৰি জীৱনকালত ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত শান্তি শংখলা ৰক্ষাৰ স্বাৰ্থত কৰ্তব্যত নিয়োজিত হৈছিল হৰিচৰণ বৰ্মনে। চাকৰিকালতে হৰিচৰণ বৰ্মনে বিৱাহপাশত আবদ্ধ হৈ তিনিগৰাকী পুত্ৰ সন্তানৰ পিতৃত্বৰ গৌৰান্বিত হৈ পৰিছিল। হৰিচৰণ বৰ্মনে তিনিওগৰাকী পুত্ৰক সুশিক্ষাৰে শিক্ষিত কৰি তুলি সম্প্ৰতি তিনিওগৰাকীও পুত্ৰ আৰক্ষী সেৱাত নিয়োজিত হৈ আছে। ২০১৮ চনৰ ৩১ অক্টোবৰত চাকৰি জীৱনৰ সফলৰূপে সমাপন কৰি নিজা বাসগৃহতে থাকিবলৈ লৈছিল। হৰিচৰণ বৰ্মনে কভিডত্তোৰ কালত আৰ্থিকভাৱে দুৰ্বল বহু পৰিয়ালক প্ৰয়োজনীয় খাদ্য সামগ্ৰী যোগান ধৰি গাঁওবাসীৰ প্ৰশংসা বুটলিছিল। হৰিচৰণ বৰ্মনে মৃত্যুৰ সময়ত পত্নী, তিনিপুত্ৰ-বোৱাৰী, নাতিকে ধৰি ভাতৃ-বোৱাৰীসহ আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়। সন্ধিয়াৰ ভাগত নশ্বৰ দেহৰ শেষকৃত্য সম্পন্ন কৰা হয়।

## লাহৰীঘাটত কিশোৰীৰ আত্মহত্যা

**পুলক মেধি, লাহৰীঘাট, ১৯ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বৰখাৱল গাঁৱত নিশা এগৰাকী কিশোৰীয়ে চিপ লৈ আত্মহত্যা কৰা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যই বিৰাজ কৰিছে। তথ্য মতে ১৭ বছৰীয়া কিশোৰী গৰাকীয়ে ঘৰৰ পদূলিত থকা এজোপা মধুৰিআম গছত চিপ লৈ আত্মহত্যা কৰে। পুৱাৰ ভাগত পৰিয়ালৰ লোকে চিপ লৈ থকা অৱস্থাত মৃতদেহ প্ৰত্যক্ষ কৰি ঘটনাৰ বিষয়ে লাহৰীঘাট আৰক্ষীক অৱগত কৰে। লগে লগে লাহৰীঘাট আৰক্ষীৰ লোক ঘটনাস্হলীত উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ লগতে মৃতদেহটো উদ্ধাৰ কৰি মৰণোততৰ পৰিক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# ভূৰাগাঁৱত মৰ্মান্তিক ঘটনা ঃ সামান্য মজুৰিৰ বাবে দ পুখুৰীত মেটেকা চাফা কৰিবলৈ যোৱা ৪ যুৱকৰ এজনৰ কৰুণ মৃত্যু

**অসম বাৰ্তা, ভূৰাগাঁও, ১৯ জুন ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ভূৰাগাঁও চাৰিআলিৰ সমীপৰ এটা বৃহৎ পুখুৰীত মেটেকা চাফা কৰিবলৈ গৈ এজন যুৱকৰ সলিল সমাধি ঘটা ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছা পেলাইছে। কৰুণ মৃত্যুক আকোৱালী লোৱা যুৱক জন ভূৰাগাঁৱৰ দীপক গোৱালা (৩২) বুলি জানিব পৰা গৈছে। ঘটনতৰ বিবৰণী মতে দীপক গোৱালা সহ চাৰি বন্ধুয়ে মাত্ৰ ৫০০ টকাত এটা বৃহৎ পুখুৰীৰ মেটেকা চাফা কৰাৰ ঠিকা লৈ আজি পুখুৰী টোত নামিছিল। কিন্তু পুখুৰী চাফা কৰি থকা অৱস্হাত পুখুৰীৰ দ পানীত পৰি দীপক গোৱালা মৃত্যু হয়। দ পানীত পৰা সময়ত বাকী কেইজনে পুখুৰী টোৰ আন দিশত মেটেকা চাফা কৰাত ব্যস্ত আছিল। কিন্তু কিছু সময়ৰ পাছত দীপকৰ কোনো ধৰণৰ মাত বোল নুশুনি লগৰ কেইজনে দীপকক চাবলৈ আহি দেখে দীপক গোৱালা কাম কৰা স্হানত নাই। লগে লগে তিনি বন্ধুৱে স্হানীয় লোকৰ সহযোগত পুখুৰী টোত দীপকক বিছাৰ খোছাৰ কৰাত পানীৰ তলত বিছাৰি পাই দীপকৰ নিথৰ দেহ। পৰৱৰ্তী সময়ত দীপকক চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে মৃত ঘোষনা কৰে। ঘটনাস্থলীত ভূৰাগাঁও আৰক্ষী উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।



## ভোলাবৰী গাওঁ পঞ্চায়তত দুখন গাঁৱৰ সংযোগী পথত পুখুৰী সদৃশ একঁকাল গাঁত

**অসম বাৰ্তা, বান্দৰদেৱা, ১৯ জুন ঃ** লখিমপুৰ জিলাৰ বিহপুৰীয়া সমষ্টিৰ নাৰায়ণপুৰ ৰাজহচক্ৰৰ অন্তৰ্গত ভোলাবৰী গাঁও পঞ্চায়তৰ নৰপুৰ নামঘৰ আৰু উদয়পুৰ গাঁও সংযোগী পথৰ ওপৰত সৃষ্টি হোৱা পুখুৰী সদৃশ একঁকাল পৰ্যন্ত গাঁত সমূহে এতিয়া স্থানীয় গাঁওবাসীলৈ কঢ়িয়াই আনিছে যমৰ যন্ত্ৰণা। বিগত প্ৰায় ২০ বছৰ ধৰি পথছোৱা কোনো ধৰণৰ মেৰামতি নকৰাৰ বাবে দুৰ্ভোগ ভুগিব লগা হৈছে গাওঁবাসীয়ে। বাৰিষা খৰালি সমানে যেতিয়াই এজাক বৰষুণ আহে তেতিয়াই পথৰ মাজত থকা গাঁতত পানী জমা হোৱাৰ ফলত যাতায়ত ব্যৱস্থা সম্পূৰ্ণ বন্ধ হৈ পৰে।বিশেষকৈ স্কুল কলেজৰ ছাত্ৰ ছাত্ৰী,ৰোগীক মেডিকেললৈ অহাযোৱা কৰা আদি অনেক বাধাৰ সন্মুখীন হৈ আহিছে। তদুপৰি গাঁওবাসীৰ অভিযোগ অনুসৰি চৰকাৰৰ গ্ৰাম্য বিভিন্ন আঁচনি যেনে বিশুদ্ধ খোৱা পানী যোগান,ৰেচন কাৰ্ড আৰু অৰুনোদয় আঁচনি এতিয়াও বহুলোকে পোৱাৰ পৰা বঞ্চিত হৈ আছে। বৰ্তমানলৈকে চৰকাৰৰ কোনো জন প্ৰতিনিধিৰ এনে বিষয়বোৰৰ প্ৰতি দৃষ্টিগোচৰ নোহোৱাটো আচলতে এক দুৰ্ভাগ্যজনক। গাঁওখনৰ মানুহে এতিয়াও নলী নাদৰ অস্বাস্থ্যকৰ পানী সেৱন কৰি জীৱন নিৰ্বাহ কৰিব লগা হৈছে।স্থানীয় বিধায়ক ডঞ্জ অমিয় কুমাৰ ভূএগাৰ বিৰুদ্ধেও ক্ষোভ উজাৰে গাঁওবাসীয়ে। নিৰ্বাচনৰ সময়তহে মিঠা মিঠা কথাৰে ভোট ভিক্ষা কৰিবলৈ আহিছিল কিন্তু জিকাৰ পাচত সকলো পাহৰি গ'ল বুলি মন্তব্য প্ৰকাশ কৰে। উল্লেখ্য যে বিগত ৫ বছৰত দুবাৰকৈ উক্ত পথৰ মেৰামতিৰ বাবে ধন আবন্টন হৈছিল কিন্তু আজিলৈকে পথটো মেৰামতি সম্পূৰ্ণ হৈ নুঠিল। কাৰ ছত্ৰ ছাঁয়াত বাৰে বাৰে কাৰ পকেটত সোমাই লাখে লাখে ধন স্থানীয় সচেতন মহলৰ মাজত এতিয়া বিস্ময়কৰ প্ৰশ্ন সেয়েহে উক্ত পথ চোৱা শীঘ্ৰে মেৰামতি কৰি যাতায়তৰ সুচল কৰি দিবলৈ গাওঁবাসীয়ে চৰকাৰ তথা জিলা প্ৰশাসনক আহ্বান জনাইছে।

## নামখলাৰ শিক্ষক মহেন্দ্ৰ নাথ শৰ্মাক অৱসৰী বিদায় সম্বৰ্দ্ধনা

**অসম বাৰ্তা, নামখলা, ১৯ জুন ঃ** নামখলা প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ তৰফৰ পৰা নামখলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মহেন্দ্ৰ নাথ শৰ্মাক বিদায় সম্বৰ্দ্ধনা। শনিবাৰে দিনৰ ১১.৩০ বজাত মঙ্গলদৈ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ অন্তৰ্গত নামখলা প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ তৰফৰ পৰা নামখলা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মহেন্দ্ৰ নাথ শৰ্মাদেৱৰ বিদায় সম্বৰ্দ্ধনা সভাখনি অনুষ্ঠিত হয়। পানাৰা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত বিদায় সম্বৰ্দ্ধনা সভাখনত সভাপতিত্ব কৰে নামখলা প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ সভাপতি মুকুন্দ হাজৰিকাই। ১৯৮৮ চনৰ আগষ্টত নগাঁও হীৰাপাৰা প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে যোগদান কৰা মহেন্দ্ৰ নাথ শৰ্মাই সুদীৰ্ঘ ৩৭টা বছৰ শিক্ষকতা কৰি ২০২৫ বৰ্ষৰ ৩১ মাৰ্চ তাৰিখে নামখলা প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। তেখেতৰ এই বৰ্ণাঢ্য শিক্ষকতা জীৱনত মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল ।নামখলা প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ সভাপতিৰ দায়িত্ব বহন কৰি কেন্দ্ৰৰ শিক্ষকসকলৰ মাজত বিভিন্ন শৈক্ষিক আৰু সহ বিদ্যায়তনিক ক্ষেত্ৰত একতা বজাই ৰখাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। অকল শিক্ষাৰ ক্ষেত্ৰতেই নহয় সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনৰ সৈতেও শৰ্মাদেৱ জড়িত আছিল। বিশেষকৈ বৃহত্তৰ নামখলা-পানাৰা অঞ্চলত অনুষ্ঠিত হোৱা নাট্যানুষ্ঠানত সুন্দৰ অভিনয় কৰি দৰ্শকৰ মন মুহিবলৈ সক্ষম হৈছিল। পানাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পলাশ কুমাৰে আঁত ধৰা বিদায় সম্বৰ্দ্ধনা সভাখন এটি আৰম্ভণি গীতেৰে শুভাৰম্ভণি হয়। ডাঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পন কৰে বিদায়ী প্ৰাৰ্থী মহেন্দ্ৰ নাথ শৰ্মাই। মঙ্গলদৈ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সহঃ সম্পাদক শান্তিৰঞ্জণ শইকীয়াই সভাৰ আমন্ত্ৰিত অতিথি আৰু বিদায়ী প্ৰাৰ্থী শৰ্মাদেৱৰ সম্বৰ্দ্ধনা অনুষ্ঠানটি আঁত ধৰে। স্মৃতি ৰোমন্থণ কাৰ্যসূচীত ক্ৰমে কৃষ্ণকান্ত শইকীয়া, ব্ৰজেন শৰ্মা, নীৰাপ্ৰাভা ডেকা, মনিমা বৈশ্য, দিপক ডেকা, ৰঞ্জিত দাসে শৰ্মাদেৱৰ সৈতে কটোৱা অতীত স্মৃতিবোৰ ৰোমন্থন কৰে। সভাৰ বিদায় সম্বৰ্দ্ধিত শিক্ষক মহেন্দ্ৰ নাথ শৰ্মাই তেখেতৰ শিক্ষকতা কালত লাভ কৰা নানান তিতা-মিথা অভিজ্ঞতা ব্যক্ত কৰি আৱেগিক হৈ পৰাৰ লগতে মধুৰ ক্ষণৰ স্মৃতিও ৰোমন্থণ কৰে। সভাখনিত নামখলা মণ্ডল সমল কেন্দ্ৰৰ সদ্য প্ৰাক্তন সমন্বয়ক দীপক ডেকাক সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ লগতে সমল কেন্দ্ৰটিত নতুনকৈ অন্তভূক্ত হোৱা চাৰিগৰাকী শিক্ষকক আদৰণি জনোৱা হয় । সভাত নামখলা প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## শিশু সাহিত্যিক, নাট্যকাৰ হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ জন্ম বাৰ্ষিকী উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৯ জুন ঃ** শিশু সাহিত্যিক, সাহিত্য অকাডেমিৰ শিশু সাহিত্য বঁটা প্ৰাপক, বিশিষ্ট নাট্যকাৰ, গীতিকাৰ প্ৰয়াত হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ ৮৩ সংখ্যক জন্মবাৰ্ষিকী মাকুমত ১৫ আৰু ১৬ জুনত উদ্‌যাপন কৰা হয়। হৰেন্দ্ৰ নাথ বৰঠাকুৰ সোঁৱৰণী ন্যাস সমিতিৰ উদ্যোগত, মাকুম পৌৰসভা আৰু গান্ধী নগৰ নামঘৰ কমিটিৰ সহযোগত আয়োজিত অনুষ্ঠানটিত প্ৰয়াত হৰেন্দ্ৰ নাথ বৰঠাকুৰলৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। ১৫ জুনত কণ কণ শিশুসকলৰ মাজত শিশু সাহিত্যিকগৰাকীৰ জন্ম দিৱস উপলক্ষে চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আনহাতে ১৬ জুনত হৰেন্দ্ৰ নাথ বৰঠাকুৰ শিশু উদ্যান গীত, নৃত্য, নাটক, কবিতা আবৃত্তিৰে মুখৰিত হৈ উঠে। হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি বন্তি প্ৰজ্জলন কৰে মাকুম পৌৰসভাৰ পৌৰপতি অৰ্চনা শইকীয়া দত্তই। আনহাতে সাহিত্যিকগৰাকীৰ জন্ম দিৱসটি উদ্বোধন কৰে বিশিষ্ট সাংবাদিক তথা লেখক অমূল্য খাটনিয়াৰে। লনী বৰা আৰু জুৰি বৰঠাকুৰৰ পৰিচালনাৰে কণ কণ শিশুসকলে এটি সমবেত সংগীত পৰিৱেশন কৰে। উক্ত অনুষ্ঠানতে ফিল'বাৰী মইনা পাৰিজাতৰ শিশুসকলৰ নৃত্য, তনুশ্ৰী মৰাণৰ গীত, নীলাঞ্জনা দাস, সন্ধ্যা ভাৰতী, আৰ্চীয়া গগৈ, দৰথী হাতীবৰুৱা, ইলিনা হৰ্ষিতা, ইচিনা কোঁৱৰ, তপস্যা চিৰিং ফুকন, আদিয়ে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। মনজিৎ ঠাকুৰৰ পৰিচালনাত হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ "উশাহ" নামৰ নাটকখনি মঞ্চস্থ কৰা হয়। উক্ত অনুষ্ঠানটিত মাকুমৰ সংস্কৃতিপ্ৰেমী ৰাইজে অংশগ্ৰহণ কৰি প্ৰয়াত বৰঠাকুৰলৈ শ্ৰদ্ধা নিবেদন কৰে। ডুমডুমাৰ বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ উপাধ্যক্ষা ডঃ প্ৰণীতা নেওগে আঁত ধৰা অনুষ্ঠানটিত কেইবাজনো ব্যক্তিয়ে হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত বক্তব্য দাঙি ধৰাৰ লগতে মাকুমৰ জেষ্ঠ ব্যক্তিসকলে সমবেত সংগীতো পৰিৱেশন কৰে।

## ডুমেৰগুৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসক, নাৰ্চ আৰু ফাৰ্মাচিষ্টৰ অনিয়মীয়া উপস্থিতি

**অসম বাৰ্তা, অভয়াপুৰী, ১৯ জুন ঃ** বঙাইগাঁও জিলাৰ অন্তৰ্গত ডুমেৰগুৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত স্বাস্থ্য সেৱাৰ পুতৌলগা অৱস্থাৰ তথ্য পোহৰলৈ আহিছে। স্থানীয় ৰাইজে তীব্ৰ ক্ষোভ উজাৰি অভিযোগ কৰে যে স্বাস্থ্য কেন্দ্ৰটোত চিকিৎসক, নাৰ্চ আৰু ফাৰ্মাচিষ্টসকলৰ অনিয়মীয়া উপস্থিতিৰ বাবে ৰোগীয়ে জৰুৰীকালীন সময়ত চিকিৎসা লাভৰ পৰা বঞ্চিত হৈ আহিছে। জানিব পৰা মতে এই স্বাস্থ্য কেন্দ্ৰত মুঠ ১৪ জন কৰ্মচাৰী নিয়োজিত হৈ থাকিলেও বিভিন্ন সময়ত চৰকাৰী নিৰ্দেশনাৰ দোহাই দি অধিকাংশ সময়তে স্বাস্থ্য কেন্দ্ৰটোৰ ভাৰপ্ৰাপ্ত চিকিৎসক গৰাকীয়ে কেন্দ্ৰটোত উপস্থিত থাকিব নোখোজা এটা নিয়মীয়া পৰম্পৰা হৈ পৰিছে। নিয়মমতে সকলো কৰ্মচাৰীয়ে পুৱা ৮ বজাত চিকিৎসা কেন্দ্ৰটোত উপস্থিত থাকিব লাগে, কিন্তু বাস্তৱত চিকিৎসক আৰু নাৰ্চসকল ১০ বজাৰ পিছতহে স্বাস্থ্য কেন্দ্ৰত উপস্থিত হয় বুলি অভিযোগ উঠিছে। উল্লেখযোগ্য যে, ফাৰ্মাচিষ্ট আব্দুল মতলেৱ প্ৰায়েই অনুপস্থিত থাকে বুলি অভিযোগ পোৱা গৈছে। তেঁওৰ অনুপস্থিতিৰ সুযোগ লৈ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী মান্নান আলীয়ে ঔষধ বিতৰণ কৰাৰ দৰেও গুৰুত্বপূৰ্ণ অভিযোগ উঠিছে। পুৱা প্ৰায় ৯ বজাত মূৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত এটি শিশু আৰু প্ৰসৱ বেদনাৰ কষ্টত ছটফটাই থকা এগৰাকী মহিলাক জৰুৰীকালীন চিকিৎসাৰ বাবে লৈ অহা হৈছিল। কিন্তু আশ্চৰ্যজনকভাৱে পুৱা ১০ বজালৈকে স্বাস্থ্য কেন্দ্ৰত এজনো চিকিৎসক বা নাৰ্চ উপস্থিত নাছিল। ফলত ৰোগী আৰু আত্মীয়স্বজন সমস্যাৰ সন্মুখীন হয়। এই ঘটনাৰ সত্যতা স্বীকাৰ কৰিছে স্বাস্থ্য কেন্দ্ৰটোৰ ভাৰপ্ৰাপ্ত চিকিৎসক ডাঃ উচমান গনিয়ে। তেঁও এই অনিয়মীয় অৱস্থাৰ কথা স্বীকাৰ কৰি স্বাস্থ্য বিভাগৰ উচ্চ পৰ্যায়ৰ দৃষ্টি আকৰ্ষণ কৰি বিহীত ব্যৱস্থা লব বুলি জানিবলৈ দিয়ে। স্থানীয় ৰাইজ আৰু সামাজিক সংগঠনসমূহে এই চিকিৎসা কেন্দ্ৰটোৰ অনিয়মৰ তদন্তৰ দাবী জনাইছে আৰু স্বাস্থ্য সেৱা নিশ্চিত কৰিবলৈ তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্বাস্থ্য বিভাগৰ ওচৰলৈ আহ্বান জনাইছে।

## লেংটিছিঙাৰ ডুমেৰগুৰীত ছাত্ৰ নিৰুদ্দেশ

**অসম বাৰ্তা, অভয়াপুৰী, ১৯ জুন ঃ** বঙাইগাঁও জিলাৰ লেংটিছিঙাৰ সমীপৱৰ্তী ডুমেৰগুৰী প্ৰথম খণ্ডৰ পূৰ্বপাৰা ছিনিয়ৰ বেছিক স্কুলত অধ্যয়ন কৰি থকা পঞ্চম শ্ৰেণীৰ ছাত্ৰ ৰাকিবুল ইছলাম সোমবাৰৰ দিনা বিদ্যালয়লৈ ওলাই যোৱাৰ পিছৰ পৰাই সন্ধানহীন হৈ আছে। পৰিয়ালৰ লোকে জনোৱা মতে ছাত্ৰজনে বিদ্যালয়লৈ যোৱাৰ বা ওলাই যায় কিন্তু তাৰ পিছত তেওঁ ক'লৈ গ'ল, কি হ'ল, এই সন্দৰ্ভত এতিয়ালৈকে কোনো তথ্য উলিয়াব পৰা হোৱা নাই । পৰিয়ালৰ লোকে আত্মীয়-স্বজন, বন্ধু বান্ধৱ, চুবুৰীয়া আৰু সম্ভাব্য সকলো ঠাইত সন্ধান চলাইছে, তথাপিও ছাত্ৰজনৰ সন্ধান পোৱা হোৱা নাই। ৰাকিবুল ইছলাম নামৰ ছাত্ৰ জন হঠাত সন্ধানহীন হোৱা ঘটনাই সমগ্ৰ অঞ্চলত শোকৰ,ছাঁ পেলাইছে। যদি কোনো সদাশয় ব্যক্তিয়ে ছাত্ৰজনৰ সন্ধান পায়, তেওঁক তৎক্ষণাত পৰিয়ালৰ সৈতে ৮৪৭৩৯৬৯২০৭ নম্বৰত যোগাযোগ কৰিবলৈ কাতৰ অনুৰোধ জনাইছে।

## নলবাৰী জিলাৰ নৱ নিযুক্ত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীক আদৰণি নলবাৰী জিলা সাংবাদিক সন্থাৰ

**অসম বাৰ্তা, ঘগ্ৰাপাৰ, ১৯ জুন ঃ** সোমবাৰে নলবাৰীৰ জিলা আয়ুক্ত হিচাপে যোগদান কৰে নিবেদন দাস পাটোৱাৰীয়ে। মঙ্গলবাৰে নলবাৰী জিলা সাংবাদিক সন্থাৰ এটি প্ৰতিনিধি দলে জিলা আয়ুক্তৰ কক্ষত জিলা আয়ুক্তগৰাকীক স্বাগত সম্ভাষণ জনায়।সাংবাদিক সন্থাই তেওঁক ফুলাম জাপি, গামোচা,চেলেং চাদৰ,গ্ৰন্থৰ টোপোলা,কলম আদিৰে আদৰণি জনায়।এই অনুষ্ঠান পৰ্বত সদৌ অসম সাংবাদিক সন্থাৰ উপদেষ্টা ধ্ৰুৱজ্যোতি শৰ্মা, নলবাৰী জিলা সাংবাদিক সন্থাৰ সভাপতি বীৰেন কলিতা,সম্পাদক বসন্ত দাস,কাৰ্যকৰী সভাপতি ৰাজেন বৈশ্য,কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক টিংকু মণি বৰ্মন ,জিলা সাংবাদিক সন্থাৰ বিষয়ববীয়া নালিনী কুমাৰ ডেকা আৰু তপন শৰ্মাও উপস্থিত আছিল।একেটা অনুষ্ঠানতে পশ্চিম নলবাৰী প্ৰেছ ক্লাৱৰ তৰফৰ পৰাও জিলা আয়ুক্ত গৰাকীক আদৰণি জনোৱা হয়। উল্লেখযোগ্য নৱনিযুক্ত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে ইয়াৰ পূৰ্বে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যুটীয়া সচিব হিচাবে কৰ্তব্য পালন কৰি থকাৰ উপৰিও অসম গ্ৰামীণ জীৱিকা অভিযানৰ অভিযান সঞ্চালক হিচাবেও নিজৰ সেৱা আগবঢ়াই আছিল। উল্লেখ্য যে পূৰ্বৰ জিলা আয়ুক্ত বৰ্ণালী ডেকাই অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব হিচাবে কৰ্মত ইতিমধ্যেই যোগদান কৰিছে।

## ডিব্ৰুগড়ৰ বৰবৰুৱাত আটছাৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

**ষ্টাফ ৰিপ'টাৰ, ডিব্ৰুগড়, ১৯ জুন ঃ** ডিব্ৰুগড়ৰ বৰবৰুৱা ৰামেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ বৰবৰুৱা শাখাৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানটিত চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ -ছাত্ৰীক একোখনকৈ সম্বৰ্ধনা পত্ৰ , লেখন সামগ্ৰীৰ একোটা টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত অনুষ্ঠানটিত পতাকা উত্তোলন কৰে আটছা বৰবৰুৱা শাখাৰ সভাপতি চালুক উৰাঙে ,শ্বহীদ তৰ্পণ কৰে শাখাৰ সম্পাদক বিশ্বেশ্বৰ গোৱলাই আৰু সহযোগ কৰে ক্ৰীড়া সম্পাদক চনু উৰাং, বৃত্ত সম্পাদক প্ৰবীন হৰ, শাখাৰ উপদেষ্টা বুধন কৰ্মকাৰে। কেন্দ্ৰীয় সমিতিৰ সদস্য মন্টু উৰাঙে উদ্দেশ্যে বাখ্যা কৰাৰ পাছতে আমন্ত্ৰিত অতিথিসকলে শিক্ষাৰ্থীসকলৰ জীৱন উপকৃত হোৱাকৈ সাৰুৱা ভাষণ প্ৰদান কৰে। দেওবাৰে অনুষ্ঠিত অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপক প্ৰাঞ্জল বুঢ়াগোহাঁই, আটছাৰ সাধাৰণ সম্পাদক জগদীশ বৰাইক, আটছাৰ সাংগঠনিক সম্পাদক বসন্ত কুৰ্মী, আটছা ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক লক্ষীন্দৰ কুৰ্মী, বৰবৰুৱা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী বাবলি সোণোৱাল, লেপেটকটা চাহ বাগিছাৰ প্ৰধান পৰিচালক ৰজত দাস, ভাৰতীয় চাহ মজদুৰ সংঘৰ অশোক ওৰাং, চাহ জনজাতি ডিব্ৰুগড় মহিলা সমিতিৰ সম্পাদিকা সুমিত্ৰা ওৰাং, শিক্ষয়িত্ৰী সুশীলা ৰাজবংশী সহ আটছাৰ কেন্দ্ৰীয় জিলা আৰু বৰবৰুৱা শাখাৰ বিষয়ববীয়া সদস্য উপস্থিত থাকে। অনুষ্ঠানত পায় দুশ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

### সৃজনগ্ৰাম শিক্ষাখণ্ডত খণ্ড পৰ্যায়ৰ শৈক্ষিক গোটৰ সভা

## 'চি আৰ চি চি অবিহনে শিক্ষাখণ্ড চলাটো অসম্ভৱ'

**অসম বাৰ্তা অভয়াপুৰী, ১৯ জুন ঃ** বঙাইগাঁও জিলাৰ অন্তৰ্গত সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড পৰ্যায়ৰ শৈক্ষিক গোট চমুকৈ বি এ চি জিৰ এখন সভা আজি সোনাখুলি মজলীয়া বিদ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত হয়। সভাখনত শিক্ষাখণ্ডৰ সৰ্বাত্মক শিক্ষাৰ সমল ব্যক্তি ছামিউল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাখনত সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্য এক সমল ব্যক্তি ভূপেন চন্দ্ৰ ৰায়ে সভাৰ উদ্দেশ্য বৰ্ণনা কৰে। সভাৰ মূল আলোচনাৰ বিষয়বস্তু আছিল পেট-২০২৫ পৰীক্ষা, 'এক পেড় মা কী নাম' গছ ৰোপণ অভিযান, 'এফ এল এন', 'ই চি চি ই' আদিৰ সফল আৰু ফলপ্ৰসূ কাৰ্য ৰূপায়ণ। ভূপেন চন্দ্ৰ ৰায়ে এই সকলো বিষয়ত বিস্তৃতভাৱে ব্যাখ্যা কৰি সকলো চি আৰ চি চি (মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক) সকলক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সভাত সৃজনগ্ৰাম শিক্ষাখণ্ডৰ সমল ব্যক্তি ছামছুল আলমে বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ ক্ষেত্ৰত চি আৰ চি চি সকলৰ সক্ৰিয় অংশগ্ৰহণৰ বাবে তেওঁলোকক আন্তৰিক ধন্যবাদ জনায়। লগতে তেওঁ উল্লেখ কৰে যে, নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ বাবে বিভিন্ন বিদ্যালয়ত থকা অতিৰিক্ত পাঠ্যপুথি সংগ্ৰহ কৰি বিতৰণৰ ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। অন্য এক সমল ব্যক্তি জাহিদুল ইছলামে সভাত বক্তব্য ৰাখি শিক্ষক সকলক 'শিক্ষা সেঁতু'ত নিয়মিতভাৱে উপস্থিতি দিয়াৰ লগতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিও অনলাইন পদ্ধতিত "শিক্ষা সেঁতু"ত আপডেট কৰি ৰখাৰ দায়িত্ব চি আৰ চি চি সকলৰ। তেওঁ লগতে দৃঢ়ভাৱে কয়-"চি আৰ চি চি সকল নোহোৱাকৈ এটা শিক্ষাখণ্ড পৰিচালনা কৰাটো অসম্ভৱ। শিক্ষাৰ গুণগত মান বৃদ্ধি কৰিবলৈ চি আৰ চি চি সকলে সদা সক্ৰিয় আৰু জাগ্ৰত থাকিবই লাগিব।" আজিৰ এই গুৰুত্বপূৰ্ণ সভাত সৃজনগ্ৰাম শিক্ষাখণ্ডৰ ৪৫ গৰাকী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক, শিক্ষাখণ্ডৰ বিভিন্ন বিষয়ৰ বিষয়া-ববীয়াসকলৰ উপৰিও বঙাইগাঁও জিলা চি আৰ চি চি সন্থাৰ সভাপতি আৰু সম্পাদকো উপস্থিত থাকে।

## চেঙাত পিইডিচিৰ সংবাদমেল

**গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধান বিচাৰে পিইডিচি বিধায়ক আশ্ৰাফুল হুছেইনৰ ওপৰত তীব্ৰ সমালোচনা**

**অসম বাৰ্তা, চেঙা, ১৯ জুন ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ বহুবছৰৰ পৰাই যন্ত্ৰণাৰ কাৰণ হৈ থকা ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া সমস্যা সন্দৰ্ভত পদ্মপাৰা এডুকেশ্বনেল ডেভেলপমেন্ট চছাইটি (PEDC)-এ মংগলবাৰে এখন গুৰুত্বপূৰ্ণ সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত PEDC-ৰ সভাপতি শ্বাকিল ইনজামামুল হকে গৰাখহনীয়া সমস্যাৰ ভয়ংকৰ ৰূপ আঁতৰাই দিয়ে। তেওঁ উল্লেখ কৰে যে ৰৌমাৰী পাথাৰ, ৰৌমাৰী গাঁও, চেনিমাৰী, বান্দালী, বহৰিৰ লগতে বহু গাঁও বছৰৰ পিছত বছৰ ব্ৰহ্মপুত্ৰৰ ভয়ংকৰ গৰাখহনীয়াৰ কবলত পৰিছে। শত শত বিঘা কৃষিজমি, আৰু বহু পৰিয়ালৰ বাসগৃহ ইতিমধ্যে নদীগ্ৰাসত জাহ গৈছে। সংবাদমেলত PEDC-ৰ সভাপতিজনে স্থানীয় বিধায়ক আশ্ৰাফুল হুছেইনৰ ওপৰত তীব্ৰ সমালোচনা কৰে। তেওঁৰ ভাষ্য অনুসৰি, "গৰাখহনীয়া সমস্যাৰ সমাধানৰ নাম লৈ ভোট বিচৰা বিধায়কে আজিলৈকে কোনো গঠনমূলক বা দৃঢ় পদক্ষেপ গ্ৰহণ কৰা নাই। চেঙাবাসীয়ে তেওঁক যি আশা লৈ বিধায়ক হিচাপে নিৰ্বাচন কৰিছিল, সেই আশা সম্পূৰ্ণভাৱে বিফল হৈছে।" শ্বাকিল ইনজামামুল হকে কয় যে বিগত ৪০ বছৰৰ ভিতৰত কোনো বিধায়ক বা মন্ত্ৰীয়ে এই সমস্যাৰ স্থায়ী সমাধানৰ প্ৰতি প্ৰকৃত আগ্ৰহ দেখুৱাই নাছিল। ফলত বছৰৰ পিছত বছৰ চেঙাৰ বহু পৰিয়াল গৃহহীন আৰু কৃষি অৱলম্বী বহুজন ভূমিহীন হৈ পৰিছে। PEDC-এ সংবাদমেলৰ জৰিয়তে ৰাজ্য চৰকাৰ, জলসম্পদ বিভাগ, আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টি আকৰ্ষণ কৰি এই গৰাখহনীয়া সমস্যাৰ ওপৰত এক তৎকালীন আৰু স্থায়ী সমাধান বিচাৰে। সংগঠনটোৱে চেঙাৰ জনসাধাৰণৰ স্বাৰ্থৰ বাবে বৃহত্তৰ আন্দোলনৰো হুঁচাৰিয়নি দিয়ে। স্থানীয় সচেতন মহলে PEDC-ৰ এই পদক্ষেপক সামাজিক দায়বদ্ধতাৰ দৃষ্টান্ত হিচাপে অভিহিত কৰিছে।

## আটাছু নেতা নূপুৰ নেওগৰ মাতৃৰ দেহৱসান

**অসম বাৰ্তা, জাঁজী, ১৯ জুন ঃ** সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু)ৰ শিৱসাগৰ জিলাৰ বৰুৱা পুখুৰী আঞ্চলিক সমিতিৰ সভাপতি নূপুৰ নেওগৰ মাতৃ, সৰবৰহী মহিলা বুলি ৰাণী নেওঁগ (৭২)ৰ বাৰ্ধক্যজনিত কাৰণত কালি নামতি সমীপৰ নামতিয়াল গাঁৱৰ নিজা বাসগৃহত দেহাৱসান ঘটে। সহজ-সৰল অমায়িক স্বভাৱৰ ধৰ্মপ্ৰাণ মহিলা গৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে অগণন গুণমুগ্ধ তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তদুপৰি তেওঁৰ মৃত্যুত আটাছু শিৱসাগৰ জিলা সমিতিৰ সভাপতি অখিল আহোম, নামতি প্ৰেছ ক্লাৱ, কালুগাঁও প্ৰেছ ক্লাৱ, আটাছু বৰুৱা পুখুৰী আঞ্চলিক সমিতি, নামতি পিয়লি ফুকন শাখা সাহিত্য সভা, নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়, খঁৰাগড় আঞ্চলিক কলা কৃষ্টি কেন্দ্ৰ, কিৰাইআলি গাঁওৰক্ষী বাহিনী, নামতি আঞ্চলিক ছাত্ৰ সন্থা, শলগুৰি আঞ্চলিক ছাত্ৰ সন্থা, সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থা, নামতিয়াল গাঁও নামঘৰ পৰিচালনা সমিতিকে আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত স্বামী, পুত্ৰ-বোৱাৰী লগতে বহু আত্মীয় স্বজনক ইহ-সংসাৰত এৰি থৈ গৈছে।

## কামৰূপ জিলাত ধৰতী আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযান ৰূপায়ন সন্দৰ্ভত সভা

**ষ্টাফ ৰিপৰ্টাৰ, বাইহাটা চাৰিআলি, ১৯ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে জনজাতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৰ্বাংগীণ উন্নয়নৰ লক্ষ্যৰে হাতত লোৱা ধৰতী আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযানৰ কামৰূপ জিলাত সফল ৰূপায়ন সন্দৰ্ভত এখন সভা কালি জিলাখনৰ আমিনগাঁওস্থিত সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ তৃতীয় মহলাত অনুষ্ঠিত হয়। কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্তৰ সভাপতিত্বত এই সভাখন অনুষ্ঠিত হয়। সভাত এই অভিযানৰ অধীনত জনজাতীয় সম্প্ৰদায়ৰ লোকসকলে চৰকাৰে ৰূপায়ন কৰা আচঁনিসমূহৰ সুবিধা লাভ কৰাতো নিশ্চিত কৰাৰ বাবে জিলাখনৰ প্ৰতিটো উন্নয়ন খণ্ডতে বিশেষ শিবিৰ অনুষ্ঠিত কৰা সন্দৰ্ভত আলোচনা কৰা হয়। কামৰূপ জিলাৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, কৃষি, শ্ৰম বিভাগৰ বিষয়াৰ লগতে অগ্ৰণী জিলা প্ৰবন্ধক, খণ্ড উন্নয়ন বিষয়াসকলো সভাত উপস্থিত থাকে। উল্লেখ্য যে এই অভিযানৰ অধীনত জিলাখনৰ সকলো উন্নয়ন খণ্ডতে ৩০ জুনৰ ভিতৰত সংশ্লিষ্ট বিভাগৰ সহযোগত বিশেষ শিবিৰ অনুষ্ঠিত কৰা হ'ব আৰু তৃণমূল পৰ্যায়ত যোগ্য জনজাতীয় লোকসকলে যাতে আধাৰ পঞ্জীয়ন, আয়ুষ্মান ভাৰত কাৰ্ড, পি এম কিষাণ, জন ধন একাউন্ট, ৰেচন কাৰ্ড আৰু ই-শ্ৰম আদিৰ সুবিধা লাভ কৰে তাৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব।

### কেন্দ্ৰীয় চৰকাৰৰ এঘাৰ বছৰ পূৰ্তিৰ লগত সংগতি ৰাখি বৰপেটা জিলা বিজেপিৰ কাৰ্যালয়ত সংবাদমেল সম্বোধন

## অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছাৰ সংবাদমেল

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৯ জুন ঃ** কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী চৰকাৰৰ কাৰ্যকালৰ এঘাৰ বছৰৰ অন্যতম উল্লেখযোগ্য সফলতা হিচাপে বিমুদ্ৰাকৰণ, দৰিদ্ৰতা হ্ৰাস আৰু চৰকাৰৰ বৈদেশিক নীতি বুলি আজি মন্তব্য কৰে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছাই। কেন্দ্ৰীয় চৰকাৰৰ এঘাৰ বছৰ পূৰ্তিৰ লগত সংগতি ৰাখি বৰপেটা জিলা বিজেপিৰ কাৰ্যালঞ্জয়ত আজি আয়োজিত এক সংবাদমেলত মন্ত্ৰী গৰাকীয়ে ইয়াৰ লগতে কয় যোৱা সময়ছোৱাত প্ৰধানমন্ত্ৰীৰ নেতৃত্বত ভাৰতে বিশ্বত নিজৰ শক্তিশালী পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হৈছে। বৈদেশিক নীতিৰ সমান্তৰালকৈ দেশৰ ভিতৰতো আন্তঃগাঠনি নিৰ্মাণেৰে ভাৰতক দ্ৰুত উন্নয়নৰ দিশলৈ লৈ যাবলৈ বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰ সফল হৈছে। ভাৰতৰ শক্তিক 'অপাৰেচন সিন্দুৰ'ৰ দৰে অভিযানে আৰু অধিক প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰি মন্ত্ৰী গৰাকীয়ে এই প্ৰসংগত দেশৰ নাৰী শক্তিক চৰকাৰে বিশেষভাৱে উদ্ভাষিত কৰি তুলিবলৈ সক্ষম হোৱাৰ কথা উল্লেখ কৰে। উত্তৰ পূৰ্বাঞ্চল বিশেষকৈ অসমৰ উগ্ৰপন্থী সমস্যা সমাধানত মোদী চৰকাৰৰ ভূমিকা সদায় উল্লেখনীয় হৈ ৰব বুলিও মন্ত্ৰীগৰাকীয়ে সংবাদমেলত কয়। মন্ত্ৰী গাৰ্লোচাই অসম চৰকাৰৰ প্ৰসংগও সংবাদমেলত উল্লেখ কৰে। অসম চৰকাৰে বাল্য বিবাহ বন্ধ কৰিবলৈ লোৱা পদক্ষেপ সমূহ ভাৰতৰ ভিতৰতে অন্যতম উৎকৃষ্ট বুলি প্ৰধানমন্ত্ৰী মোদীয়ে মুখ্যমন্ত্ৰীসকলৰ সন্মিলনত মন্তব্য কৰা বুলি তেও কয়।

## জম্মু কাশ্মীৰত সীমান্তত ডেৰমাহ ধৰি অতন্দ্ৰ প্ৰহৰী হৈ থাকি নিজ বাসগৃহত উপস্থিত ঘগ্ৰাপাৰৰ ৰাহুল লহকৰ

### গাঁওবাসীয়ে আদৰণি জনালে বি এছ এফ জোৱানজনক

**অসম বাৰ্তা, ঘগ্ৰাপাৰ, ১৯ জুন ঃ** যোৱা ৮ মে'ৰ পৰা ভাৰত-পাকিস্হানৰ মাজত চলা যুদ্ধত বি এছ এফ জোৱানসকলে দেশ-মাতৃক ৰক্ষাৰ্থে বিশেষ ভাৱে অৱদান আগবঢ়াই আহিছে। দেশ-মাতৃৰ সেৱাৰ বাবে এই জোৱানসকলে অতন্দ্ৰ প্ৰহৰীৰ দৰে নিজ কৰ্তব্য পালন কৰি অহাৰ সমান্তৰালকৈ নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ সমীপৰ নিমুৱা গাঁৱৰ ৰাজু লহকৰ আৰু মিনাক্ষী লহকৰ জেষ্ঠ পুত্ৰ ৰাহুল লহকৰ নামৰ বি এছ এফ জোৱানগৰাকীয়েও প্ৰায় ডেৰমাহ ধৰি জম্মু-কাশ্মীৰৰ পাকিস্তান সীমান্ত অঞ্চলত কৰ্তব্য পালন কৰি আজি বাসগৃহত উপস্থিত হোৱাত জোৱান জনক গাঁওবাসীয়ে উষ্ণ আদৰণি জনায়।যুৱ সমাজকৰ্মী সুকুমাৰ লহকৰে আত ধৰা অনুষ্ঠানটিত নিমুৱা গাঁও উন্নয়ন সমিতিৰ সভাপতি হৰিনাথ লহকৰ, শিলপোটাবড়ী-লাটিমা গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্য মামনি ডেকা, অগপৰ নলবাৰী জিলা সমিতিৰ যুৱ পৰিষদৰ সম্পাদক ডিম্বেশ্বৰ হালৈ, নিমুৱা গাঁৱৰ বিজেপিৰ বুথ সমিতি, নিমুৱা নামঘৰ সমিতি,নিমুৱা বুঢ়া গোসাই ঘৰ থান সমিতি আদিয়ে জোৱানজনক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। ইফালে জোৱানজনে সম্বৰ্দ্ধনা গ্ৰহণ কৰি আবেগিক হৈ পৰে। লগতে তেওঁ যুদ্ধৰ অভিজ্ঞতা বৰ্ণনা কৰে।

## জলাহ আয়ুসমান আৰোগ্য মন্দিৰৰ নতুন কমিটি গঠন

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৯ জুন ঃ** ওদালগুৰি জিলাৰ বনগাঁও ভিচিডিচিৰ অন্তৰ্গত জলাহস্থিত জলাহ আয়ুসমান আৰোগ্য মন্দিৰৰ নতুন কমিটিখন আজি গঠন কৰা হয়। কেন্দ্ৰটিৰ চিএইটছঅ পৰিস্মিতা পৰাশৰে পৰিচালনা কৰা সভাত উদেশ্য বাখ্যা কৰে এমপিডব্লীও প্ৰদীৰ বড়োয়ে। আজিৰ সভাই পূৰ্বৰ সমিতি খন ভংগ কৰি কনক সিং গৌৰক অধ্যক্ষ, ড: অঞ্জন হাজৰিকাক সহযোগী অধ্যক্ষ, পৰিস্মিতা পৰাশৰক সদস্য সচিব, ৰবেন চন্দ্ৰ বড়োক ভিচিডিচি সদস্য, পুলক ডেকাক ভি এইডচ এছএনচিৰ সভাপতি, অঞ্জলি নাৰ্জাৰীক বিদ্যালয় স্বাস্থ্য বিভাগ, অৰূপ বড়োক প্ৰচাৰ বিভাগ, কবিৰাম বড়োক ভিচিডিৰ সদস্য হিচাপেলৈ নতুন কমিটিখন গঠন কৰা হয়।

# নীলবাগানত এ জে ৱাই চি পিৰ অৱস্থান ধৰ্মঘট

## জিলা আয়ুক্তৰ জৰিয়তে প্ৰধানমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ

**অসম বাৰ্তা, মোৰাঝাৰ,১৯ জুন ঃ** সমগ্ৰ ৰাজ্যজুৰি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে নিৰ্মীয়মান নামনি সোৱণশিৰি নদী বান্ধকে ধৰি প্ৰস্তাৱিত সকলো বৃহৎ নদী বান্ধ অসমৰ নদীমাতৃক সভ্যতা সংস্কৃতি জৈৱ বৈচিত্ৰ্য আৰু পৰিৱেশতন্ত্ৰৰ বিৰুদ্ধে তিনি ঘন্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰিছে। তাৰে সমান্তৰালকৈ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ হোজাই জিলা সভাপতি জাইদুল লস্কৰৰ নেতৃত্বত জিলা সমিতিয়ে নীলবাগানত তিনি ঘন্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰি হোজাই জিলা আয়ুক্তৰ জৰিয়তে দেশৰ প্ৰধানমন্ত্ৰীলৈ কেবাদফীয়া দাবীৰে স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। এই বিষয়টো ইতিমধ্যে পৰিবেশ বিজ্ঞানী, নদীবান্ধ বিশেষজ্ঞ সকলৰ গৱেষণাত প্ৰমাণিত হৈছে। সেয়েহে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে অসমৰ সভ্যতা সংস্কৃতি ধংস কৰিব পৰা সকলো ধৰণৰ বৃহৎ নদীবান্ধ নিৰ্মাণৰ বিৰোধীতা কৰি আহিছে। যুৱ-ছাত্ৰ পৰিষদে বিদ্যুৎ উৎপাদনৰ জৰিয়তে দেশৰ উদ্যোগিক প্ৰগতিৰ বিৰোধীতা কেতিয়াও নকৰে। কিন্তু বিদ্যুৎ উৎপাদনৰ নামত বৃহৎ নদীবান্ধ নিৰ্মাণ কৰি অসমৰ নদীমাতৃক সভ্যতা সংস্কৃতি, পৰিৱেশতন্ত্ৰ নিচিহ্ন কৰা, কৃষিভূমি নিঃশেষ কৰা, বৃহৎ নদীবান্ধৰ এৰি দিয়া পানীৰে মানুহ আৰু জীৱকূল হত্যা কৰা কাৰ্য যুৱ-ছাত্ৰ পৰিষদে কেতিয়াও মানি নলয়। বিদ্যুৎ উৎপাদনৰ বাবে বৃহৎ নদীবান্ধৰ সলনি অন্য বিকল্প ব্যৱস্থাৰ পোষকতা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে কৰি আহিছে। আজিৰ ৩ ঘন্টীয়া অৱস্থান ধৰ্মঘট স্থলীৰ পৰা হোজাই জিলা আয়ুক্তৰ জৰিয়তে দেশৰ প্ৰধানমন্ত্ৰী লৈ প্ৰেৰণ কৰা স্মাৰক পত্ৰ খনত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় উল্লেখ কৰি আবেদন কৰে। আৰম্ভণিৰে পৰাই বৃহৎ নদীবান্ধৰ বিৰোধীতাৰে গণতান্ত্ৰিক আন্দোলন কৰি আহিছে। বিগত সময়ত যুৱ-ছাত্ৰ পৰিষদৰ আন্দোলনৰ ফলশ্ৰুতিত কেন্দ্ৰীয় চৰকাৰ, নদীবান্ধ কৰ্তৃপক্ষৰ সৈতে হোৱা ত্ৰিপাক্ষিক আলোচনাতো অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে নদীবান্ধ বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদনৰ আধাৰত দিয়া পৰামৰ্শ মতে নদীবান্ধৰ বিষয়টোত আগবাঢ়িবলৈ যুৱ-ছাত্ৰ পৰিষদে দাবী জনাইছিল। কিন্তু চৰকাৰে নিজে গঠন কৰি দিয়া বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ নিজেই নস্যাৎ কৰিছে। সম্প্ৰতি নামনি সোৱণশিৰি বৃহৎ নদীবান্ধ নিৰ্মাণ সম্পূৰ্ণ হৈ উৎপাদন আৰম্ভ কৰাৰ বাবে প্ৰায় সাজু হৈছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ স্পষ্ট কথা বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদন ৰাজহুৱা কৰি বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ অবিহনে নামনি সোৱণশিৰি বৃহৎ নদীবান্ধৰ উৎপাদনৰ কাম আৰম্ভ কৰিবলৈ দিয়া নহব। গতিকে নামনি সোৱণশিৰি নদী বান্ধ সন্দৰ্ভত চৰকাৰে গঠন কৰি দিয়া বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ নিৰ্মাণ কৰা গেৰুকামুখৰ নামনি সোৱণশিৰি নদীবান্ধ বন্ধ কৰাৰ লগতে বান গৰা খহনীয়াক সমস্যাক শীঘ্ৰে ৰাষ্ট্ৰীয় সমস্যাৰূপে স্বীকৃতি দিয়াৰ দাবীত সমগ্ৰ অসমজুৰি হোৱা ৩ঘণ্টীয়া গণ অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ জড়িয়তে আমি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ হোজাই জিলা সমিতিৰ তৰফৰ পৰা দাবী জনালোঁ। চৰকাৰে যদি এই দাবী মানি নলয় জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে অনাগত সময়ত কঠোৰ গণতান্ত্ৰিক আন্দোলন কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হব বুলি জনায়।

# ডিব্ৰুগড় শাখা লেখিকা সংস্থাৰ উদ্যোগত প্ৰথিতযশা সাহিত্যিক ড° নিৰ্মলপ্ৰভা বৰদলৈ স্মৃতি দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'টাৰ ডিব্ৰুগড়, ১৯ জুন ঃ** ৰাজ্যখনৰ এগৰাকী স্বনামধন্য কবি, গীতিকাৰ,সাহিত্যিক ড° নিৰ্মলপ্ৰভা বৰদলৈৰ স্মৃতি দিৱস ডিব্ৰুগড় শাখা লেখিকা সংস্থাই গীত আৰু কবিতাৰ অনুষ্ঠানটি উদযাপন কৰে। প্ৰতি বছৰৰ দৰে এইবাৰো সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত কৰা এই অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে লেখিকা সংস্থাৰ উপদেষ্টা তথা অসম লেখিকা সংস্থাৰ কাৰ্যকৰী সভাপতি হেমপ্ৰভা তাছা। শাখাৰ সম্পাদিকা পৰিমালা বৰুৱা কোঁৱৰে আঁত ধৰা অনুষ্ঠানটিত সভাপতি অনিমা কোঁচ গগৈয়ে পৰিচালনা কৰা ড০ নিৰ্মলপ্ৰভা বৰদলৈৰ গীত কবিতাৰ এটি সুন্দৰ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে অসম লেখিকা সংস্থাৰ প্ৰধান সম্পাদক উদয়ন্তী হাজৰিকাই। সভাত অলপতে বিমান দুৰ্ঘটনাত মৃত্যু হোৱা মৃতকৰ আত্মাৰ সদগতি বাবে মৌন প্ৰাৰ্থনা কৰা হয়। অনুষ্ঠানত ডিব্ৰুগড় শাখাৰ প্ৰাক্তন সম্পাদিকা আৰু বৰ্তমানৰ অসম লেখিকা সংস্থাৰ প্ৰধান সম্পাদিকা পদ অলংকৃত কৰা উদয়ন্তী হাজৰিকাক শাখাৰ ফালৰ পৰা সম্বৰ্ধনা জনায় শাখাৰ সম্পাদিকা পৰিমালা বৰুৱা কোঁৱৰে। বিষয়ববীয়া সকলে নিৰ্মলপ্ৰভা বৰদলৈৰ জীৱন ভিত্তিক সাৰগৰ্ভ বক্তৃতা প্ৰদান কৰে ক্ৰমে হেমপ্ৰভা তাছা, গৌৰী শইকীয়া, বৈজয়ন্তি কৌৰ গগৈ উদয়ন্তী হাজৰিকা, উৎপলা দাস, জিতা ডেকা হাজৰিকাই। ডিব্ৰুগড় শাখা লেখিকা সংস্থাৰ ত্ৰিমাহিক পত্ৰিকা 'সুৰভি' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক গৈৰিকা বৰুৱা আহমেদে। তেখেতে পত্ৰিকাখন উন্মোচন কৰি ড০ নিৰ্মলপ্ৰভাৰ সন্দৰ্ভত তত্ত্বগধুৰ বক্তব্য আগবঢ়ায়। অনুষ্ঠানটিত অংশ গ্ৰহণ কৰা গৌৰী শইকীয়া, গৈৰিকা আহমেদ বৰুৱা, হেমপ্ৰভা তাছা, কাঞ্চন বৰুৱা, বৈজয়ন্তী কৌৰ গগৈ , অনিমা কোঁচ গগৈ, ৰীণা দত্ত ভঁড়ালী, ছায়া দত্ত ভূঞা, উৎপলা দাস, সুৰজিতা সন্দিকৈ, কুসুম শইকীয়া সোনোৱাল, লোকদা বৰুৱা, মন্দিৰা কোঁৱৰ, টুনুমণি বৰুৱা, মঞ্জু গগৈ, ইভা গন্ধীয়া ফুকন, পৰিমালা কোঁৱৰ, জিতা ডেকা হাজৰিকা, সীমা বৰুৱা, নিবেদিতা চুতীয়া, মিনাক্ষী দাস বৰুৱা, অৰুণিমা বৰুৱা, নমিতা বৰুৱা, মফিদা বেগম , সুশীলা ৰাজবংশী , অনিমা বড়া সোনোৱাল, ৰিঞ্জুমণি হাজৰিকা, মল্লিকা দাসৰ গীত আৰু কবিতাই জীপাল কৰি তোলে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় পৰিমালা কোঁৱৰে ।



# ৰাষ্ট্ৰীয় মুৱাথাই প্ৰতিযোগিতাত সৰুপথাৰলৈ ৬টা সোণসহ ১৫টা পদক

## দল-সংগঠনৰ সম্বৰ্ধনা

**অসম বাৰ্তা, ধনশিৰি, ১৯ জুন ঃ** সৰুপথাৰ সমজিলালৈ পুনৰ সুঃখবৰ। ৰাষ্ট্ৰীয় মুৱাথাই প্ৰতিযোগিতাত পুনৰ সৰুপথাৰ সমজিলাৰ অন্তৰ্গত বৰপথাৰ অঞ্চলৰ ১৫গৰাকীকৈ প্ৰতিযোগীয়ে পদক আজুৰি অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনিছে। যোৱা ৯জুন তাৰিখৰ পৰা ১৪জুন তাৰিখলৈকে হাৰিয়ানাৰ ৰোহটক এমডি ইউনিভাৰ্ছিটিত অনুষ্ঠিত হোৱা ষষ্ঠ সংখ্যক ৰাষ্ট্ৰীয় মুৱাথাইঞ্চ২৫ প্ৰতিযোগিতাত বৰপথাৰ অঞ্চলৰ পৰা প্ৰশিক্ষক প্ৰশান্ত দাসৰ তত্ত্বাৱধানত মুঠ ১৯গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰি ছগৰাকী প্ৰতিযোগীয়ে সোণ, পাঁচগৰাকীয়ে ৰূপ আৰু চাৰিগৰাকী প্ৰতিযোগীয়ে ব্ৰঞ্জৰ পদক আজুৰি আনিবলৈ সক্ষম হৈছে। প্ৰতিযোগী সকলৰ ব্ৰাইন চেট্ৰি, অংকুৰ চেতিয়া, পেৰিছ সন্দিকৈ, পল্লবী কুমাৰ, শিল্পী নেওগ আৰু ঋষব ৰাজবংশীয়ে সোণ আৰু নম্ৰতা কুমাৰ, সানভি সিং, মুস্কাণ প্ৰধান, বৈষ্ণ দেৱী পাটগিৰি আৰু ময়ুৰেশ চুকুবৈদ্যই ৰূপ আৰু অম্লান দাস, স্বৰ্ণ বৰা, নিহাৰিকা শইকীয়া আৰু অয়নমণি গগৈয়ে ব্ৰঞ্জৰ পদক পাবলৈ সক্ষম হৈছে। মঙ্গলবাৰে পুৱা ১০বজাত এই প্ৰতিযোগীসকলৰ তিনিগৰাকী প্ৰতিযোগী ক্ৰমে পল্লবী কুমাৰ, নম্ৰতা কুমাৰ আৰু সানভি সিং অবধ অসম ৰেলযোগে সৰুপথাৰ ৰেলৰে ষ্টেচনত উপস্থিত হয় আৰু সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা সৰুপথাৰ আৰু বৰপথাৰ শাখাৰ বিষয়ববীয়াসকল তথা সদৌ অসম ভোজপুৰী পৰিষদ সৰুপথাৰ আৰু বৰপথাৰ আঞ্চলিকৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে তিনিওগৰাকী প্ৰতিযোগীকে একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই আৰু প্ৰতিগৰাকী প্ৰতিযোগীক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। ইয়াৰ উপৰি আন্তঃৰাষ্ট্ৰীয় ব'ৰ খেলুৱৈ স্বৰ্ণকণ্যা লাভলীনা বৰগোহাঁইৰ আদিগুৰু প্ৰশিক্ষক প্ৰশান্ত দাসে তেওঁৰ দলটোৰ অভূতপূৰ্ব সফলতাত আনন্দ প্ৰকাশ কৰাৰ লগতে সকলো প্ৰতিযোগীক অভিনন্দন জনাই। মঙ্গলবাৰে প্ৰতিযোগীসকল সৰুপথাৰৰ পৰা গৈ বৰপথাৰত উপস্থিত হোৱাৰ লগে লগে সমগ্ৰ বৰপথাৰ অঞ্চলতে এক আনন্দময় পৰিৱেশৰ সৃষ্টি হয়।

# দেশ বিৰোধী মন্তব্য কৰা মুকালমুৱাৰ ছফিকুল হকক আটক হাজো আৰক্ষীৰ

**অসম বাৰ্তা, হাজো, ১৯ জুন ঃ** দীৰ্ঘদিন ধৰি ভুৱা ফেচবুক একাউণ্ট খুলি মুখ্যমন্ত্ৰীৰ ফটো লগাই পাকিস্তান জিন্দাবাদ, গো মাংস জিন্দাবাদ দি হাজো আৰক্ষীক চেলেঞ্জ কৰা দেশ বিৰোধী ছফিকুল ইছলাম (২৫)ক কালি গুৱাহাটী নুনমাটিৰ পৰা হাজো আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, হাজো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পৰিদৰ্শক ৰূপম হাজৰিকাৰ নেতৃত্বত আৰক্ষীৰ এটি দলে গুৱাহাটী মহানগৰীৰ নুনমাটিৰ এটি নিৰ্মীয়মান অট্টালিকাৰ চোৰা-চিতাৰ দায়িত্বত থকা দেশদ্ৰোহী ছফিকুল হকক অভিযান চলাই আৰক্ষীয়ে আটক কৰে। ধৃত ছফিকুল হক মুকালমুৱা আৰক্ষী থানাৰ অন্তৰ্গত মুইপেনিৰ বুলি জানিব পৰা গৈছে। বিগত কিছুদিনৰ পৰা ধৃত ছফিকুলে ভুৱা ফেচবুক একাউণ্ট খুলি দেশ বিৰোধী মন্তব্য কৰাৰ লগতে সামাজিক পৰিৱেশ বিনষ্ট কৰি অহাত কোনো কোনো লোকে উক্ত ফেচবুক একাউণ্টটোৰ বিৰুদ্ধে আৰক্ষী থানাত গোচৰ ৰুজু কৰিছিল। ধৃত দেশদ্ৰোহী ছফিকুলঞ্জ হকক অধিক তথ্যৰ বাবে হাজো আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

# আপকুৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিৱেশনৰ হিচাপ দাখিল

**অসম বাৰ্তা ঢেকীয়াজুলি, ১৯ জুন ঃ** শোণিতপুৰ জিলাৰ ছহিদ নগৰী ঢেকীয়াজুলিত যোৱা ১৮ আৰু ১৯ জানুৱাৰীত অনুষ্ঠিত হোৱা মফচলীয় সাংবাদিকসকলৰ সংগঠন আসাম প্ৰেছ ক'ৰেছপণ্ডেন্টছ ইউনিয়ন (আপকু)ৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিৱেশনৰ হিচাপ আজি দাখিল কৰা হয় । আজি দুপৰীয়া ঢেকীয়াজুলি পেঞ্চনাৰ ভৱনত আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি বগীৰাম বড়োৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত উক্ত অধিৱেশনৰ আয়-ব্যয়ৰ হিচাপ-নিকাচ দাখিল কৰা হয় । সভাত আদৰণী সমিতিৰ সাধাৰণ সম্পাদক নাৰায়ণ ফয়েলে উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে । এই অধিৱেশনত বিভিন্ন দিশত সহযোগিতা আগবঢ়োৱা সদাশয় ৰাইজক আদৰণী সমিতিৰ সাধাৰণ সম্পাদক নাৰায়ণ ফয়েলে কৃতজ্ঞতা জনায় । ইয়াৰ পিছত ডা:উমেশ চন্দ্ৰ দাসে হিচাপ পৰীক্ষকৰ প্ৰতিবেদন পাঠ কৰে । সভাত আদৰণী সমিতিৰ উপ-সভাপতি কৰুণা দত্ত বৰা, খগেন্দ্ৰনাথ শৰ্মা, প্ৰফুল্ল চন্দ্ৰ দাস, উদ্ধৱ মহন্ত, গোকুল বছনেত, মোহন কুমাৰ ছেত্ৰী, আপকুৰ কেন্দ্ৰীয় সমিতি সহকাৰী সম্পাদক হৰেণ ভূমিজ আদিয়ে বক্তব্য ৰাখে। সভাত আপকুৰ শোণিতপুৰ জিলা সমিতিৰ সম্পাদক বগা তপ্ন, আপকুৰ সদস্য বিপুল ফয়েল, তপন সেনগুপ্তৰ লগতে সমাজকৰ্মী ভুৱন দাস, যাদৱ বড়ো, পুলিন বৰা, বীৰেন্দ্ৰনাথ শইকীয়া, নৰেন্দ্ৰনাথ হালৈ আদি উপস্থিত থাকে ।

# বঙাইগাঁও জিলাৰ বিদ্যালয়সমূহত স্বাভাৱিক পাঠদান আৰম্ভ

**অসম বাৰ্তা, বঙাইগাঁও, ১৯ জুন ঃ** অত্যধিক গৰমৰ ফলত সাময়িকভাৱে সলনি কৰা বিদ্যালয়ৰ পাঠদানৰ সময়সূচী আজিৰে পৰা পূৰ্বৰ দৰে স্বাভাৱিকভাৱে চলিব। বঙাইগাঁও জিলাত দুই- তিনি দিন ধৰি বৰষুণ পৰাৰ ফলত বতৰ যথেষ্ট ডাৱৰিয়া হৈ পৰিছে। ফলস্বৰূপে, উৎকট গৰমৰ পৰা পৰিত্ৰাণ পোৱাৰ লগতে তাপমাত্ৰা কিছু পৰিমাণে স্বাভাৱিক অৱস্থালৈ আহিছে।উল্লেখযোগ্য যে, উৎকট গৰমৰ বাৰে ছাত্ৰ-ছাত্ৰী সকলৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি বঙাইগাঁও জিলাৰ জিলা আয়ুক্ত নৱদ্বীপ পাঠকৰ অনুমোদন সাপেক্ষে বিদ্যালয়সমূহৰ জিলা পৰিদৰ্শক পল্লবী মেধীয়ে যোৱা ১০ জুনত পাঠদানৰ সময়সূচীত সাময়িকভাৱে পৰিৱৰ্তন কৰাৰ নিৰ্দেশনা প্ৰদান কৰিছিল। কালি বিদ্যালয়সমূহৰ জিলা পৰিদৰ্শক পল্লবী মেধীয়ে তাপমাত্ৰ কিছু কম হোৱাৰ বাৰে পাঠদান পূৰ্বৰ সময়সূচী অনুসৰিয়েই চলাবলৈ নিৰ্দেশনা দিয়ে। আজিৰ পৰা জিলাখনৰ সকলো বিদ্যালয়ত পাঠদান পূৰ্বৰ নিয়ম মতে হ'ব। এই সিদ্ধান্ত ছাত্ৰ-ছাত্ৰী,বিদ্যালয় শিক্ষক-শিক্ষয়িত্ৰী ৰ লগতে অভিভাৱকসকলেও আদৰণি জনাইছে। প্ৰাকৃতিক পৰিস্থিতিৰ লগত সংগতি ৰাখি ভবিষ্যতে প্ৰয়োজন হ'লে পুনৰ সিদ্ধান্ত গ্ৰহণ কৰিব।

# ৰাভা জনগোষ্ঠীৰ দাপোণ স্বৰূপ 'বায়খো' উৎসৱত জনগোষ্ঠীটোৰ অস্তিত্ব, কলা-কৃষ্টি, সংস্কৃতি প্ৰতিফলিত হয় ঃ জীৱন ৰাভা

## দামৰা খুংখ্ৰাজানি দ্বাদশ বাৰ্ষিক 'বায়খো' উৎসৱৰ সামৰণি

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ,১৯ জুন ঃ** ৰাভা জনগোষ্ঠীৰ দাপোণ স্বৰূপ "বায়খো" উৎসৱত জনগোষ্ঠীটোৰ অস্তিত্ব, কলা-কৃষ্টি-সংস্কৃতি প্ৰতিফলিত হয়। হেঁপাহৰ ৰঙালী বিহুটি যিদৰে অসমীয়া জাতিটোৰ বাপোটি সাহোন ঠিক সেইদৰে ৰাভা জাতীয় উৎসৱ "বায়খো" ৰাভা জনগোষ্ঠীৰ বাপোটি সাহোন। এই মন্তব্য ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ সাধাৰণ সদস্য জীৱন ৰাভাৰ। দামৰা আঞ্চলিক ৰাভা ছাত্ৰ সন্থা, দামৰা আঞ্চলিক ৰাভা মহিলা পৰিষদ, দামৰা আঞ্চলিক ষষ্ঠ অনুসূচী দাবী সমিতিৰ উদ্যোগত আৰু খুংখ্ৰাজানী বিষ্ণু ৰাভা স্মৃতি সংঘৰ সহযোগত দেওবাৰে খুংখ্ৰাজানী ৰাজহুৱা খেলপথাৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা দ্বাদশ বাৰ্ষিক "বায়খো"ৰ সামৰণি পৰে। জীৱন ৰাভাই পুনৰ কয় যে প্ৰথম পৰ্যায়ত ৰাভা সকলৰ আৰাধ্যা দেৱী বায়খো দেৱীক পশ্চিম গাৰো পাহাৰ জিলাৰ ফেডালদোবা, পাহাম আদিকে ধৰি কেবাটাও অঞ্চলত এই পূজা কৰা হৈছিল। পৰৱৰ্তী সময়ত বায়খো পূজাৰ প্ৰচাৰ প্ৰসাৰৰ বাবে ১৯৯৩চনৰ পৰা দুধনৈ ৰাজহুৱা খেলপথাৰত বায়খো পূজা কৰা হয় আনহাতে ২০০৭ চনৰ পৰা বায়খোৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰৰ অসমৰ ১২খন জিলাৰ ৰাভা অধ্যুষিত অঞ্চলত বায়খো উৎসৱ পালন কৰা হয়। পৰৱৰ্তী সময়ত এই পূজাত সকলো জাতি জনগোষ্ঠীয়ে অংশগ্ৰহণ কৰাত বায়খো পূজা উৎসৱলৈ ৰূপান্তৰ হয়। বৰ্তমান এই উৎসৱৰ জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে জেঠ মাহৰ পূৰ্ণিমা তিথিৰ দিনটো বন্ধৰ দিন হিচাবে ঘোষণা কৰাৰ লগতে বিটিআৰ চৰকাৰেও ৰেষ্ট্ৰিকটেড হোলিডে হিচাবে ঘোষণা কৰিছে। বহাগ মাহ শেষ হোৱাৰ পিচতে জেঠ মাহত বৰষুণ দিয়াৰ পিচৰ পৰাই ৰাভা জনগোষ্ঠীয়ে কৃষি কৰ্মত নামি পৰে। কৃষি কৰ্ম আৰম্ভ কৰাৰ পূৰ্বে পূৰ্ণিমা তিথিত ৰাভা সকলে কৃষি কৰ্ম ভালদৰে সম্পন্ন হোৱা, কৃষি উৎপাদন বৃদ্ধি হোৱা, পথাৰ শস্য শ্যামলা হোৱা, ৰোগ ব্যাধিৰ পৰা গাওঁৰ সকলো লোক কুশলে থকা ইত্যাদি মংগল কামনা কৰি তেওঁলোকৰ আৰাধ্যা দেৱী "আয়া বায়খো"ৰ পূজা অৰ্চনা আৰম্ভ কৰে। এই পূজাৰ লগত সংগতি ৰাখি হুইমাৰু গীত,লেৰাটানা গীত,পথাৰ গীত,কিল্লাভাংগা গীত,বাৰনাক্কায় গীত, পূজা অৰ্চনা গীত আৰু ছাথাৰ গীত পৰিৱেশন কৰা হয়। হুইমাৰু গীত জেঠ মাহৰ পূৰ্ণিমা তিথিৰ পৰাই ৭দিন ৭ৰাতি গাওঁৰ জেষ্ঠ্য লোক সকলে মানুহৰ ঘৰেঘৰে গৈ হুচৰিৰ দৰে হুইমাৰু গীত গাই গৃহস্থৰ কুশল মংগল কামনা কৰে আৰু বায়খো দেৱীৰ পূজা কৰিবলৈ আহ্বান জনায়। তাৰ সমান্তৰাল ভাবে জেঠ মাহত বৰষুণ নামি অহাৰ পিচত যেতিয়া ধৰণী সেউজীয়া হৈ পৰে সেই আনন্দতে ডেকা গাভৰুয়ে নাচিবাগি আনন্দ উল্লাস কৰি ছাথাৰ গীত গায়। এই গীত সমূহ অবিহনে বায়খো পূজা কৰা অৰ্থহীন হৈ পৰে। বায়খো উৎসৱৰ লগত সংগতি ৰাখি পতকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষ ৰোপণ কাৰ্য্যসূচী আৰু আমন্ত্ৰিত জনজাতীয় কৃষ্টি দলৰ দ্বাৰা ছাথাৰ, নীলগিৰী,বহুৰঙী,তৰঙা, বিহু,বড়ো, হাজং, কুশান আদি আকৰ্ষণীয় কৃষ্টি প্ৰদৰ্শন।ৰাভা জনগোষ্ঠীৰ অন্যতম আকৰ্ষণীয় লেৰাটানা অৰ্থাৎ গছৰ শিপা টনা (ৰছী টনা) প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ পিছত অঞ্চলটোৰ কৃতি ছাত্ৰ-ছাত্ৰী সকলক সম্বৰ্ধনা জনোৱাৰ লগতে কৃষ্টি সমাৰোহ আৰু সন্ধিয়ালৈ ফেদাৰডোবা পুজাৰী বায়ব্ৰা পালিব্ৰাৰ দ্বাৰা বাৰনাক্কাই(জুইৰ ওপৰত খালী ভৰিৰে নৃত্য) প্ৰদৰ্শন কৰা হয়।

## ৩৫ বছৰৰ উজ্জ্বল জীৱনৰ অসমাপ্ত অধ্যায়

# সাংস্কৃতিক পৰিক্ৰমা বিভাগত শোকৰ ছাঁয়া পাৰ্থ প্ৰতিম গোস্বামীৰ অকাল প্ৰয়াণত

**ষ্টাফ ৰিপ'ৰটাৰ, শিলচৰ, ১৯ জুন ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে আজি এক মূল্যৱান কাৰ্মিকক হেৰুৱালে। বিভাগৰ শিলচৰ কাৰ্যালয়ত কৰ্মৰত কনিষ্ঠ সহায়ক পাৰ্থ প্ৰতিম গোস্বামী ১৫ জুন, ২০২৫ তাৰিখে ৰাতি ১টা ৩০ মিনিটত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় (GMCH)-ৰ আইচিইউত অন্তিম নিশ্বাস ত্যাগ কৰে। কেৱল ৩৫ বছৰ বয়সত লিভাৰ চিৰ'ছিছত আক্ৰান্ত হৈ দীৰ্ঘদিন ধৰি চিকিৎসাধীন থকা পাৰ্থৰ এই অকাল বিদায়ে সকলোকে শোকস্তব্ধ কৰি তুলিছে। পাৰ্থ প্ৰতিম গোস্বামী ২৬ মে' তাৰিখে সংকটজনক অৱস্থাত গুৱাহাটীৰ নেমকেয়াৰ হাস্পতালত ভৰ্তি কৰা হৈছিল। পিছত স্বাস্থ্যৰ অৱনতি ঘটিলে তেওঁক GMCH-ৰ আইচিইউলৈ স্থানান্তৰ কৰা হয়, য'ত চিকিৎসকে সকলো চেষ্টা কৰা সত্ত্বেও তেওঁক ৰক্ষা কৰিব পৰা নগ'ল। তেওঁৰ জন্ম হৈছিল নিম্ন অসমৰ পলাশবাড়ি থানাৰ অন্তৰ্গত নাহিৰা গাঁৱত, বিজয়নগৰৰ ওচৰত। ২০১৭ চনত সংস্কৃতি বিভাগত যোগদান কৰি নিজৰ কৰ্মজীৱনৰ আৰম্ভণি কৰে হাইলাকান্দি জিলা পৰ্যায়ত। পাছত শিলচৰত বদলি হোৱা পাৰ্থে কৰ্মনিষ্ঠা, সংহত সাংস্কৃতিক চেতনাৰে নিজকে প্ৰতিষ্ঠিত কৰি তোলে। 'খেল মহাৰণ', 'মেগা বিহু', 'ঝুমুৰ নৃত্য' আৰু বিভিন্ন জাতীয় দিৱস উপলক্ষে অনুষ্ঠিত সাংস্কৃতিক কাৰ্যসূচীত তেওঁ শিলচৰৰ পৰা গুৱাহাটীলৈ বিভিন্ন জাতিগোষ্ঠীৰ শিল্পী দলেৰে দায়িত্বশীলভাৱে অংশগ্ৰহণ কৰি বিভাগৰ মুখ উজ্জ্বল কৰিছিল। তেওঁৰ বিদায়ে অসমীয়াৰ সাংস্কৃতিক পৰিৱেশত এটা অপূৰণীয় শূন্যতা সৃষ্টি কৰিছে। সদায় হাঁহিমুখীয়া, সহানুভূতিশীল আৰু সংস্কৃতিমনস্ক এই যুৱ কৰ্মচাৰীৰ অকাল প্ৰস্থানত সমগ্ৰ বিভাগ আৰু সহকৰ্মীসকল গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁৰ পৰিয়ালত আছে পত্নী জ্যোতিকা গোস্বামী, তিনিবছৰীয়া পুত্ৰ, বয়স্ক পিতা-মাতা আৰু এজন কনিষ্ঠ ভ্ৰাতা। এক সুদীৰ্ঘ জীৱনৰ সম্ভাৱনা কঢ়িয়াই আনা পাৰ্থৰ এই অকাল প্ৰয়াণে সকলো হৃদয় বিদাৰক কৰি তুলিছে।

# বিজেপিত যোগদান

**অসম বাৰ্তা, খাৰিজা বিজনী, ১৯ জুন ঃ** বিভিন্ন দলৰ পৰা পাচ শতাধিক নেতা কৰ্মীৰ লগতে বিশিষ্ট সমাজ কৰ্মীয়ে বিজেপি দলত আনুষ্ঠানিক ভাৱে যোগদান কৰে । ভাৰতীয় জনতা পাৰ্টীৰ যোগদান কাৰ্যসূচীত মথনগুৰী মণ্ডল কমিটিৰ উদ্যোগত যোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিধায়ক ফনিধৰ তালুকদাৰ, ইএম গৌতম দাস। যোগদান কাৰ্যসূচীত পাচ শতাধিক লোকে আৰু কেইবাগৰাকীয় বিশিষ্ট সমাজকৰ্মীয়ে ভাৰতীয় জনতা পাৰ্টিৰ প্ৰতি আকৃষ্ট হৈ আনুষ্ঠানিক ভাৱে ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰে।

# গেলেকীত অ'এনজিচিৰ মূল্যবান চুৰি সামগ্ৰী উদ্ধাৰ

**অসম বাৰ্তা, গেলেকী, ১৯ জুন ঃ** গেলেকীৰ আৰক্ষীৰ বৃহৎ সফলতা। অ'এনজিচিৰ মূল্যবান চুৰি সামগ্ৰীৰ উদ্ধাৰ কৰিলে এটা পুখুৰীৰ পৰা। এক গোপন সূত্ৰৰ পম খেদি গেলেকী আৰক্ষীয়ে উদ্ধাৰ কৰিছে অ'এনজিচিৰ তৈলখাদত ব্যৱহৃত দুটাকৈ মূল্যবান ভেল্ব। দেওপানী মিছাজানৰ মধ্যভাগৰ পথৰ কাষত থকা এটা পুখুৰীৰ পৰা উদ্ধাৰ কৰে ভেল্ব দুটা। নিশা কোনো অচিনাক্ত দুৰ্বৃত্তই পুখুৰীত পেলাই থৈ যোৱাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে। উল্লেখযোগ্য যে ইয়াৰ আগেয়েও এনে বহু মূল্যবান সামগ্ৰী চুৰি হৈ আহিছে অ'এনজিচিৰ বিভিন্ন খাদৰ পৰা। এই সমূহ নিৰাপত্তা দিয়াৰ কাৰণে নাজিৰাৰ গেলেকীত অ'এনজিচিৰ এটা চিকিউৰিটি বিভাগ আছে যদিওঁ চুৰি ৰোধ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ ব্যৰ্থ হৈছে।

# বিদ্যাপুৰ ৰাজহ চক্ৰৰ উদ্যোগত দুৰ্যোগ ব্যৱস্থাপনাৰ সজাগতামূলক কাৰ্যসূচী

**অসম বাৰ্তা অভয়াপুৰী, ১৯ জুন ঃ** বঙাইগাঁও জিলাৰ বিদ্যাপুৰ ৰাজহ চক্ৰৰ উদ্যোগত আৰু বিদ্যাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত আজি বিদ্যালয় প্ৰাঙ্গনত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থা বাহিনীৰ এক সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীৰ নেতৃত্ব দিয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থা বাহিনীৰ পৰিদৰ্শক শঙ্খদীপ দাসে। বাহিনীৰ সদস্যসকলে ছাত্ৰ-ছাত্ৰীক সক্ৰিয়ভাৱে জড়িত কৰাই বিভিন্ন প্ৰাকৃতিক তথা মানৱসৃষ্ট দুৰ্যোগৰ সময়ত উদ্ভৱ হোৱা আতংকময় পৰিৱেশত কেনেকৈ শান্ত-স্থিৰভাৱে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব পাৰি তাৰ ওপৰত কাৰ্যভিত্তিক প্ৰশিক্ষণ প্ৰদান কৰে। চিকিৎসালয়লৈ নিয়াৰ আগত আঘাতপ্ৰাপ্ত ব্যক্তি বা সংকট পৰিস্থিতিত থকা লোকসকলৰ বাবে কেনেকৈ স্থিতিশীল পৰিৱেশ সৃষ্টি কৰিব পাৰি, তাৰো ওপৰত প্ৰাসংগিক অনুশীলন দেখুৱাই দিয়া হয়। এই অনুষ্ঠানত বিদ্যাপুৰ ৰাজহ চক্ৰৰ ক্ষেত্ৰ বিষয়া (দুৰ্যোগ বিভাগ) জছনুৰ আলম, সমগ্ৰ শিক্ষাৰ সমাজ জড়িতকৰণ আঁচনিৰ বিষয়া অভিজিত চক্ৰৱৰ্তী, মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক সাজউদ্দিন আহমেদ, বিদ্যালয়ৰ অধ্যক্ষ তেজেন কুমাৰ দাস, শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। এই ধৰণৰ কাৰ্যসূচীয়ে বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত দুৰ্যোগ-সজাগতা আৰু সুৰক্ষাবোধ গঢ়ি তোলাত বিশেষভাৱে সহায়ক হব।

# নগাঁৱৰ নৱ নিযুক্ত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীৰ লগত বৈঠক

**অসম বাৰ্তা, নগাঁও,১৯ জুন ঃ** জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভা কক্ষত দিনৰ ১১ বজাত জিলাখনৰ নৱনিযুক্ত আয়ুক্ত দেৱাশীষ শৰ্মাক জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী সকলৰ লগত এখন পৰিচয়মূলক সভাত মিলিত হয় । সভাৰ আৰম্ভণিতে নৱনিযুক্ত জিলা আয়ুক্ত গৰাকীক জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী সকলে ফুলাম গামোচা, শৰাই জাঁপি আৰু ফুলৰ থোপাৰে নগাঁও জিলালৈ উষ্ম আদৰণি জনায়। আয়ুক্ত গৰাকীৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে জ্যেষ্ঠ জিলা প্ৰশাসনিক সহায়ক তথা সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ নগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক শ্ৰী বিপুল চন্দ্ৰ বৰায়ে। ইয়াৰ পিছতে আয়ুক্ত গৰাকীৰ লগত উপস্থিত সকলো বিষয়া-কৰ্মচাৰীৰ পৰিচয়পৰ্ব সম্পন্ন হয় । জিলা আয়ুক্ত গৰাকীয়ে নিজৰ ভাষণত কয় যে, আমি সকলোৱে নিজৰ বিভাগীয় কাম-কাজ সমূহ সুকলমে আৰু নিয়াৰিকৈ সম্পন্ন কৰি আমাৰ নগাঁও জিলাখনক অসমৰ লগতে দেশৰ ভিতৰত এখন উন্নত জিলা হিচাপে গঢ়ি তুলিব লাগিব আৰু তাৰ বাবে তেখেতে উপস্থিত সকলোৰে সহযোগিতা আৰু গঠনমূলক দিহা পৰামৰ্শ তথা পূৰ্ণ সহযোগিতা কামনা কৰে। জিলাখনৰ জনসাধাৰণৰ সুবিধাৰ্থে সমূহ বিষয়া-কৰ্মচাৰীসকলক চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া সময়সূচী মতে উপস্থিত থাকি নিয়মানুৱৰ্তীতাৰে নিজৰ কৰ্ম সম্পাদন কৰিবলৈ আয়ুক্ত গৰাকীয়ে আহ্বান জনায়। আয়ুক্ত গৰাকীয়ে সদ্য প্ৰাক্তন জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহকে প্ৰমুখ্য কৰি পূৰ্বৰ জিলা আয়ুক্ত সকলে জিলাখনৰ বাবে আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদান সমূহ স্মৰণ কৰাৰ লগতে তেখেত সকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। সভাৰ পূৰ্বে জিলা আয়ুক্ত গৰাকীয়ে আয়ুক্ত কাৰ্য্যালয়ৰ প্ৰতিটো শাখাত উপস্থিত হৈ শাখা সমূহৰ অভাৱ অভিযোগ সমূহৰ বুজ লোৱাৰ লগতে জিলা আয়ুক্তৰ কাৰ্য্যালয়টো পৰিষ্কাৰ পৰিচন্নতাৰে শুৱনি কৰি তুলিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। সুধাকণ্ঠ ডং ভূপেন হাজৰিকাৰ কালজয়ী গীত "মানুহে মানুহৰ বাবে" পৰিবেশনেৰে অন্ত পৰা উক্ত সভাখনত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়া, জিলা উন্নয়ন আয়ুক্ত দেৱযানী চৌধুৰী, অতিৰিক্ত আয়ুক্ত সকল, সহকাৰী আয়ুক্ত সকল, চক্ৰ বিষয়া সকল, জিলা তথ্য আৰু জনসংযোগ বিষয়া, খণ্ড উন্নয়ন বিষয়া সকল আৰু জিলা প্ৰশাসনৰ জ্যেষ্ঠ আৰু কনিষ্ঠ বিষয়া কৰ্মচাৰী সকল উপস্থিত থাকে।

## বাসুগাঁও পৌৰসভাৰ দায়িত্বহীনতা

# চৰকাৰী নতুন ষ্টীলৰ ডাষ্টবিন কাটি চুৰমাৰ

**অসম বাৰ্তা, বাসুগাঁও, ১৯ জুন ঃ** বাসুগাঁও পৌৰসভা কাৰ্যালয় চৌহদত ভঙাচিঙা সা-সামগ্ৰী বিক্ৰীৰ নামত নতুনকৈ যোগান ধৰা ষ্টিলৰ ডাষ্টবিন সমূহ কাটি ভঙাচিঙা সামগ্ৰীলৈ ৰূপান্তৰিত কৰা হৈ আছে বুলি এক নং ওৱাৰ্ডৰ স্থানীয় লোকে দিয়া খবৰৰ ভিত্তিত সাংবাদিকৰ দল বাসুগাঁও পৌৰসভা কাৰ্যালয় চৌহদত উপস্থিত হৈ ৰাইজে কৰা খবৰৰ সত্যতা সচাঁ বুলি প্ৰমাণিত হয় । ডাংতলৰ তিনিজন মুছলমান যুৱকে বৈদ্যুতিক লো কটা যন্ত্ৰৰে বাসুগাঁও চহৰ এলেকাত বিতৰণ কৰাৰ বাবে বিভাগীয় ভাবে যোগান ধৰা আটকধুনীয়া ষ্টিলৰ ডাষ্টবিনসমূহ কাটি টুকুৰা টুকুৰ কৰি থকা অৱস্থাত হাতে লোটে ধৰা পেলায় । সাংবাদিকৰ দলটোক দেখি ডাষ্টবিন কাটি থকা যুৱক এজনে কৌশলপূৰ্ণ ভাবে ইতিমধ্যেই কাটি টুকুৰা কৰি ভাঁজ কৰি ৰখা ষ্টিলৰ পাত সমূহ অন্য সামগ্ৰীৰে লুকাই ৰখাৰ চেষ্টা কৰে। সাংবাদিক সকলে যুৱকজনক প্ৰশ্ন কৰাত আবোল তাবোল বকিবলৈ আৰম্ভ কৰে আৰু সমগ্ৰ ঘটনাটোক পৌৰসভাৰ উৰ্ধতন কৰ্তৃপক্ষলৈ ঠেলি দি তাৰ পৰা পলায়ন কৰাৰ চেষ্টা কৰে। এই সন্দৰ্ভত বাসুগাঁও পৌৰসভা জেষ্ঠ সহায়ক মনোজ মণ্ডলে জানিবলৈ দিয়ে যে স্বচ্ছ ভাৰত অভিযানৰ অংশ হিচাপে বাসুগাঁও পৌৰসভাত কোটি কোটি টকা মূল্যৰ বিভিন্ন ধৰণৰ ডাষ্টবিনৰ পৰা আৰম্ভ কৰি বেটাৰী চালিত বাহন, ট্ৰে"ৰ, এস্কেভেটৰ আদি বিভাগীয় ভাবে যোগান ধৰা হৈছিল। তাৰে পুৰণি তথা ৰদ বৰষুণত জহিখহি নষ্ট হৈ যোৱা বহু কেইটা বেটাৰী চালিত বাহন, লোৰ, পষ্টিকৰ ডাষ্টবিন আদি ভঙাচিঙা সামগ্ৰী হিচাপে বিক্ৰী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে বাসুগাঁও পৌৰসভা কৰ্তৃপক্ষ। তাৰ বাবে চৰকাৰী বিভাগীয় ভাবে নিৰ্দেশনা জাৰি কৰি নিৰ্দিষ্ট লো আৰু পষ্টিকৰ সামগ্ৰীখিনি বিক্ৰী কৰাৰ বাবে বাছনি কৰি দিছিলবুলি জানিবলৈ দিয়ে। সমগ্ৰ বিষয়টো চিৰাং জিলাৰ আয়ুক্ত যতীন বৰাক ফোন যোগে অৱগত কৰাৰ পিছতে জিলা আয়ুক্ত গৰাকীয়ে প্ৰকৃততে কি হৈছে জানিবলৈ বাসুগাঁও পৌৰসভাৰ কাৰ্য্যবাহী বিষয়া গৰাকীক বাসুগাঁও পৌৰসভালৈ পঠিয়াই দিয়াৰ কথা সাংবাদিক সকলক জানিবলৈ দিয়ে। কিন্তু প্ৰচণ্ড গৰমত সাংবাদিক সকলে প্ৰায় তিনিঘণ্টা সময় অপেক্ষা কৰাৰ পিছতো কাৰ্য্যবাহী বিষয়া গৰাকী পৌৰসভা চৌহদত উপস্থিত নোহোৱাত উপস্থিত সাংবাদিক সকলে অসন্তুষ্টি প্ৰকাশ কৰে। পৰৱৰ্তী সময়ত বাসুগাঁও পৌৰসভাৰ সভাপতি সাধন চন্দ্ৰ মণ্ডল নিজে আহি উপস্থিত হৈ বিভাগীয়ভাৱে মাত্ৰ দুবিধ সামগ্ৰী কাটিবলৈ দিয়া বুলিহে জনায়। এই সমগ্ৰ বিষয়টোক তেখেতে নিন্দা কৰে আৰু এই ঘটনাত পৌৰসভাৰ পহৰাদাৰ গৰাকীৰ ভূমিকাক লৈ সন্দেহ প্ৰকাশ কৰে। কিন্তু ভঙাচিঙা সামগ্ৰীৰ নামত বাসুগাওঁ চহৰৰ ৰাইজৰ মাজত বিতৰণ কৰিবলৈ অনা ষ্টিলৰ ডাষ্টবিন সমূহ বছৰৰ পিছত বছৰ ধৰি পেলাই ৰাখি এতিয়া সুযোগ বুজি নতুন ডাষ্টবিন সমূহ কাটি ভঙাছিঙা সামগ্ৰীলৈ ৰূপান্তৰ কৰা বিষয়টো সচেতন ৰাইজে সহজ ভাবে মানি লব পৰা নাই। ইয়াৰ এক উচিত তদন্তৰ দাবী কৰিছে বাসুগাঁওবাসী ৰাইজে।

# নগাঁৱৰ ৱান ইণ্ডিয়া ফেমিলি মাৰ্ট এতিয়া নতুন ৰূপত

## উন্নত ভেৰাইটি আৰু কোৱালিটিৰ সামগ্ৰী উপলব্ধ

**অসম বাৰ্তা, নগাঁও, ১৯ জুন ঃ** দেশজুৰি ফেশ্বন ৰিটেইল খণ্ডত নিজৰ বিশেষ পৰিচয় গঢ়ি তোলা ওৱান ইণ্ডিয়া ফেমিলি মাৰ্টক এতিয়া নগাঁৱত দেখা গৈছে নতুন ৰূপত।গ্ৰাহক বাঢ়ি অহা প্ৰয়োজনীয়তা তথা বজাৰ ব্যৱস্থাক আৰু অধিক সুবিধাজনক, আকৰ্ষণীয় আৰু লাভজনক কৰিবলৈ ওৱান ইণ্ডিয়া ফেমিলি মাৰ্ট এতিয়া 'ওৱান ইণ্ডিয়া ফেশ্বন' হিচাপে লৈছে নতুন ৰূপ।এই পৰিৱৰ্তন কেৱল নামত নহয়। সেৱা, গুণগত মান আৰু গ্ৰাহকৰ অভিজ্ঞতাৰ প্ৰতিটো দিশত সলনি হৈছে ওৱান ইণ্ডিয়া ফেশ্বন ওৱান ইণ্ডিয়া ফেশ্বনত ৫০,০০০তকৈ অধিক ফেশ্বন কালেকচন উপলব্ধ, য'ত থাকিব ট্ৰেণ্ডি কাপোৰ, এ'ছৈৰিজ আৰু পৰিয়ালৰ সকলো বয়সৰ লোকৰ বাবে উপযুক্ত বিকল্প। গ্ৰাহকৰ বজাৰ অভিজ্ঞতা অধিক ৰোমাঞ্চকৰ কৰিবলৈ প্ৰত্যেক ক্ৰয়ৰ সৈতে নিশ্চিত উপহাৰ আৰু লাকি ড্ৰৰ জৰিয়তে আকৰ্ষণীয় উপহাৰ জিকাৰ সুযোগো দিয়া হৈছে।

## সম্পাদকীয়

# বিষ্ণুপ্ৰসাদ ৰাভা আৰু আজিৰ প্ৰজন্ম

■ পৰজনমৰ শুভ লগনত
যদিহে আমাৰ হয় দেখা,
পূৰাবানে প্ৰিয়ে এই জনমত
মোৰ হিয়াৰ অপূৰ্ণ আশা ■

বিষ্ণুপ্ৰসাদ ৰাভা অসমীয়া সংস্কৃতিৰ এক উজ্জ্বল নক্ষত্ৰ। তেখেতে কেৱল এগৰাকী বিশিষ্ট সাহিত্যিক, নাট্যকাৰ আৰু সংগীতজ্ঞই নাছিল, তেখেত আছিল এক বহুমুখী প্ৰতিভাৰ অধিকাৰী। তেখেতৰ সৃষ্টিসমূহে অসমীয়া সমাজক নতুন দিশত আগবঢ়াই নিছিল। কিন্তু আজিৰ প্ৰজন্মৰ সৈতে বিষ্ণুপ্ৰসাদ ৰাভাৰ চিন্তা-চৰ্চাৰ সম্পৰ্ক কিমান?

আজিৰ যুৱসমাজ ডিজিটেল যুগৰ সৈতে জড়িত হৈ পৰিছে। গতিকে বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে মহান ব্যক্তিত্বৰ সৃষ্টিকৰ্মৰ প্ৰতি নতুন প্ৰজন্মৰ আগ্ৰহ হ্ৰাস পাইছে। তেখেতৰ ৰচনা, নাটক, সংগীত আদিৰ গভীৰতা আৰু সমাজমনস্কতা আজিৰ যুৱক-যুৱতীসকলৰ বাবে প্ৰাসংগিক হ'ব পাৰে, কিন্তু দুখৰ বিষয় যে আজিৰ প্ৰজন্মৰ ৰাভাদেৱৰ সৃষ্টিৰ প্ৰতি গুৰুত্ব কম।

যুৱসমাজে যদি বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্য আৰু সংগীতৰ সৈতে পৰিচিত হয়, তেন্তে অসমীয়া সংস্কৃতিৰ শিপা আৰু ইয়াৰ গৌৰৱময় ঐতিহ্যৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰে। বিদ্যালয়-মহাবিদ্যালয়ত তেখেতৰ ৰচনা অন্তৰ্ভুক্ত কৰাতোও অতি প্ৰয়োজনীয় আছিল যদিও চৰকাৰৰ সদিচ্ছাৰ অভাৱত সম্ভৱ হৈ উঠা নাই। তদুপৰি, সামাজিক মাধ্যমৰ জৰিয়তে বিষ্ণুপ্ৰসাদ ৰাভাৰ কৰ্মৰাজি জনপ্ৰিয় কৰিব পাৰিলে নতুন প্ৰজন্মে তেখেতক আত্মস্থ কৰিবলৈ সুবিধা পাব।

বিষ্ণুপ্ৰসাদ ৰাভাই আমাক এটা সমৃদ্ধ সাংস্কৃতিক উত্তৰাধিকাৰ দি গৈছে। এই উত্তৰাধিকাৰ ৰক্ষা কৰাটো আমাৰ নৈতিক দায়িত্ব। নতুন প্ৰজন্মে যদি তেখেতৰ আদৰ্শক ধাৰণ কৰে, তেন্তে অসমীয়া সংস্কৃতি আৰু সমাজ আগলৈও গৌৰৱান্বিত হ'ব।



# বিষ্ণুপ্ৰসাদ ৰাভা আৰু জাতীয়তাবাদী সংগ্ৰাম

ভাস্কৰজ্যোতি কুটুম



ঊনবিংশ শতিকাৰ শেষভাগ আৰু বিংশ শতিকাৰ আদিভাগত পাশ্চাত্যৰ সভ্যতা-সংস্কৃতিৰ প্ৰভাৱত আৰু সুদীৰ্ঘ দিনৰ পৰাধীনতাৰ তিক্ত পৰিৱেশৰ মাজত ভাৰত তথা সমগ্ৰ অসমত জাতীয়তাবাদী নৱজাগৰণৰ উদগিৰণ ঘটোৱা বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে এক যুগনায়কৰ চিন্তা-ভাৱনা সংক্ৰান্তিয় তেওঁৰ সমকালীন সমাজ-বুৰঞ্জীৰ গতি-প্ৰকৃতিৰ পটভূমিতহে বিচাৰি পোৱাটো সহজ নহয়। কিয়নো বিষ্ণুপ্ৰসাদ ৰাভা এগৰাকী জাতীয়তাবাদী চিন্তাধাৰাৰে অসমক প্ৰতিনিধি কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভাই জাতীয় গৌৰৱৰ অতীত সমল সমূহৰ পুনৰুদ্ধাৰ কৰাৰ লক্ষ্যৰে জাতীয় চেতনাৰে সমগ্ৰ জাতিক শক্তিমান কৰি তুলিছিল। তদুপৰি শক্তিশালী ব্ৰিটিছ সাম্ৰাজ্যবাদৰ সৈতে যুঁজাৰ স্বাৰ্থতে সমগ্ৰ ভাৰতবাসীৰ বিভিন্ন জাতিসত্তা সমূহৰ ঐক্য-সমন্বয়ৰ আৱশ্যকতা দাঙি ধৰাৰ লগতে জাতীয়তাবাদৰ অন্য এক গুৰুত্বপূৰ্ণ দিশ বুলি উপলব্ধি কৰে। সেইকাৰণে ভাৰত আৰু সমগ্ৰ অসমতে জাতীয়তাবাদৰ সংগ্ৰামৰ আৰম্ভ কৰে।

উল্লেখনীয় যে, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা এক জাতীয়তাবাদী চেতনাৰ পৰিৱেশৰ বৃহত্তৰ অসমতেই সৃষ্টি কৰিছিল। যাৰ ফলস্বৰূপে বিষ্ণুপ্ৰসাদ ৰাভাই অসমত শংকৰী চিন্তা আৰু সংস্কৃতিৰ পুনৰুজ্জীৱনৰ উদ্দেশ্যেৰে কীৰ্তনঘোষা, নামঘোষাৰ শৌৰ্য-বীৰ্য, নাট-গীত-নাম-বৰগীতৰ তুৰ্যনাদেৰে অসমৰ বিভিন্ন জনগোষ্ঠী সমূহৰ লগতে নগা, খাচি, মণিপুৰীকে আদি কৰি উত্তৰ-পূৰ্বাঞ্চলৰ সকলো জাতিক ঐক্যবদ্ধ কৰি বৰ অসমৰ সৃষ্টি কৰাৰ কথা ভাবিছিল। এইকাৰণে বিষ্ণুপ্ৰসাদ ৰাভাই কৈছিল, "সৰু সৰু জুৰি-নিজৰি উপনৈৰ সমন্বিত শকতিৰ দ্বাৰা যেনেদৰে ব্ৰহ্মপুত্ৰই তাৰ বিশালতা আৰু বিৰাটতা লাভ কৰিছে, ঠিক তেনেকৈ অসমৰ বহুজাতি, উপজাতি আৰু জনজাতিৰ কৃষ্টি-সংস্কৃতি আৰু সাহিত্যয়ো বিশালতা আৰু বিৰাটতা লাভ কৰিছে।" কিন্তু বৰ্ণ হিন্দু অসমীয়াৰ ভাষা-সংস্কৃতিকে জোৰকৈ অন্যান্য জনগোষ্ঠীৰ ওপৰত জাপি দি ঐক্য-সমন্বয় গঢ়াৰ কথা কেতিয়াও ভবা নাছিল। ইয়াৰ বিপৰীতে বিভিন্ন জনগোষ্ঠীৰ ভাষা-সংস্কৃতি আদিৰ মাধ্যমেৰে আদান-প্ৰদানৰ কৰিহে বৃহত্তৰ অসমীয়া জাতি নিৰ্মাণ কৰাৰ সপোন দেখিছিল।

বিংশ শতিকাত ভাৰতবৰ্ষৰ সামাজিক-ৰাজনৈতিক আকাশত কেৱল মাৰ্ক্সবাদী সাম্যবাদৰ চিন্তাধাৰাই গ্ৰাস কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত অৰ্থাৎ বিংশ শতিকাৰ পঞ্চম দশকলৈ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সান্নিধ্যৰে বিষ্ণুপ্ৰসাদ ৰাভাৰ চিন্তা-চেতনাৰ পৰ্বান্তৰ সূচনা কৰে। কিয়নো মাৰ্ক্সবাদৰ সান্নিধ্যতে তেওঁ ইংৰাজ-ভাৰতীয়, অসমীয়া-বঙালী, বড়ো-মিচিং আদিৰে জাতীয়তাবাদী পৰিচয় আৰু বাস্তৱ চিন্তাৰে যথেষ্ট পৰিৱৰ্তন হৈছে বুলি ভবাটো ভুল হ'ব উল্লেখ কৰিছিল। কিয়নো ভাৰতীয়ৰ লগতে বিভিন্ন জনগোষ্ঠীৰ মাজতে শোষিত আৰু শাসক আছে। সেইকাৰণে কেৱল ইংৰাজেই শত্ৰু নহয় বৰঞ্চ সমগ্ৰ শাসিত শ্ৰেণীকে তেওঁ প্ৰধান শত্ৰু হিচাপে লৈ জাতীয়তাবাদী চিন্তাধাৰাৰে সংগ্ৰামৰ আৰম্ভ কৰিছিল। তদুপৰি বিষ্ণুপ্ৰসাদ ৰাভাই এইটো বুজি পাইছিল যে, বিদেশী পুঁজিপতি আৰু স্বদেশী পুঁজিপতি শোষকৰ বিৰুদ্ধে যুঁজি জয়লাভ কৰিবলৈ জাতীয়তাবাদৰ বিশেষ কাৰ্যকৰী নহ'ব। সেইকাৰণে তেওঁ শ্ৰেণী চেতনাৰে বৰ অসম গঢ়াৰ চিন্তা নতুনকৈ কৰিবলৈ আৰম্ভ কৰে। তেওঁ কৈছিল, "যিসকল ধনী, জমিদাৰ, হাকিম, পুঁজিপতি, চাহ-বাগিচাৰ মালিক আদি তেওঁলোক অসমীয়া বা ভাৰতীয় নাগৰিক নহয়। তেওঁলোক পৃথিৱীৰ অন্য দেশৰ সেই একে শোষক সম্প্ৰদায়ৰ দৰে কেৱল সুবিধাবাদী আৰু মুনাফাখোৰ। তেওঁলোকৰ কোনো জাতিনাই, কোনো ধৰ্মনাই। তেওঁলোকে বিদেশী শক্তিৰ বাবে চোৰাংচোৱা কৰে। গতিকে তেওঁলোকক নিঃশেষ কৰা প্ৰধান লক্ষ্য আছিল। সেইকাৰণে তেওঁ সেই বিদেশী শক্তিৰ বিৰুদ্ধে যুঁজি জাতীয়তাবাদী সংগ্ৰামৰ সূচনা কৰিছিল।

এটা জাতিৰ প্ৰধান পৰিচয় হৈছে ভাষা আৰু সংস্কৃতি। সেইকাৰণে বিষ্ণুপ্ৰসাদ ৰাভাই ভালদৰে উপলব্ধি কৰিছিলে এটা জাতি মূলতঃ ভাষা আৰু সংস্কৃতিৰ ওপৰত গুৰুত্ব দিয়াটো অত্যন্ত প্ৰয়োজনীয়তা আছে। কিন্তু কিছুমান ধনী, সম্ভ্ৰান্ত, পুঁজিপতি আদিয়ে নিজৰ ভাষা-সংস্কৃতিৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান নকৰে বা ৰক্ষা নকৰে। তেওঁলোকে কেৱল নিজৰ স্বাৰ্থৰ বাবে শোষণ কৰিব বিচাৰে। সেইকাৰণে বিষ্ণুপ্ৰসাদ ৰাভাই কল্পনা কৰাব্ৰহ্মপুত্ৰ-সদৃশ বাৰে ৰহণীয়া ভাষা-সংস্কৃতিৰে বৰ অসম বা বৃহত্তৰ অসমৰ গঢ়িবলৈ হ'লে নিষ্পেষিত-নিপীড়িত হালোৱা-হজুৱা, কৃষক-বনুৱা, নিম্ন-মধ্য শ্ৰেণীৰ ৰাইজৰ সহযোগতে এখন সুন্দৰ বৰ অসম গঢ়িব পাৰিব। সেইকাৰণে তেওঁ লিখি থৈ গৈছে, "অসমীয়া জাতিৰ মৃত্যুবাণ এই হোজা, দুখীয়া, গাঁৱলীয়া অসমীয়াৰ হাতততহে।"

গতিকে শোষকক উৎখাত কৰি এই নিষ্পেষিত জনতাৰ উত্থান হ'লেহে অসমীয়া জাতিৰো উত্থান ঘটিব বুলি ভাবি বৰ অসম নিৰ্মাণৰ প্ৰক্ৰিয়া কেৱল মাৰ্ক্সবাদী নীতিৰ অৱলম্বন কৰে। মাৰ্ক্সবাদী নীতিৰ বিপৰীতে বিশুদ্ধ জাতীয়তাবাদী পথেৰে কেতিয়াও সম্ভৱ নহয়। সেইকাৰণে বিষ্ণুপ্ৰসাদ ৰাভাই জাতীয়তাবাদী কাৰ্য-কলাপক শ্ৰেণীসংগ্ৰামৰ সৈতে সমন্বিত কৰি বগা আৰু ক'লা উভয় পাঠাকে নিধন কৰি বৰ অসম নিৰ্মাণ আৰু কৃষক-বনুৱাৰ মুক্তিৰ যুটীয়া লক্ষ্যত উপনীত হ'ব পৰাকৈ তেওঁ জাতীয়তাবাদী সংগ্ৰামৰ সূচনা কৰিছিল।

ফোন ঃ ৬০০৫০১২৫৮১

# বিষ্ণু ৰাভাৰ আদৰ্শ সঠিক মূল্যায়ণ হ'বনে?

ৰাহুল দেৱ বৰদলৈ



বিষ্ণু প্ৰসাদ ৰাভা। নামেই যাৰ পৰিচয়। তেওঁক আমি যি উপাধিৰেই সন্মান নজনাও কিয় অসমৰ তথা উত্তৰ-পূব ভাৰতৰ বিষ্ণু ৰাভা আছিল এজন জাতীয় নায়ক। কলাগুৰু উপাধীৰ পৰা আৰম্ভ কৰি সৈনিক শিল্পী, জনতাৰ শিল্পী, গণশিল্পী, বিপ্লৱী শিল্পী, সংগ্ৰামী শিল্পী ইত্যাদি অভিধাৰে এই গৰাকী মহান পুৰুষক সন্মান জনালেও আমাৰ ভাষাত কব বিচাৰো যে বিষ্ণুপ্ৰসাদ ৰাভা সৰ্বকালৰ মহান অসমীয়া। অসমীয়া জাতিটোক, অসমীয়া ভাষাটোক, অসমৰ জাতি-জনগোষ্ঠীৰ সৰল-সহজ, দৰিদ্ৰ-দুখীয়া, কৃষক-বনুৱা, শ্ৰমিক লোকসকলক তেওঁ হিয়া উজাৰি ভাল পাইছিল। প্ৰাণ ভৰি ভাল পাইছিল দুখীয়া-নিছলা আই অসমীৰ জন-জাতীয় ভাই-ভনী সকলক। সেয়েহে সোণৰ চামুচ মুখতলৈ জন্ম হোৱা বিষ্ণু ৰাভাই বৰ অসমৰ ইমুৰৰ পৰা সিমুৰলৈ, অৰঙে-দৰঙে ঘূৰি দৰিদ্ৰ জনতাৰ মুকুতিৰ গান গাই এক মুক্ত বিহংগৰ জীৱন-যাপন কৰিছিল।

মাত্ৰ ৬০টা বসন্ত অতিবাহিত কৰা অসম মাতৃৰ অমৃত সন্তান, সংস্কৃতিৰ পূজাৰী, প্ৰগতিশীল চিন্তাৰ গৰাকী বিষ্ণু ৰাভাৰ সূৰ্যসম আভাই চিৰজ্যোতিস্মান কৰি গ'ল অসমভূমিক। গীতে-মাতে, সাহিত্য সৃষ্টিৰে, ৰাজনীতি-সমাজনীতি, বিপ্লৱী চেতনাই অসমৰ সমাজ জীৱনক মুক্তি পথৰ সন্ধান দিলে সঁচা, কিন্তু বিষ্ণু ৰাভাৰ অপূৰ্ব সৃষ্টিৰ মূল্যায়নেই বা কিমান? ই যেন বৰ্তমান সময়ত লাখ টকীয়া প্ৰশ্ন ..../

"পৰ জনমত শুভ লগনত
যদিহে আমাৰ হয় দেখা
পূৰাবানে প্ৰিয়ে এই জনমৰ
মোৰ হিয়াৰ অপূৰ্ণ আশা...।"

প্ৰবল আশাবাদী বিষ্ণু ৰাভাৰ এইফাকী গীতাংশই জ্বলন্ত প্ৰমাণ। অসমৰ প্ৰতিজন অসমীয়ালৈ ই যেন কৰুণ আহ্বান। চকুৰ আগত দেখা পোৱা অসমৰ মেহনতি জনতাৰ কৰুণ আৱাহন বিষ্ণু ৰাভাই মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। কেনেকৈ বুজাব সাধাৰণ জনতাক। ভিন্ন সৃষ্টিৰে ৰাভাই বুজাই দিছিল আমাৰ ভৱিষ্যত। 'পুং' নামৰ গল্পত এটা চৰিত্ৰ সৃষ্টিৰে কোৱা কথাখিনি অতিকে তাৎপৰ্যকৰ "ৰাইজসকল/ হতচিৰীয়া, দুৰ্কপলীয়া হালোৱা-হজুৱা, বনুৱা ভাইসকল/ যেতিয়ালৈকে ধনীৰ আইনৰ পেৰা-যন্ত্ৰটো আপোনালোকে ভাঙি নেপেলাই, তেতিয়ালৈকে সুখ, শান্তি আৰু মুক্তি নহয়। সেই পেৰা-যন্ত্ৰটো নাশ কৰিবৰ বাবেই বিপ্লৱ লাগে।" আৰু কৈছে - "বিপ্লৱ কটা খোছা নহয়। বিপ্লৱ হৈছে নতুন সলনি। শিপাৰে সৈতে উভলোৱা গছৰ দৰে সকলোৰে সলোৱা, পৰিৱৰ্তন কৰা - আমূল পৰিৱৰ্তন। আগতে সি লাহে লাহে হয়, পিছত সি আকস্মিক ভাৱে হঠাতে হয়।" কিমান বিপ্লৱী সত্তা থাকিলে এইখিনি কথা ক'ব পাৰে? এবাৰ ভাবি চাৰকচোন...।

ৰূপান্তৰেহে জগত সুন্দৰ কৰিব পাৰে, এয়া প্ৰকৃত শিল্পীৰ আত্মচেতনা। নোপোৱাৰ বেদনা, পাই হেৰুৱাৰ বেদনা, প্ৰেম-ভালপোৱাৰ অপূৰ্ব মাদকতাৰ মাজেৰে এক বৰ্ণাঢ্য জীৱন পৰিক্ৰমাৰে শোষিত-নিষ্পেষিত জনতাৰ মুকুতিৰ গান গাই ১৯৬৯ চনৰ ২০ জুন তাৰিখে কলাগুৰু চিৰদিনলৈ গুছি গ'ল। থৈ গ'ল অসমীয়া জাতি জীয়াই থকাৰ অপূৰ্ব সমল।

বিষ্ণু প্ৰসাদ ৰাভা প্ৰকৃতাৰ্থত ৰাইজৰ শিল্পী। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ পদাংক অনুসৰণ কৰি তেওঁ সংস্কৃতিৰ ধাৰা আগবঢ়াই লৈ গৈছিল। তেওঁৰ দৃষ্টিত পৃথিৱীৰ তিনিগৰাকী মহান প্ৰতিভাধৰক কৃষ্টিৰ আকৰ হিচাপে উল্লেখ কৰিছে। সেই তিনিগৰাকী শ্ৰীকৃষ্ণ, ইটালীৰ মহান বিজ্ঞানী লিওনাৰ্দো দ্যা ভিঞ্চি আৰু জগতগুৰু শংকৰদেৱ। মহাপুৰুষ শংকৰদেৱৰ বিষয়ে বিষ্ণু ৰাভাই এইদৰে কৈছে - 'শংকৰদেৱে অসমীয়াক সকলো দি গৈছে - গীত বাদ্য, নৃত্য, সুৰ, মঞ্চৰাগ, সাহিত্য, ভাৱনা, নামকীৰ্তন, ঘোষা, বৰগীত, অঙ্ক, নাট, নামঘৰ, খোল, মৃদংগ, তাল, ভাঁজঘৰ, দোলযাত্ৰা, হাটী, ধনপুঁজি, সমাজ, ধৰ্ম, বিচাৰ, নীতি, আইন, নৈতিক আন্দোলন, অহিংসা, ত্যাগ, ভোগ, বৈৰাগ্য, সমাধি সকলো।

তেওঁ গীতি-কবিতাৰে কৈছিল-
অ'অসমীয়া ডেকা দল।
আজি তোৰ তেজাল বদন
মলিন কিয় হ'ল?
দুৰ্গম-নদ-পাহাৰ গিৰি
লঙিঘছিলে ডেকা-গিৰি
সুন্দৰ শংকৰে লৰি
কৰিছিলে তল
দেখুৱাইছিল জগত জুৰি
অসীম বহু বল।
কীৰ্তন-দশম-নামঘোষা
হওক আমাৰ শৌৰ্য্য
নাট-নাম-ঘোষা-বৰগীত
হওক ৰণৰ তুৰ্য্য
আৰ্হি তেওঁৰ এই অসমৰ
হওক অসীম বীৰ্য্য
অসমীয়া সমনীয়া
আগবাঢ়ি যাওঁ বল।

বিপ্লৱী কমিউনিষ্ট পাৰ্টিত যোগদান কৰি এক সাংস্কৃতিক বিপ্লৱেৰে মানুহক শোষণমুক্ত কৰাৰ পণ লৈ ৰাভাই উদাৰ্ত কণ্ঠেৰে কলে - "কৃষ্টিৰ কাৰণেহে মানুহ মানুহ, নহলে মানুহ পশুৰ শাৰীত থাকিলহেঁতেন। কাৰণ বাচি থকাই যেতিয়া প্ৰকৃতিৰ প্ৰেৰণা, আৰু প্ৰকৃতিৰ ওপৰতেই মানুহ নিৰ্ভৰশীল হলহেঁতেন তেতিয়া মানুহ পশু বুলি গণ্য হলহেঁতেন। কাৰণ পশোৱে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে, কিন্তু মানুহৰ জীৱিকা প্ৰচেষ্টাই প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ নকৰি প্ৰকৃতিৰ বুকুফালি খাদ্যবস্তু আৰু প্ৰয়োজনীয় উপাদান আদায় কৰিবলৈ মানুহক শিকালে। গতিকে মানুহৰ সৃষ্টিৰ মূল প্ৰেৰণা হ'ল প্ৰকৃতিৰ দাসত্বৰ পৰা মুক্তি। এই যে মানুহৰ সহজ সাধ্য মুক্তি স্বাধীনতাৰ সাধনা, এই সাধনা হৈছে মানুহৰ জীৱিকা প্ৰয়াস আৰু এই মানুহৰ জীৱিকা প্ৰয়াসেই হৈছে কৃষ্টি-সংস্কৃতি বা কালচাৰৰ মূল তত্ত্ব।"

বিষ্ণু প্ৰসাদ ৰাভাৰ 'পুং' নামৰ চুটি গল্পটোত এজন বুঢ়াৰ চৰিত্ৰৰ যোগেদি সমাজৰ ধনী আৰু দুখীয়াৰ যি বিৰাট ব্যৱধান এটি গুৰুত্বপূৰ্ণ সংলাপেৰে এক বাৰ্তা দিছে এনেদৰে - "...আইন, আইন আনৰ কাৰণে। এই আইন হৈছে ধনীক ৰক্ষা কৰা আৰু দুখীয়াক মৰা আইন। এনে আইনৰ পৰাই ধনতন্ত্ৰবাদী সমাজব্যৱস্থা চলি আছে। এই আইনেই হৈছে ধনিক শ্ৰেণীৰ ছলনাৰ কৌশল। আমাৰ অৱস্থা বেয়া হলে আমি এবাৰ কপালক, এবাৰ ঈশ্বৰক দুখ দিওঁ। দৰাচলতে কপালৰো দুখ নহয়। দেৱতাৰো দুখ নহয়, আচলতে ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাৰ দুখ। ধনী হিচাপে কাৰোবাক সৃজন কৰাহেঁতেন, ধনী ল'ৰাই মাকৰ গৰ্ভৰ পৰাই জোতা চোলা পিন্ধি বাজ হৈ ওলালহেঁতেন। সৰ্বহাৰা দুখীয়াৰ ল'ৰাৰ দৰে ধনী ঘৰৰ কেঁচুৰাও নঙঠা হৈ উপজে। ধনতন্ত্ৰবাদী সমাজ ব্যৱস্থাই গুপুতে গোপনে ধনীৰ ল'ৰাক ভালকৈ খুৱাই বুৱাই, পিন্ধাই ৰাখে।"

বিপ্লৱ কেনেকৈ জন্ম হয় তাৰ ওপৰত ব্যাখ্যা দাঙি ধৰি ৰাভাই বুঢ়াৰ মুখেৰেই কৈছে - "কণীৰ ভিতৰত বিজলও থাকে কুহুমও থাকে। বিজলে কুহুমক নষ্ট কৰিব বিচাৰে, কুহুমে বিজলক ধ্বংস কৰিব বিচাৰে। এইদৰে যুঁজোতে বিজলও নহয়, কুহুমও নহয়, বেলেগ এটা বস্তু ওলায়। সেইটো হৈছে এটা পোৱালি। সেইদৰে ধনতন্ত্ৰবাদৰ গৰ্ভৰ পৰা দুটা শ্ৰেণী ওলাইছে এটা হৈছে ধনীক আৰু আনটো দুখীয়া সৰ্বহাৰা। ধনীক শ্ৰেণীয়ে গৰীৱ শ্ৰেণীক দমন কৰিবলৈ বিচাৰে, আৰু সৰ্বহাৰা শ্ৰেণীয়ে ধনীক শ্ৰেণীক উচ্চেদ কৰিবলৈ বিচাৰে। ধনীৰ শত্ৰু গৰীৱ আৰু সৰ্বহাৰাৰ শত্ৰু ধনীক। এইদৰে যুঁজি যুঁজি ধনীও নহয় দুখীয়াও নহয় এটা বেলেগ সমাজ ওলাই পৰে। সেয়া সমাজতন্ত্ৰবাদ। সেয়া হৈছে বিপ্লৱ।"



সঁচা শিল্পীৰ প্ৰাণোৎজ্বল জীৱন হতাশাৰে ভৰা। বিৰামহীন যাত্ৰাত ৰাভাদেৱে কতো থমকি ৰোৱা নাই। অবিৰাম গতিত, প্ৰবল প্ৰত্যাহ্বানকো নেওচি আগবাঢ়ি গৈছে, লক্ষ্য দলিত, শোষিত শ্ৰেণীৰ মুক্তি। নিজৰ শিল্পী সত্তাক আজুৰি বিষ্ণু ৰাভাই কৈছে এইদৰে - "মানুহে মোক শিল্পী বুলি কয়। যদি মই শিল্পী হওঁ বিধাতাৰ আশিৰ্বাদত হোৱা নাই, মানুহৰ আশিৰ্বাদতহে শিল্পী হৈছো। ৰাইজৰ হিয়া কোঁহৰ পৰা এটুপি এটুপি সুন্দৰৰ ৰহ বুটলি আনি মই মোৰ মন কোঁহত ভৰাই লওঁ। সেই মনকোঁহকে ৰহ-ঘৰা মৌকোঁহ ৰচি ভৰাই তাৰ পৰা টোপাল টোপাল ৰহ নিঙাৰি নিঙাৰি নিগৰি নিগৰি উলিয়াই ৰাইজক বিলাই দিওঁ। সেয়েহে ৰাইজৰ লগত মোৰ জীৱনৰ সম্পৰ্ক ওতপ্ৰোতভাৱে জড়িত আৰু সেইকাৰণে মই ৰাইজৰ দুখত সমদুখী, ব্যথাত সমব্যথী। শিল্পী হবলৈ হ'লে ঝাঞ্জা বিজয়ী আত্মাৰ গৰাকী হব লাগিব, তেহে সি গৌৰী শংকৰৰ জটাৰ উহঁৰ সোণালী লহৰীত দেহা তিয়াব পাৰে - প্ৰশান্তৰ গভীৰ তলিৰ শেলুৱৈৰ তলৰ শামুক বুটলি তাৰ গৰ্ভত থকা মুকুতা লভিব পাৰে।"

কলাগুৰু ৰাভাৰ বৰ্ণাঢ্য জীৱনশৈলী অধ্যয়ন কৰি আমাৰ সামান্য জ্ঞান সমীক্ষাৰে এটা কথা উপলব্ধি হয় যে কি ৰাজনীতি, কি সংস্কৃতিক, কি বৈপ্লৱিক, কি সামাজিক যিয়েই নকওক কিয় সকলোতে বিৰাজমান ৰাভাৰ আভা। এক বলিষ্ঠ নেতৃত্বৰে শদিয়াৰ পৰা ধুবুৰীলৈ অসমৰ প্ৰতিটো অঞ্চললৈ গৈ তাত থকা থলুৱা লোক কৃষ্টিৰ গভীৰতাত সোমাই মৌৰস বুটলি আনি বিশালতাৰ গভীৰ সাগৰ সৃষ্টি কৰি থৈ গ'ল।

গীতৰ মাজেৰে, কবিতাৰ মাজেৰে, নাটকৰ মাজেৰে, গল্পৰ মাজেৰে, চিনেমাৰ মাজেৰে, অনান্য সৃষ্টিৰাজীৰ মাজেৰে বিষ্ণু প্ৰসাদ ৰাভাই দি যোৱা অমূল্য অৱদানৰ মূল্যায়ন সঠিকভাৱে হৈছেনে? নকবলগীয়া সঁচা কথাবোৰ হ'ল যে বৰ্তমান ৰজাঘৰে, প্ৰজাঘৰে ২০ জুন আহিলেই বিষ্ণু ৰাভা দিৱস পতাৰ ব্যাপক আয়োজন চলে। ৰাভাৰ সৃষ্টিৰে কওঁ -

'কিবা যেন নাই আজি নাই
আছে হুমুনিয়াহ
আছে হুমুনিয়াহ
হতাশ .. হিয়াৰ ...
কৰুণ বিননি হায়... হায়
কিবা যেন নাই আজি নাই।"

জীয়াই থাকোঁতে বিষ্ণু ৰাভা চৰকাৰৰ দৃষ্টিত এজন দেশদ্ৰোহী, দাগী অপৰাধী। ধনীক শ্ৰেণীৰ মুৰৰ কামুৰণি। যাৰ বাবে কেইবাবাৰো কাৰাবাস খাটি, বহুদিন অজ্ঞাত বাসত কটাই নিৰ্ভিকভাৱে অসম মাতৃৰ সেৱাত নিজকে বিলীন কৰি গৈছিল খাটিখোৱা মানুহখনিৰ মুকুতিৰ বাবে। আজি অসমৰ প্ৰতিটো সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক অনুষ্ঠানৰ বাবে আদৰ্শ বিষ্ণু প্ৰসাদ ৰাভা। ৰাভাৰ আভাৰে জ্যোতিস্মান অসমৰ অসমীয়াৰ অস্তিত্বৰ সুঘ্ৰাণ। তথাপি কৰবাত, কোনোবাখিনিত উমি উমি প্ৰশ্ন জাগে কৃত্ৰিমতাৰে আবৰা আজিৰ সমাজ ব্যৱস্থাই ৰাভাৰ নিৰ্ভেজাল আভাক কিমান সঠিকভাৱে মূল্যায়ণ কৰিছে।

ফোন ঃ ৭০০২০৫৬৫৭৭

# এটি উজ্জ্বল নক্ষত্ৰ বিষ্ণু প্ৰসাদ ৰাভাদেৱ

জ্যোতি ৰেখা দেৱী

"সুৰৰে দেউলৰে ৰূপৰে শিকলি
ভাঙি দিলি খুলি দুৱাৰ
সোণোৱালী
পূজাৰী অ' সুন্দৰ পূজাৰী
সুন্দৰ পূজাৰী অ'।"

১৯০৯ চনৰ ৩০ জানুৱাৰীৰ এটি শুভ লগনত অসমীয়া সেউজ সংস্কৃতিৰ বাকৰিত সৌভাগ্যক্ৰমে সৰি পৰিছিল সুৰৰ দেউলৰ, ৰূপৰ শিকলি ভাঙি সোণোৱালী দুৱাৰ খোলা এটি উজ্জ্বল নক্ষত্ৰ- কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাদেৱ। মানৱতাৰ পূজাৰী, মানুহৰ শিল্পী বিষ্ণুপ্ৰসাদ দেৱ অসমীয়া সাহিত্য সংস্কৃতিৰ পথাৰখনত এক চিৰসেউজ বটবৃক্ষ। তেখেত একাধাৰে গীতিকাৰ, গায়ক, সুৰকাৰ, নৃত্য বিশাৰদ, বাদক, নাট্যকাৰ, সু-অভিনেতা, কবি তথা

অসমীয়া কৃষ্টিৰ জগভখনৰ এক আজন্ম শিল্পী। বিষ্ণু প্ৰসাদ ৰাভাই অসমীয়া জাতীয় জাগৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ উপৰিও, শিল্প-সংস্কৃতিৰ জগতত বহুমুখী অৱদান ৰাখিছিল। তদুপৰি তেখেতে আছিল এগৰাকী সুদক্ষ ৰাজনীতিজ্ঞ, মহান দেশপ্ৰেমী আৰু এগৰাকী প্ৰকৃতি প্ৰেমী (পক্ষী)।

গীতিকাৰ ৰূপে তেখেতৰ গীতসমূহত অনুৰণিত হয় সংগীতৰ আৰোহণ-অৱৰোহণৰ সপ্তসুৰী ৰাগ। অসমৰ প্ৰতিগৰাকী শিল্পী প্ৰমুখ্যে আবাল বৃদ্ধ বনিতাৰ মুখে মুখে বাৰুকৈয়ে মুখৰিত হৈ ৰ'ব তেখেতৰ ভিন্নসূৰ গীত-সুৰ-সংগীত। যি সংগীতে যুগ যুগান্তৰ অতিক্ৰম কৰি অমৰ হৈ আছে আৰু অনন্তকাল থাকিব, বিষ্ণু সংগীত কিম্বা ৰাভা সংগীত শিৰোনাম শুৱনি কৰি।

বিষ্ণু ৰাভাদেৱৰ প্ৰতিটো ইন্দ্ৰিয়ৰ পৰশত প্ৰাণৱন্ত হৈ পৰিছিল বিভিন্ন বাদ্যযন্ত্ৰ। তেখেতৰ বাদ্য বাদনৰ সুৰৰ লহৰত সাৰ পাই উঠিছিল প্ৰত্যেকজন ব্যক্তিৰ শিল্পীমন এটি। তেখেতৰ বাঁহীৰ সুললিত সুৰে জীপাল কৰিব পাৰিছিল সুৰৰ সমস্ত পৃথিৱীখন। তদুপৰি চেহনাই, বেহেলা, গগনা, তানপুৰা, চেতাৰ, টোকাৰী, ঢোল, তবলা, খোল, মাদল ইত্যাদি বাদ্যযন্ত্ৰবোৰে প্ৰাণ পাই উঠিছিল তেখেতৰ যাদুকৰী দুহাতৰ কোমল পৰশত।

ওস্তাদ কালাচন্দ্ৰৰ অধীনত নৃত্য শিক্ষা গ্ৰহণ কৰা এই মহান শিল্পী গৰাকী, ৰুছিয়াৰ বিশ্ব বিখ্যাত নৃত্য পটিয়সী প্ৰাইমা বেলেৰিমা আনা পাভলোভৰ নৃত্যৰ দ্বাৰা বাৰুকৈয়ে অনুপ্ৰাণিত হৈছিল। এই মহান শিল্পী বিশিষ্ট নৃত্য বিশাৰদ ৰাভাদেৱে ১৯৪০ চনৰ কোনোবা এটা বৰ্ণীল দিনত কাশী বিশ্ববিদ্যালয়ৰ ৰঙ্গমঞ্চত অনন্য ভংগীমাৰে দক্ষিণ ভাৰতৰ চিদাম্বৰম শিল মন্দিৰৰ শিলত খোদিত বিখ্যাত শিৱ তাণ্ডৱৰ ১০৮ বিধ নৃত্য ভংগীমাৰে ঐকান্তিক বৈশিষ্ট্যৰে শিৱৰ তাণ্ডৱ নৃত্য প্ৰদৰ্শন কৰি এক অনবদ্য ও অভিনৱ নৃত্যৰ নতুন ধাৰা প্ৰতিষ্ঠা কৰে। নাট্যকলা, নৃত্য, আৰু সাহিত্যক্ষেত্ৰত থকা অসামান্য অৱদানৰ বাবে ভূতপূৰ্ব ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে বিষ্ণু প্ৰসাদ ৰাভাদেৱক "কলাগুৰু" উপাধিৰে (উপনাম) বিভূষিত কৰিছিল। সেয়েহে এই উপাধি সদায় সকলোৰে বাবে আদৰৰ।

তদুপৰি "হৰ-পাৰ্বতীৰ নৃত্য" শীৰ্ষক নৃত্যৰে তেখেতে বিমোহিত কৰি তুলিছিল হৃদয়ত ৰঞ্জিত হৈ থকা প্ৰতিজন দৰ্শকৰ সাংস্কৃতিক সত্তাক। এই জনা মহান শিল্পীয়ে সংগীতৰ কোনো ধৰণৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ নকৰাকৈ তেওঁৰ আজন্ম গুণ-গৰিমাৰে অসমৰ লগতে সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন ৰংগমঞ্চ কঁপাই দৰ্শকক বিমুগ্ধ কৰিছিল।

সকলোৰে শিল্পীপ্ৰাণ হৃদয়ৰ আবেদন পূৰাব পৰা এটি উজ্জ্বল নক্ষত্ৰ, বৈচিত্ৰ্যময় ব্যক্তিত্বৰ গৰাকী এই মহান শিল্পী জনাৰ সৃষ্টিত সমাহিত হৈছে ভিন্নসূৰী সাহিত্য সংস্কৃতিত ৰামধেনুৰ সমস্ত ৰং।

"এয়ে মোৰ শেষ গান
মোৰ জীৱন-নাটৰ শেষ ৰাগিনী
কল্যাণ খৰমান।"

সংস্কৃতিৰ ৰামধেনুৰ ৰঙেৰে মানৰ মনক ৰঙাই তোলা এই গৰাকী চিৰ নমস্য মহান ব্যক্তিয়ে, শেষ গীতৰ শেষ ৰাগিনীৰে, শেষ বাৰৰ বাবে ভাও দি তেখেতৰ জীৱন নাটৰ যৱনিকা পেলাই ১৯৬০ চনৰ ২০ জুন তাৰিখৰ এটা মৰ্মান্তিক দিনৰ এটা মৰ্মান্তিক মুহূৰ্তত।

এইজনা মহান শিল্পীৰ সৃষ্টিৰ জোনাকৰ উজ্জ্বল পোহৰে বাৰুকৈয়ে চিৰকাল পোহৰাই ৰাখিব অসমীয়া সাহিত্য-কলা-সংস্কৃতিৰ পথাৰখনি।

*লেখিকাৰ ঠিকনা ঃ কামৰূপ (মহানগৰ)*

# কলাগুৰুক জীয়াই ৰাখিব লাগিব



হিমাংশু ৰঞ্জন ভূঞা

কলাগুৰু বিষ্ণু ৰাভাৰ মৃত্যুৰ আজি বহু কাল হল। ৰজা ঘৰে প্ৰজা ঘৰে প্ৰতি বছৰে ২০ জুনৰ নিৰ্দিষ্ট দিনটোত বাৰেৰহনীয়া কৃষ্টিৰ অপূৰ্ব সমাহাৰেৰে উদ্‌যাপিত হয় ৰাভাৰ স্মৰণ উৎসৱ।

কিন্তু ২০ জুনৰ সেই নিৰ্দিষ্ট দিনটো পাৰ হৈ যোৱাৰ পাছত.....? বছৰটোৰ বাবে পাহৰি পেলোৱা হ'ব জনতাৰ শিল্পী কলাগুৰু বিষ্ণু ৰাভাক/ তেন্তে, কি অৰ্থত এইবোৰ জাক জমকতাৰ বৃহৎ আয়োজন? এদিনৰ বাবে মনত পেলালেই শিল্পী জনাক প্ৰকৃত সন্মান জনোৱা হয় নেকি? ৰাভাৰ আভাৰে সমুজ্জল অসমীয়া জাতিয়ে কৰিছোনে ৰাভাৰ চিন্তা, ৰাভাৰ আদৰ্শ, ৰাভাৰ বিপ্লৱী সত্তাৰ আঁহে আঁহে প্ৰবাহিত জনতাৰ মংগলকামী চিন্তা চেতনাৰ উচিত মূল্যায়ন? আন নালাগে সাংস্কৃতিক নগৰী তেজপুৰৰ কলিবাৰীত থকা কলাগুৰুৰ জৰাজীৰ্ণ ঘৰটোৱেই শিল্পীগৰাকীৰ প্ৰতি কৰা আমাৰ অৱহেলাৰ সাক্ষী নহয় নে? কলাগুৰুৰ সমাধি ক্ষেত্ৰ "সমন্বয় ক্ষেত্ৰ"ও লুইতৰ গৰাখহনিয়াৰ কৱলত আজি যাও কালি যাও অৱস্থাত। কিমান দিনলৈ অক্ষত হৈ থাকে সেয়া অনিশ্চিত। বছৰৰ সৰহদিন এৰাপৰলীয়া হৈয়ে থাকে সমন্বয়ক্ষেত্ৰ খন। প্ৰশ্ন হৈছে - কলাগুৰুৰ নামত বছেৰেকৰ এটা দিন বা এটা সপ্তাহ নৃত্য গীত কবিতাৰ প্ৰতিযোগিতা পাতি, সভা সমিতিত সেই একেখিনি কথাকে বছৰৰ পাছত বছৰ গাই বাই থাকিলেই আজীৱন ৰাইজৰ বাবে সৰ্বস্ব ত্যাগ কৰি নিস্বাৰ্থভাৱে সংগ্ৰাম কৰি যোৱা ৰাভাদেৱক আমাৰ পাছৰ প্ৰজন্মলৈ জীয়াই ৰাখিব পাৰিম নে?

প্ৰকৃতাৰ্থত, ৰাভাদেৱৰ গোটেই জীৱন পৰিক্ৰমাত আমি যদি চকু ফুৰাও, দেখা পাম এক বিপ্লৱী সত্তাৰ বহ্নিমান অগ্নিশিখাৰ আভাই সমসাময়িক সমাজখনত আলোকিত কৰি তুলিছিল আৰু সেই আভাই বৃহত্তৰ অসমীয়া জাতীয় জীৱনক কাললৈ সমুজ্বল কৰি থৈ গৈছে। কি নাছিল তেওঁ। সঁচা অৰ্থত এগৰাকী জনতাৰ শিল্পী, মানুহৰ শিল্পী। জনতাৰ অন্তৰৰ আঁহে কোঁহে বিপ্লৱৰ বীজ চতিঁয়াই মানুহৰ জয়গান গোৱা ৰাভাই দেখিছিল এখন সাম্য মৈত্ৰীৰ চন্দ্ৰতাপৰ তলত একত্ৰিত সুবৃহৎ অসমীয়া জাতি গঠনৰ সপোন। এটা কথা থিক যে জনতাৰ পূজাৰী, বিপ্লৱী সত্তা কলাগুৰু বিষ্ণু ৰাভাৰ প্ৰকৃত মূল্যায়ন তেতিয়ালৈকে নহব যেতিয়ালৈকে প্ৰতিগৰাকী অসমীয়া উঠি অহা প্ৰজন্মৰ অন্তৰলৈ ৰাভাৰ মতাদৰ্শ, ৰাভাৰ চিন্তা চেতনাত প্ৰবাহিত দেশপ্ৰেম, জাতিপ্ৰেম, মানুহৰ জয়গানৰ বিপ্লৱ প্ৰবাহিত কৰি নিব নোৱাৰো। আজি নতুন প্ৰজন্মক আমি পিতৃ মাতৃ, সমাজৰ জ্যেষ্ঠজনে কিছুমান দিশৰ জ্ঞান দিয়াত ব্যৰ্থ হৈছো। বিশেষভাৱে জাতিটোক সন্মান আৰু মৰ্যাদাৰ উচ্চশিখৰত আৰোহিত কৰা মহাপুৰুষ সকলৰ জীৱন আৰু চিন্তা আদৰ্শ দৰ্শনক নতুন চামলৈ লৈ যোৱাৰ ক্ষেত্ৰত আমি লাজ লগাকৈয়ে ব্যৰ্থ হৈছো। এটা কথা মনত ৰখা ভাল যে, যেতিয়ালৈকে এটা জাতিৰ প্ৰতিগৰাকী মানুহৰ মনত জাতীয়তাবোধ আৰু স্বাভিমানৰ বীজবোৰ গজি নুঠিব, নিজৰ জাতি, মাটি আৰু মানুহৰ বাবে চিন্তা কৰাৰ প্ৰৱণতা গঢ় লৈ নুঠিব, তেতিয়ালৈকে, কোনো কাৰণতে জাতি এটা উন্নতিৰ জখলাত বগাব নোৱাৰে। অসমীয়া জাতি পিছ পৰি ৰোৱাৰ প্ৰধান কাৰণেই হৈছে আমাৰ জাতীয়তাবোধ আৰু স্বাভিমানৰ অভাৱ। আজি আমি আজি নিজৰ মাতৃভাষাটোতে আমাৰ সন্তানসকলক শিক্ষাগ্ৰহণ কৰিবলৈ দিবলৈ টান পাওঁ। কিদৰে তেওঁলোকৰ মনত জাতীয়তাবোধ, জাতি - মাটি, কৃষ্টি সংস্কৃতিৰ প্ৰতি ভালপোৱাৰ ভাৱ জাগৃত কৰিম? জ্যোতিপ্ৰসাদ - বিষ্ণু ৰাভাই ওৰেটো জীৱন জাতীয়তাবোধ জাতি মাটি কৃষ্টি সংস্কৃতিৰ জয়গানকে গাই গ'ল।

আজি অসমৰ কিমানজন নতুন পুৰুষে জ্যোতি বিষ্ণুক চিনি পাই, পালেও কিমান জনে তেওঁলোকৰ চিন্তা কৰ্ম আদৰ্শৰ কথা জানে, সেয়া এক ডাঙৰ প্ৰশ্ন। কেৱল প্ৰতিযোগিতাত অংশ লবলৈ জ্যোতি সংগীত বিষ্ণু ৰাভা সংগীত শিকালেই নহব, প্ৰতিগৰাকী পিতৃ মাতৃয়ে সৰুৰ পৰাই এইসকল মহা মনীষিৰ জীৱন, তেওঁলোকৰ আদৰ্শৰ কথা সন্তানসকলক জানিবলৈ দিয়াৰ ব্যৱস্থা কৰিব লাগে, কৰা উচিত। এটা কথা প্ৰাসংগিকভাৱে উল্লেখ কৰো, ইংৰাজী মাধ্যমত পঢ়ুৱাই সন্তানক "লাট চাহাব" কৰা এই সকল পিতৃ মাতৃয়ে জনা উচিত যে ডাঙৰ হৈ তেওঁলোকৰ সন্তানে যেতিয়া দেশ বিদেশৰ বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ সাক্ষাৎকাৰ দিবলৈ যাব, অসমৰ পৰা আহিছো বুলি কলে কিন্তু অসমৰ ঐতিহ্য সংস্কৃতি ৰ ওপৰত থকা জ্ঞানৰ পৰীক্ষা ল'ব, অসমীয়া সংস্কৃতিৰ সম্পৰ্কে সুধিব, ভৱিষ্যত জীৱনৰ শৈক্ষিক ক্ষেত্ৰত পৃথিৱীৰ যি ভাষাতে, যতেই নপঢ়ক পদে পদে কিন্তু নিজৰ সাহিত্য সংস্কৃতিৰ কথা, এই মহান মনিষীসকলৰ কথা প্ৰয়োজন হব। গতিকে সৰুৰ পৰা প্ৰস্তুত কৰা ভাল। লগতে যেতিয়া প্ৰকৃতাৰ্থত আমি নতুন পুৰুষ সকললৈ এই মহাজীৱনৰ চানেকি লৈ যাম, তেওঁলোকৰ চিন্তা, আদৰ্শ ৰে অনুপ্ৰাণিত কৰিম, নতুন পুৰুষ সকলে তেওঁলোকৰ সম্পৰ্কত বিশদভাৱে জনাই নহয়, এইসকল মহামনীষিৰ জীৱনৰ চানেকিৰে উদ্বুদ্ধ হৈ দেশৰ বাবে, দহৰ বাবে সেৱা কৰাৰ মানসিকতা এটাও সৰুৰ পৰা গঢ়ি উঠিব।

আজিৰ দিনটোত যদি সৰুখিনিৰ কথা বাদেই দিছো, বৰ্তমান নৱম -দশম বা একাদশ দ্বাদশ শ্ৰেণীত পঢ়ি থকা আমাৰ অসমীয়া ছাত্ৰ-ছাত্ৰীক ৰাভাৰ বৰ্ণাঢ্য সাংস্কৃতিক জীৱন আৰু সংগ্ৰামী সত্তাৰ বিষয়ে কিবা সৰু প্ৰশ্ন এটাও কৰা যায়, কিমানে শুদ্ধ উত্তৰ দিব পাৰিব সেয়া সন্দেহৰ আৱৰ্তত। গতিকে দেখা গৈছে বিষ্ণু প্ৰসাদ ৰাভা ৰ দৰে মহান শিল্পী যি আজীৱন আপোনাৰ মোৰ দৰে সাধাৰণ মানুহখিনিৰ হকে সংগ্ৰাম কৰি কাৰাবাস পৰ্যন্ত খাটি দেশ আৰু জাতিৰ জয়গাণ গাই গ'ল, তেওঁৰ চিন্তা আৰু আদৰ্শ ৰ কথাটো বাদ দিছো, তেওঁৰ জীৱনৰ ন্যূনতম জ্ঞানখিনিও কিন্তু পিছৰ প্ৰজন্মক আমি দিব পৰা নাই।

তেওঁৰ কলিবাৰীত থকা ঘৰখন চৰকাৰী পৃষ্ঠপোষকতাত কিন্তু এটা সংগ্ৰহালয় হিচাপে গঢ়ি তুলি ছাত্ৰ-ছাত্ৰী তথা নতুন পুৰুষসকলে যাতে তালৈ গৈ ৰাভাদেৱৰ জীৱন কৰ্ম চিন্তাৰাজীৰ কিছু হলেও এটা জ্ঞান পাব পাৰে তাৰ ব্যৱস্থা কৰিব পাৰিলেহেতেন। কিন্তু কাৰো সদিচ্ছা হয়তো নাই যাৰ বাবে অতি পুতৌজনক অৱস্থাত জৰাজীৰ্ণ ৰূপত ত্ৰমাৎ ধ্বংসমুখে গতি কৰিছে কলাগুৰুৰ স্মৃতি বিজড়িত এই বিখ্যাত ঘৰটো। আমাৰ অসমত শিল্পী সকলৰ অৱস্থা অতীজৰে পৰাই পুতৌলগা অথচ তেওঁলোকে ব্যক্তিগত সকলো ত্যাগ কৰি কেৱল ৰাইজৰ বাবে, জাতিৰ বাবে সৃষ্টি কৰি যায়, সংগ্ৰাম কৰি যায়। আজি এই মহান শিল্পী, সংগ্ৰামী সত্তা কলাগুৰু বিষ্ণু ৰাভাৰ পবিত্ৰ স্মৃতি দিৱসত অন্তৰৰ শত - সহস্ৰ প্ৰণিপাত জনোৱাৰ লগতে কামনা কৰিছো - কেৱল আজিৰ এই ২০ জুন ৰ দিনটোতেই কিয়, তেওঁৰ জীৱন আৰু কৰ্ম ৰাজীৰ চৰ্চা প্ৰতিনিয়ত হৈ থাকক, ওৰেটো জীৱন জাতি মাটি আৰু মানুহৰ বাবে সংগ্ৰাম কৰি যোৱা এই মহান শিল্পীজনক নতুন চাম পুৰুষৰ কাষলৈ লৈ যোৱাৰ বাবে সকলো তৎপৰ হওক। কলাগুৰু বিষ্ণু ৰাভাদেৱৰ সংগ্ৰামী সত্তা, তেখেতৰ সাংস্কৃতিক বিপ্লৱৰ ধ্যান ধাৰণাৰ প্ৰকৃত মূল্যায়ন হোৱা নিত্যান্ত প্ৰয়োজন। প্ৰতিগৰাকী নতুন প্ৰজন্মক এই মহাজীৱনৰ আভাৰে আলোকিত কৰাৰ সময় সমাগত। ৰাইজে বিচৰা প্ৰকৃত জনতাৰ গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে ৰাইজৰ মাজত সোমাই পৰি নিৰালস্য সাধনাৰে ৰাইজৰ মুক্তিৰ সপোন বাস্তৱায়িত কৰাৰ বাবে জীৱন উছৰ্গা কৰা ৰাভাদেৱক, তেওঁৰ চিন্তা আদৰ্শক স্থায়ীভাৱে জীয়াই ৰাখিবৰ চিন্তা চৰ্চা কৰা অতি প্ৰয়োজনীয় হৈ পৰিছে। এইক্ষেত্ৰত জাতীয় অনুষ্ঠান সমূহৰ লগতে অসমৰ প্ৰতিগৰাকী সচেতন মানুহ আগবাঢ়ি অহা নিত্যান্ত প্ৰয়োজন। কেৱল বছৰৰ এটা দিনত দেখাক দেখি বিষ্ণু ৰাভা দিৱস পাতিলেই দায়িত্ব শেষ নহয়। নতুন প্ৰজন্মই ৰাভাক প্ৰকৃতাৰ্থত চিনি পোৱাৰ বাবে, তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত হোৱাৰ বাবে ই এক ডাঙৰ পদক্ষেপ হ'ব।

*লেখকৰ ঠিকনা -*
*জামুগুৰিহাট, শোণিতপুৰ*
*ম'বাইল - ৯৮৬৪৫৩৯৯৬৬*

# বিষ্ণু প্ৰসাদ ৰাভাৰ ব্যক্তিত্ব আৰু সৃষ্টিৰাজিৰ ওপৰত গৱেষণাৰ প্ৰয়োজনীয়তা



বিমল বৰগোহাঁই

অসমৰ যিসকল গুণী, জ্ঞানী, সাহিত্যিক, সংস্কৃতিৱান, পাণ্ডিত্য সুলভ, প্ৰতিভাৱান, মহাপুৰুষ আৰু নমস্য ব্যক্তিৰ গুণ গৰিমাই অসমখনক গৌৰৱান্বিত কৰিছে, সেইসকলৰ ভিতৰত বিষ্ণু ৰাভাৰ নামটোও এক আছুতীয়া ধৰণে লিপিবদ্ধ হৈ আছে। অৰ্থাৎ অসমৰ ইতিহাসৰ পাত লুটিয়াই চালে বিষ্ণু ৰাভা বোলা অসাধাৰণ ব্যক্তি গৰাকীৰ ব্যক্তিত্বৰ বিষয়ে জানি তেখেতৰ প্ৰতি প্ৰতি নিজে নিজেই আমাৰ মূৰ দো খাই যায়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সময়ৰ গুণী-জ্ঞানী লোকৰ সকলৰ ভিতৰত তেওঁলোক দুয়ো যিদৰে বহু গুণৰ অধিকাৰী আৰু অন্যতম আছিল, ঠিক সেইদৰে তাৰ পাছৰ পৰ্যায়ত জ্যোতিপ্ৰসাদ আগৰৱালা আৰু তেখেতৰ সম সাময়িক বিষ্ণু প্ৰসাদ ৰাভাই অসমীয়া সাহিত্য, কলা, সংস্কৃতিক এক সুকীয়া মৰ্যাদাৰে আগুৱাই নিবলৈ যি প্ৰয়াস কৰিছিল, তাৰেই সাক্ষী তেওঁলোকে আমাৰ অসমীয়া সমাজৰ বাবে এৰি থৈ যোৱা চহকী সাহিত্য- সংস্কৃতিৰ সৃষ্টিশীল কৰ্মবোৰ আৰু উৎকৃষ্ট অৱদান সমূহ। আমাৰ ভূপেন দাই ও বিষ্ণু ৰাভাক লগ পোৱাৰ কথা আৰু তেখেতৰ বিভিন্ন সৃষ্টিসূলভ প্ৰতিভাৰ কথা কৈ গৈছে। ভূপেন দাই বিষ্ণু ৰাভাক মৰমতে "বিষ্ণু ককাইদেউ" বুলি সম্বোধন কৰিছিল আৰু দুয়ো জনৰ মাজত খুব বন্ধুত্ব আছিল। কিন্তু, আমি যদি ভালদৰে অধ্যয়ন কৰি চাওঁ, তেন্তে দেখিবলৈ পাম যে বিষ্ণু ৰাভাৰ ব্যক্তিত্ব আৰু তেখেতৰ কৰ্মবোৰ যেন আনতকৈ কিছু পৃথক আছিল। সেয়েহে, বিষ্ণু ৰাভাৰ জীৱন দৰ্শন, চিন্তাধাৰা আৰু তেওঁ সৃষ্টি কৰি থৈ যোৱা অপূৰ্ব সাহিত্য, সংগীত, সংস্কৃতিৰ জগতখনে যেন সদায় কিছু সুকীয়া বৈশিষ্ট্য বহন কৰি আহিছে। বিষ্ণু ৰাভা একাধাৰে সাহিত্যিক, কবি, গল্পকাৰ, গীতিকাৰ, সুৰকাৰ, গায়ক, চিত্ৰকৰ, বোলছবি নিৰ্মাতা, অভিনেতা, নাট্যকাৰ, সমাজ সেৱক, মানৱ দৰদী, ৰাজনীতিবিদ, মুক্তি যোদ্ধা আদি গুণৰ অধিকাৰী হোৱাৰ লগতে তেখেত এগৰাকী গণশিল্পী আৰু বিপ্লৱী সৈনিক ও আছিল। সৰুৰে পৰাই বিষ্ণু ৰাভাৰ মেধাৱী আৰু তীক্ষ্ণ বুদ্ধিমত্তাৰ পৰিচয় দেখিবলৈ পোৱা গৈছিল। এই মহান শিল্পী গৰাকীৰ জন্ম হৈছিল ১৯০৯ চনৰ ৩১ জানুৱাৰী তাৰিখে, সেই সময়ৰ ভাৰতৰ অধীনস্থ বৰ্তমানৰ ঢাকাত। দেউতাক শ্ৰী গোপাল চন্দ্ৰ ৰাভাই সেই সময়ৰ বৃটিছ সামৰিক বাহিনীত উচ্চ পদস্থ পদত চাকৰি কৰিছিল আৰু সেই সূত্ৰে তেওঁ ব্ৰিটিছ সৈনিক বিদ্যালয়ত অধ্যয়ন কৰাৰ সুযোগ লাভ কৰিছিল। কিন্তু, বিষ্ণু ৰাভাৰ মাত্ৰ প্ৰায় সাত বছৰ বয়স হওঁতেই দেউতাকৰ মৃত্যু হোৱাত তেওঁলোকৰ পৰিয়ালটি অসমৰ তেজপুৰৰ পুৰণি ঘৰ খনলৈ ঘূৰি আহে। তেজপুৰলৈ আহি বিষ্ণু প্ৰসাদ ৰাভাই "তেজপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়"ত পঢ়িবলৈ লয়। তেওঁ পঢ়াত খুব চোকা আৰু তীক্ষ্ণ আছিল। ১৯২৬ চনত এইখন বিদ্যালয়ৰ পৰাই বিষ্ণু ৰাভাই মেট্ৰিক পৰীক্ষাত সেই তেতিয়াৰ দৰং জিলাৰ ভিতৰত প্ৰথম হৈ উত্তীৰ্ণ হয় আৰু এই সাফল্যৰ বাবে বিষ্ণু ৰাভাক ব্ৰিটিছে "কুইন এম্প্ৰেছ" বঁটাৰে সন্মানিত কৰিছিল। এই বঁটা ব্ৰিটিছে আগবঢ়োৱা এটা অতি সন্মানীয় বঁটা আছিল। ইয়াৰ পাছত তেওঁ কলিকতাৰ ST. Paul মিশ্যন কলেজৰ পৰা বিজ্ঞান শাখাত P.U.পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হয় আৰু ইয়াৰ পাছত তেখেতে ফিজি'ত মুখ্য বিষয় হিচাপে লৈ কলিকতাৰ ৰিপন কলেজত স্নাতক বিজ্ঞান শাখাত নামভৰ্তি কৰে। কিন্তু, সেই সময়ত গোটেই ভাৰত বৰ্ষত ব্ৰিটিছৰ শাসনৰ বিৰুদ্ধে স্বাধীনতা আন্দোলন গা কৰি উঠিছিল। বিষ্ণু ৰাভাই ও এই সংগ্ৰামত নিজকে জড়িত কৰি বিভিন্ন শ্লোগান, দেশপ্ৰেমমূলক গীত গাই, বিভিন্ন চৰকাৰী কাৰ্যালয়ত ত্ৰিৰঙ্গা পতাকা উৰুৱাই নিজৰ সংগ্ৰামী সত্তাৰ পৰিচয় দিছিল। সেইহে, তেওঁ পঢ়ি থকা সময়ত পুলিচ আৰু ব্ৰিটিছ চৰকাৰৰ ৰোষত পৰি কলিকতা ত্যাগ কৰিব লগা হৈছিল। যিহেতু স্বাধীনতা সংগ্ৰামীসকলক গ্ৰেপ্তাৰ কৰিবলৈ বিচাৰি ফুৰিছিল। তাৰ পৰা গৈ তেওঁ কোচবিহাৰৰ ভিক্টোৰিয়া কলেজত বি.এ.শাখাত নামভৰ্তি কৰে। এদিন কোচবিহাৰত থাকোঁতে এটা বৰ আচৰিত ঘটনা ঘটিল। কোচবিহাৰৰ এজন ৰজা আৰু এগৰাকী ব্ৰিটিছ বিষয়াই ঘোঁৰাত উঠি চহৰৰ মাজে মাজে গৈছিল। সেই সময়ত এটা নিয়ম আছিল যে কোনোবা ৰজা আৰু ব্ৰিটিছ বিষয়া বাটেদি গলে, সাধাৰণ জনতাই তেওঁলোকক দেখি মূৰ দোৱাব লাগিছিল। কিন্তু, বিষ্ণু ৰাভাই সেইটো নকৰিলে বৰঞ্চ তেওঁ পষ্টাৰ এখন আৰি লিখি থৈ আহিল, "ৰাজ্যে আছে দুইটি পাঠা, একটি কালো একটি চাদা, ৰাজ্যৰ যদি মংগল চাও দুইটি পাঠাই বলি দাও। এই ঘটনাৰ পাছত তেওঁক অতি সোনকালে কোচবিহাৰ ত্যাগ কৰিবলৈ নিৰ্দেশ দিলে আৰু তেওঁ কোচবিহাৰ ত্যাগ কৰি পুনৰ বাংলাদেশৰ ৰংপুৰৰ কাৰ মাইকেল কলেজত নামভৰ্তি কৰে। কিন্তু, তাতো তেওঁ পঢ়া সম্পূৰ্ণ কৰিব নোৱাৰি তেজপুৰৰ ঘৰলৈ ঘূৰি আহিল। মহাত্মা গান্ধীৰ অহিংসাৰ আদৰ্শৰে আকৰ্ষিত হৈ বিষ্ণু ৰাভাই স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিছিল। কিন্তু, সেই সময়ত দুখীয়া আৰু শোষিত মানুহৰ অৱস্থা দেখি, তেওঁ মাৰ্ক্সবাদৰ প্ৰতি আকৰ্ষিত হয় আৰু ১৯৪৬ চনত ৰেভলিউশ্যনাৰী কমিউনিষ্ট পাৰ্টি অফ ইণ্ডিয়া (RCPI)ত যোগদান কৰে। তেওঁৰ স্বাধীনতাৰ ভাবনা কেৱল ব্ৰিটিছ শাসনৰ অন্ত পেলোৱা পৰ্যন্ত সীমাবদ্ধ নাছিল; তেওঁ দুখ-দুৰ্দশা, শোষণ আৰু সামাজিক অন্যায় মুক্ত এখন সমাজৰ স্বপ্ন দেখিছিল। নিস্পেষিত, শোষিত, কৃষক, দলিত সকলৰ বাবে তেওঁৰ অন্তৰে কান্দিছিল। সেয়েহে, তেওঁ বৃহৎ পুঁজিবাদী সকলৰ পৰা কৃষক সকলৰ ভূমি যাতে সুৰক্ষিত হৈ থাকে, তাৰ বাবে সকলোকে একত্ৰিত কৰি বিপ্লৱ গঢ়ি তুলিছিল। তেওঁৰ জনপ্ৰিয় শ্ল'গান আছিল "হাল যাৰ মাটি তাৰ" কৃষক অধিকাৰৰ প্ৰতীক হৈ পৰে। এজন বিপ্লৱী হিচাপে ৰাভাক "সৈনিক-শিল্পী" বুলিও জনা যায়। তেওঁ ঔপনিবেশিক আৰু জমিদাৰী শাসন তথা পুঁজিবাদীৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰামত অংশগ্ৰহণ কৰিছিল আৰু বহু সময় গোপনে জীৱন-যাপন কৰিছিল। ব্যক্তিগত জীৱনত বহু দুখ-কষ্ট ভোগ কৰিও ৰাভাই জনসেৱাত কেতিয়াও পিছপৰা নাছিল। ১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰিলে। তেখেতে কিন্তু সেই স্বাধীনতা মানি লোৱা নাছিল। তেখেতে কৈছিল ব্ৰিটিছে মাথোঁ শাসনভাৰ কংগ্ৰেছ চৰকাৰলৈ হস্তান্তৰহে কৰিলে। ১৯৫০ চনৰ ২৬ আগষ্ট তাৰিখে বিভিন্ন শ্ৰমিক, কৃষকক লৈ টিহুত শোষণ আৰু পুঁজিবাদৰ বিৰুদ্ধে এখন বিৰাট গণ সভা কৰিছিল। তেওঁ তাত শ্লোগান দিছিল, "য় আজাদী ঝুটা হ্যায়।" এই সভাৰ পাছত ব্ৰিটিছ চৰকাৰে তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ পুলিচ বাহিনী লগাই দিয়ে আৰু তেওঁক ধৰিব পৰা জনক ১০, ০০০ টকাৰ পুৰস্কাৰ ও ঘোষণা কৰিলে। ইয়াৰ পাছত তেওঁ পলাই ফুৰিবলৈ বাধ্য হল। সেই সময়ত তেওঁ অসমৰ বিভিন্ন গাঁৱে-ভূঞে লুকাই থাকি মানুহৰ মাজত সভা অনুষ্ঠিত কৰি সকলোকে শোষণ আৰু পুঁজিবাদৰ বিৰুদ্ধে মানুহক একগোট কৰিবলৈ প্ৰচেষ্টা চলাইছিল। তেওঁ এগৰাকী প্ৰকৃত মানৱ দৰদী ব্যক্তি আছিল। পৈতৃক সূত্ৰে পোৱা নিজৰ ২৫০০ বিঘা মাটি ভূমিহীন কৃষকক দান কৰি তেওঁৰ নিঃস্বাৰ্থতাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিছিল। শিল্পী হিচাপে ৰাভাৰ প্ৰতিভা অতুলনীয়। তেওঁৰ "ৰাভা সংগীত", নাটক, কবিতাত দেশপ্ৰেম, মানৱতা আৰু বিপ্লৱৰ সুৰ বাজি উঠিছিল। তেওঁ বিশ্বাস কৰিছিল, জনসেৱাই শিল্পৰ সৰ্বোচ্চ গুণ। আজিও বিষ্ণু প্ৰসাদ ৰাভা কেৱল এজন শিল্পী নহয়, তেওঁ অসমীয়া জাতিৰ প্ৰতিবাদ, দয়া আৰু ন্যায়ৰ চিৰন্তন প্ৰতীক। তেওঁৰ জীৱন সমাজ পৰিৱৰ্তনৰ বাবে শিল্প আৰু আন্দোলনৰ শক্তিৰ এক উজ্জ্বল দৃষ্টান্ত। বিষ্ণু প্ৰসাদ ৰাভাই সাহিত্য চৰ্চা, গীত লিখা, গীত গোৱা, গল্প, প্ৰবন্ধ, কবিতা আদি লিখাৰ উপৰিও খুব সুন্দৰ নৃত্য কৰিছিল। তেখেতৰ ভালেমান, গল্প, নাটক, গীত, কবিতা, প্ৰবন্ধ আদি এতিয়াও আমাৰ। মাজত সমাদৰ লাভ কৰি আছে। এবাৰ তেওঁৰ বহুমুখী প্ৰতিভাৰ কথা গম পাই কাশী বিশ্ববিদ্যালয়লৈ নৃত্য প্ৰদৰ্শন কৰিবলৈ নিমন্ত্ৰণ দিছিল। তাত তেওঁ প্ৰদৰ্শন কৰা তাণ্ডৱ নৃত্য উপভোগ কৰি বিশ্ববিদ্যালয় খনৰ সেইসময়ৰ উপাচাৰ্য ডক্তৰ সৰ্বপল্লী ৰাধাকৃষ্ণণ মুগ্ধ হৈ পৰিছিল আৰু তেওঁক "কলাগুৰু" সন্মানেৰে বিভূষিত কৰিছিল। উল্লেখযোগ্য যে তেওঁ খুব সুন্দৰ চিত্ৰ অংকন কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বৰ্তমান উপলব্ধ ছবিখন বিষ্ণু ৰাভাই অংকন। কৰিছিল। তেখেত এগৰাকী ৰাজনীতিবিদ ও আছিল। ১৯৬৭ চনত তেখেতে তেজপুৰ বিধানসভা সমষ্টিৰ পৰা এম.এল.এ হিচাপে নিৰ্বাচিত হৈছিল। সঁচাকৈ, বিষ্ণু প্ৰসাদ ৰাভা, অসমীয়া সাহিত্য, কলা -সংস্কৃতি, ৰাজনীতি, স্বাধীনতা সংগ্ৰাম আৰু বিপ্লৱী ইতিহাসত এটা উজ্জ্বল নাম। ১৯৬৯ চনৰ ২০ জুনৰ মাজনিশা বিষ্ণু ৰাভাৰ মৃত্যু হয় আৰু তেতিয়াৰ পৰাই তেখেতক স্মৰণ কৰি এই মৃত্যু দিনটো গোটেই অসমে "ৰাভা দিৱস "হিচাপে ডব্‌যাপন কৰি আহিছে। এই দিৱস উদযাপনৰ একমাত্ৰ উদ্দেশ্য হল এই দিনটোৰ জৰিয়তে বিষ্ণু ৰাভাৰ গুণ, গৰিমা, সৃষ্টিশীলতা আৰু তেখেতে আমাৰ সমাজলৈ দি যোৱা অৱদান সমূহৰ বিষয়ে বিশদ আলোচনা কৰি জনসাধাৰণৰ মাজত বিশেষকৈ নৱপ্ৰযন্ম সকলৰ মাজত তেখেতক পৰিচয় কৰাই দিয়া। কিন্তু, মই এই ক্ষেত্ৰত উল্লেখ কৰিব বিচাৰোঁ যে সাগৰৰ গভীৰতাৰ দৰে বিশাল ব্যক্তিত্ব আৰু বহু গুণৰ অধিকাৰী বিষ্ণু ৰাভাৰ বিষয়ে এটা লিখনি অথবা অকল মাত্ৰ এটা দিন "ৰাভা দিৱস" হিচাপে উদযাপন কৰিলেই এই মহান শিল্পী, সংস্কৃতিৰ পূজাৰী আৰু বিপ্লৱী সৈনিক গৰাকীৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা আৰু সন্মান জনোৱা বুলি ভাবিলে আমাৰ ধাৰণা ভুল হব। মই ব্যক্তিগত ভাৱে উপলব্ধি কৰোঁ যে শ্ৰদ্ধাৰ বিষ্ণু ৰাভাই বহু কষ্ট আৰু ত্যাগ কৰি সাংস্কৃতিক, কলা, সাহিত্য, সংগীত আদি সৃষ্টিৰাজীৰ মাজেৰে আমাৰ সমাজলৈ যি অৱদান আৰু বাৰ্তা দি গৈছিল, প্ৰকৃতাৰ্থত আমি সেইখিনি ভালদৰে চৰ্চা কৰিছোঁ কৰিব পাৰিছো নাই সেইটোহে আজিৰ দিনত ডাঙৰ কথা। আজি যদি আমি বিশ্লেষণ কৰি চাওঁ, দেখিম যে তেওঁ চিন্তা কৰা এখন শ্ৰেণী হীন, বৰ্ণহীন সমাজ দেখিবলৈ পাইছোঁ জানো। নিস্পেষিত-শোষিতসকল সদায়েই একেদৰেই আছে। পুঁজিবাদীৰ কবলৰ পৰা কৃষকৰ ভূমি জানো আমি সুৰক্ষিত কৰিব পাৰিছো। এনে অলেখ প্ৰশ্ন আছে, যাৰ কোনো উত্তৰ নাই। গতিকে, এই কথাবোৰ আমাৰ নৱ প্ৰজন্মই জনাটো খুবেই জৰুৰী। সেইহে, মই ভাবোঁ বিষ্ণু ৰাভাৰ বিষয়ে গভীৰ ভাবে জানিবলৈ হলে তেওঁৰ ওপৰত গৱেষণাৰ প্ৰয়োজনীয়তা আছে লগতে তেওঁৰ সৃষ্টিৰাজী সমূহৰ উচিত সংৰক্ষণ হোৱাৰ কামনা কৰোঁ। এই ক্ষেত্ৰত অসমৰ যিকোনো এখন বিশ্ববিদ্যালয়ে যদি কিছু পদক্ষেপ লৈ বিশ্ব ৰাভাৰ বিভিন্ন ৰচনাৱলী, সৃষ্টিৰাজী, তেখেতৰ বিশাল ব্যক্তিত্ব সমূহৰ ওপৰত কিছু গৱেষণা কৰাৰ বাবে এখন দুৱাৰ মুকলি কৰে, তেন্তে নৱ প্ৰজন্মৰ ছাত্ৰ ছাত্ৰীসকল উপকৃত হৈ নিশ্চয়কৈ বিষ্ণু ৰাভাই আমাক দি যোৱা অৱদান সমূহৰ বিষয়ে অধ্যয়ন ও গবেষণা কৰি সেইবোৰ বিষয়ে প্ৰচাৰ আৰু প্ৰসাৰ কৰি বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হব, যাৰ ফলত বিষ্ণু ৰাভাৰ নাম আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাপটত জিলিকি উঠিব, সেইটো খাটাং। প্ৰয়োজন হলে বিষ্ণু ৰাভাৰ জীৱন আৰু কৰ্মৰাজি সমূহৰ ওপৰত এখন সুন্দৰ চিনেমা নিৰ্মাণ কৰি প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা কৰিব পাৰিলে এই মহান শিল্পী জনৰ প্ৰতি প্ৰকৃত সন্মান আৰু শ্ৰদ্ধা জনোৱা হব বুলি মই ব্যক্তিগত ভাৱে অনুভৱ কৰোঁ। আজি বিষ্ণু ৰাভাৰ মৃত্যু দিৱস উপলক্ষে তেখেতক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ আৰু একাজলি শ্ৰদ্ধাঞ্জলি জনালোঁ।



লেখকৰ ঠিকনা ঃ বৰদলৈ নগৰ, তিনিচুকীয়া
ম'বাইল ঃ ৯৪৩৫০৩৫১৭৭

## বিষ্ণু ৰাভা তুমি জানো সাৰে আছা

বিষ্ণু ৰাভা,
তুমি জানো এতিয়া সাৰে আছা?
তুমিটো টোপনি গ'লা,
ওঁনৈছশ ওনসত্তৰ চনৰ বিশ জুনতে যি শুলা
তুমি যে সাৰেই নাপালা!
কৰ্কটৰ হেঁচনিয়ে যে তোমাক
সাৰ পাবলৈয়ে নিদিলে!
সৌ সিদিনা হে তুমি আহিছিলা,
ওনৈছশ ন চনৰ একত্ৰিশ জানুৱাৰীত
বেংগলৰ প্ৰেসিডেন্সিত প্ৰথম চকু মেলি
গোপাল গেথিবালাৰ ঘৰ উজ্জ্বলাইছিলা।
ইমান চুটি ম্যাদৰ জীৱনৰ দস্তাবেজত
প্ৰতিটো পৃষ্ঠাতেই তুমি লিখি গ'লা
কবি, সাহিত্যিকি, নাট্যকাৰ, সংজ্ঞীতজ্ঞ
নৃত্য বিদ, অভিনেতাৰ অসংখ্য বিশেষণ।
তুমি বিপ্লৱী বীৰ অসমৰ,
বিপ্লৱী জননেতা জণগণৰ হৃদয়ৰ।
পিতৃ তুমি,
সোণপাহী, মিচিঁ কনেং উপন্যাসৰ। ।
প্ৰবন্ধত চহকী তুমি
অসমীয়া কৃষ্টিৰ চমু আভাসকে ধৰি
অতীত অসম, মুক্তিৰ দেউলক লৈ। ।
অসমীয়া সাহিত্যৰ ভঁড়াল কৰিলা চহকী
মামীৰ হাৰ, কুৰি বছৰ জেইল, জাল কেছ
হিয়াৰ পুং বড়ো ভাষাৰে ফুংকা আদি গল্পবোৰ
সাঁচি থৈ গৈ। ।
কাশী হিন্দু বিশ্ব বিদ্যালয়ৰ আমন্ত্ৰণত গৈ,
বাৰানসীত তাণ্ডৱ নৃত্যৰে কৰিলা খ্যাতি অৰ্জন
ৰাধাকৃষ্ণনে পিন্ধালে তোমাক,
কলাগুৰু নামৰ শিৰৰভূষণ। ।
তোমাৰ প্ৰেয়সী, প্ৰেমিকা, অংশিদাৰ দাম্প্ৰত্য সঙ্গীনী
প্ৰিয়বালা, কণক লতা,
মোহিনীবালা আৰু নিৰুপমাদেৱী,
তোমাৰ প্ৰেমৰ গজালি
পৃথীৰাজ, হেমৰাজ আৰু মেণ্ডেলা,
পিতৃত্বৰ গৌৰৱেৰে তুমি দিলা চিনাকি। ।
বিপ্লৱী বীৰ তুমি অনেক খ্যাতি আৰ্জিলা,
সপত্নীৰে জেলৰ ভাত খাবলৈও কুণ্ঠাবোধ নকৰিলা!
শিল্পী, সৈনিক, কৰমেড্,
বিপ্লৱী গণশিল্পী তুমি বিষ্ণু ৰাভা,
পূঁজিপতিৰ ভেঁটি কঁপাবলৈ তুমি
আকৌ এবাৰ সাৰ পোৱা!
সুন্দৰৰ পূজাৰী তুমি
সুৰৰ দেউলৰ, ৰূপৰ শিকলি খুলিবলৈ
আমাৰ মাজলৈ আকৌ এবাৰ আঁহা,
পৰ জনমৰ শুভ লগণত শুভ ক্ষণ গণি
অপূৰ্ণ আশাবোৰ পূৰ কৰা। ।
আজিও জিলিকি আছে তোমাৰ নামৰ
তেজপুৰৰ উদ্যান,
সোঁৱৰণী হৈ বাজি আছে
ফেৰেংগাদাওৰ চিফুং বাঁহীৰ কল্যাণ খৰমাণ্। ।

✍দীপ্তি মণি গোস্বামী
কবিৰ ঠিকনা ঃ লালুক, লখিমপুৰ

# বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনাদৰ্শ

সুভাষ বৰ্মন

নতুন, সুন্দৰ, শক্তিশালী আৰু সমৃদ্ধিশালী অসমৰ সপোন দেখা অসমীয়াসকলৰ মাজত বিষ্ণুপ্ৰসাদ ৰাভা এটা ব্যতিক্ৰমী নাম। জাতিৰ জাগৰণ, সমাজৰ পৰিবৰ্তন আৰু কৃষ্টি-সংস্কৃতিৰ সংৰক্ষণৰ বাবে তেওঁৰ অবদান অমূল্য। অসমৰ ইতিহাসত এনে বিৰল ব্যক্তিত্বৰ সংখ্যা অতি সীমিত, যি একাধাৰে বিপ্লৱী, সমাজসেৱী, শিল্পী, চিন্তাবিদ আৰু সাহিত্যিক হিচাপে জনতাৰ হৃদয়ত প্ৰাণবন্তৰূপত খোদিত হৈ আছে। কলাৰ পূজাৰী হিচাপে পৰিচিত ৰাভা অসমৰ সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনক সমানভাৱে অলংকৃত কৰি গৈছে। অসমক আৰু অসমীয়া জাতিক আত্মবিশ্বাসেৰে আগবঢ়োৱাৰ সংকল্প লৈ ৰাভাই কৈছিল—

"অসম মৰিমূৰ হ'লে অসমীয়াও মৰিব।"

এই বাক্যই তেওঁৰ চেতনা, আদৰ্শ আৰু সমাজৰ প্ৰতি দায়বদ্ধতাৰ গভীৰতা প্ৰকাশ কৰিছে। তেওঁ বিশ্বাস কৰিছিল — যদি অসমীয়া জাতিয়ে নিজৰ ভাষা, সংস্কৃতি আৰু অস্তিত্ব সংৰক্ষণ কৰিব নোৱাৰে, তেন্তে জাতিটোৰ অস্তিত্বই সংকটগ্ৰস্ত হৈ পৰিব।

ৰাভাৰ দৃষ্টিত সমাজৰ শ্ৰমিক শ্ৰেণী — কৃষক, বনুৱা, সৈনিক সকলেই আছিল সমাজৰ আচল চালিকা শক্তি। তেওঁ বিচাৰিছিল এই জনগোষ্ঠীৰ শ্ৰমক সন্মান দিয়াটো। সঠিক অধিকাৰ পালেহে এখন ন্যায়সংগত সমাজ নিৰ্মিত হয় বুলি তেওঁ বিশ্বাস কৰিছিল। সেই দৃষ্টিভংগীৰে তেওঁ লিখিছিল-

"কাৰখানাৰে চিটিৰ হুমুনিয়া... কান্দে দুখীয়া বনুৱা"

এই কবিতাংশৰ মাধ্যমেৰে দুখীয়া বনুৱা, খালী ঘৰ, অভাৱ-অনটনৰ চিত্ৰ প্ৰতিবিম্বিত হৈছে, যি আজিও বহু পৰিয়ালৰ কঠোৰ বাস্তৱতা। তেওঁ বৈপ্লৱিক চেতনাৰ গীতৰে জনতাক জাগ্ৰত কৰিছিল —

"জাগ্ জাগ্ জাগ্ জাগ্
মজদুৰ ন-জোৱান..."

এই আহ্বানৰ মাজত আছিল সংগ্ৰামৰ, আত্মমৰ্যাদাৰ আৰু এক নতুন সমাজ গঠনৰ স্বপ্ন।

বিষ্ণুপ্ৰসাদ ৰাভাৰ সমাজ পৰিৱৰ্তনৰ দৃষ্টিভংগী কেৱল সাহিত্য বা সংগীততেই সীমাবদ্ধ নাছিল। তেওঁ বিশ্বাস কৰিছিল — "ৰাইজে ৰজা মোৰ, প্ৰজায়েই ৰজা মোৰ", অৰ্থাৎ গণতান্ত্ৰিক মূল্যবোধত আস্থা ৰাখি সমাজ গঠন কৰিলে দেশৰ দীঘলীয়া স্থায়িত্বৰ ভেটি স্থাপন হয়। তেওঁৰ চিত্ৰকলা, সংগীত, অভিনয়, নাট্য, ভাষণ—সকলোত অনুভূত হয় এটি লক্ষ্য : অসমীয়াক আত্মচেতনাৰে উজ্জ্বল কৰি তোলাৰ একান্ত প্ৰচেষ্টা। বিষ্ণুপ্ৰসাদ ৰাভাই কলা আৰু বিপ্লৱৰ এক অভিন্ন মূৰ্তি গঠন কৰিছিল, যি যুগে যুগে অনুপ্ৰেৰণা উৎস।

আপেক্ষিকভাৱে চমু জীৱনকালত এইগৰাকী মহৎ ব্যক্তিয়ে যি গভীৰ চিন্তা আৰু বিপ্লৱী আদৰ্শৰে অসমীয়া সমাজক অণুপ্ৰাণিত কৰিলে, তাৰ প্ৰতিফলন আজিও সাহিত্য, সংস্কৃতি, ৰাজনীতি আৰু সমাজচেতনাৰ বিভিন্ন ক্ষেত্ৰত দেখা যায়। কলা, সমাজসেৱা আৰু জাতিগত জাগৰণৰ মিলিত ৰূপ আছিল বিষ্ণুপ্ৰসাদ ৰাভা। সেয়েহে, তেওঁক প্ৰদান কৰা অভিধা 'কলাগুৰু' কেৱল সন্মানেই নহয়, ই এটি জাতিৰ গৌৰৱৰ প্ৰতীকো হৈ পৰিছে। তেওঁলৈ গভীৰ শ্ৰদ্ধাৰ্ঘ্য জ্ঞাপন কৰিলোঁ।

*ঠিকনা ঃ ঘগ্ৰাপাৰ, নলবাৰী*
*ম'বাইল ঃ ৯৮৫৪৪০৯৯০২*

## বিষ্ণু ৰাভা

✍ ৰঞ্জন শইকীয়া

হে মহান শিল্পী
কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা,
তোমাৰ সৃষ্টিৰে অসমীয়া কৃষ্টিক
কৰিলা মহিয়ান।
যি আজিও বোৱতী নৈৰ দৰে
চিৰ প্ৰৱাহিত হৈ আছে।
তোমাৰ আভাৱে অসমীয়া জাতিৰ
সত্বাক দিলা নৱতম ৰূপ।
তুমি নাছিলা কি।
তুমি আছিলা কবি, সাহিত্যিক,
নাট্যকাৰ, সংগীতজ্ঞ, নৃত্যবিদ, চিত্ৰকৰ,
অভিনেতা আৰু মুক্তি যুঁজাৰু।
তোমাৰ ৰণশিঙা বাজি উঠিছিল
স্ৰজন, শোষণ, তোষণৰ বিৰুদ্ধে।
শ্ৰমিক, বনুৱা সকলৰ উপৰিও
সামাজিক ভাৱে নিষ্পেষিত
জনৰ বাবে কৰিছিলা অক্লান্ত সংগ্ৰাম।
বিপ্লৱী সত্বাৰ ধ্বজা উৰুৱাই
তুমি গাইছিলা মানৱতাৰ গান।
তোমাৰ অভিনয়ৰে প্ৰাণ পাই উঠিছিল
তেজপুৰৰ বাণ ৰঙ্গমঞ্চ।
তোমাৰ পৰশত জয়মতী,
এৰাবাটৰ সুৰ, ছিৰাজ, প্ৰতিধ্বনি আদি
কথাছবি ঠন ধৰি উঠিছিল।
তোমাৰ কালজয়ী গীত
পৰজনমত শুভ লগনত,
লগন উকলি গ'ল,
টিলাই টিলাই আদি গীতৰ
সুৰৰ ঝংকাৰত আপ্লুত
আমি অসমীয়া জাতি।
শংকৰী কলা কৃষ্টিৰ
বিকাশ সাধন কৰাৰ উপৰিও
তুমি মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ
অনুপম চিত্ৰ অংকন কৰিলা।
অসমীয়া সংস্কৃতিৰ বহল পথাৰ
খনিত তুমি দীপ্ত মান হৈ ৰ'বা
সদায় এটি উজ্জ্বল নক্ষত্ৰ হৈ...

*কবিৰ ঠিকনা ঃ তেজপুৰ*
*ম'বাইল ঃ ৭৫৭৮৮৮৮২৭৮*



## কলাগুৰু বিষ্ণু ৰাভা

✍ *হিমালী কলিতা*

সেইদিনা আছিল
১৯০৯ চনৰ ৩১ জানুৱাৰী
সুৰৰে দেউলৰে সোণোৱালি
দুৱাৰ খুলি,
কলাগুৰু আহিল
আই অসমীৰ ধৰালৈ বুলি।
গীত, মাত, নৃত্য, কবিতা
অভিনয়, চিত্ৰকলাৰে
উজলি উঠিছিল বিষ্ণু ৰাভা
নিজা প্ৰতিভাৰে।
সংগ্ৰামী শিল্পীসত্তা
সম্প্ৰতিৰ সুৰ সিঁচি
পাহাৰ ভৈয়াম একাকাৰ কৰি
ৰচিলে মৰম আৰু
সংস্কৃতীৰ এনাজৰী।
অসমীয়া সংকৃতিৰ পূজাৰী
অসমীয়া জাতিৰ ত্ৰাণকৰ্তা

সৃষ্টিশীল খনিকৰ
বিষ্ণুপ্ৰসাদ ৰাভা।
হে সুন্দৰৰ পূজাৰী
আজি মন্দিৰৰ দুৱাৰ খোলা,
পৰজনমৰ শুভ লগনত
হবনে পুনৰ দেখা?
আহিবানে পুনৰ
হিংসাজৰ্জৰ পৃথিৱীখনলৈ,
তোমাৰ কবিতাৰ ছন্দেৰে
স্পন্দন সুৰ জগাবলৈ।
'কলাগুৰু' ৰূপে
কলাৰ সাধনা কৰিবলৈ
মানুহৰ মনৰ শিল্পীসত্তাক
পুনৰ উজ্জিবিত কৰিবলৈ।
আহিবানে পুনৰ
হে মহান শিল্পী
এয়ে মোৰ শেষ গান
বুলি গাই
জীৱন নাটৰ
যৱনিকা পেলাবলৈ?

*কবিৰ ঠিকনা ঃ আজাৰা গুৱাহাটী*
*ম'বাইল ঃ ৯৩৬৫৬৬৯০৭০*

# বিষ্ণু প্ৰসাদ ৰাভাৰ গীত আৰু কাব্যত বামপন্থী চিন্তাৰ প্ৰকাশ

মোৰ কবিতাৰ ছন্দ লাগি
স্পন্দন তোৰ জাগেনে;
কথা মালিকাৰ গন্ধ লাগি,
সোণৰ সপোন ভাগেনে।
নাচে তৰা ছন্দে ছন্দে,
বিশ্ব ভৰা মহানন্দে;
সেই উলাহত হৰষ লাগি,
হিয়াত নাচোন উঠেনে।
ৰন্ধ্ৰে ৰন্ধ্ৰে তুলি সুৰ,
বাজে মন বাঁহী মোৰ;
সেই সুৰতেই শাঁত কৰি লৈ,
পৰিবনে হিয়া জুৰ।
- বিষ্ণু প্ৰসাদ ৰাভা



আয়শা ছিদ্দিকা

অসমীয়া সাহিত্য সংস্কৃতিৰ উন্নতিৰ হকে যি কেইজন বৰেণ্য ব্যক্তিয়ে তেওঁলোকৰ অহোপুৰুষাৰ্থৰে অৱদান ৰাখি থৈ গৈছে সেইসকলৰ ভিতৰত বিষ্ণু প্ৰসাদ ৰাভাৰ নাম সোণালী আখৰেৰে চিৰদিনৰ বাবে প্ৰতিজন অসমীয়াৰ হৃদয়ত চিৰস্মৰণীয় হৈ ৰ'ব। কাৰণ তেওঁ আছিল অসমীয়া জাতীয় সংস্কৃতিৰ ত্ৰাণকৰ্তা স্বৰূপ আৰু অসমীয়া সংস্কৃতিৰ পূজাৰী।

এইজনা মহান মনীষীৰ জন্ম হৈছিল১৯০৯ চনৰ ৩১ জানুৱাৰীত বেঙ্গল প্ৰেসিডেন্সি (এতিয়াৰ বাংলাদেশ)ৰ ঢাকাত। তেওঁৰ পিতৃৰ নাম আছিল গোপাল চন্দ্ৰ ৰাভা আৰু মাতৃৰ নাম গেথীবালা ৰাভা। জন্মসূত্ৰে গোপাল চন্দ্ৰ মুছাহাৰী বড়ো জনগোষ্ঠীৰ হ'লেও তেখেত এটা ৰাভা পৰিয়ালত ডাঙৰ হৈছিল। পাছলৈ তেখেতে সেয়ে 'ৰাভা' উপাধি গ্ৰহণ কৰে।

সৰুৰে পৰাই তেওঁ আছিল প্ৰতিভাসম্পন্ন। ১৯১৭ চনত ঢাকা নগৰীত এখন 'উৰ্দু' নাটকত এটা সৰু দহ বছৰীয়া ৰাজকোঁৱৰৰ ভাৱত অভিনয় কৰি অভিনয় জগতৰ পাতনি মেলাৰ লগতে সামাজিক জীৱন যাত্ৰা আৰম্ভ কৰিছিল। এই সামাজিক জীৱন আৰম্ভ হোৱাৰ পিছত ৰাভাৰ জীৱন যাত্ৰাই নতুন এটা দিশ পাইছিল আগবাঢ়ি যাবলৈ। ৰাভাই নিজৰ জীৱনটো সমাজৰ প্ৰতিটো কামতেই উৎসৰ্গা কৰিছিল সাহিত্য সংস্কৃতিৰ মাজেৰে। তেওঁ কবিতা, গল্প, উপন্যাস ৰচনা কৰাৰ উপৰিও সংগীত আৰু কলাৰ সাধক আছিল।

অসমীয়া সাহিত্য, সংস্কৃতি আৰু সমাজ জীৱনত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ অৱদান অম্লান আৰু অমোচনীয়। যদিও তেওঁক প্ৰায়েই সংগীত, নাট্য, আৰু ৰাজনৈতিক জগতৰ লগত জড়িত বুলি কোৱা হয়, তথাপি সাহিত্য ক্ষেত্ৰত তেওঁৰ অৱদান গভীৰ, বিপ্লৱী আৰু যুগান্তকাৰী। ৰাভাৰ সাহিত্য সাধনা মূলতঃ সমাজবাদী চিন্তা, শোষণ-বিৰোধী দৃষ্টিভংগী আৰু জনগণৰ আত্মসচেতনতা বৃদ্ধিত কেন্দ্ৰভূত আছিল।

বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্য সাধনাৰ কেন্দ্ৰস্থলে আছিল সমাজৰ নিপীড়িত, বঞ্চিত, আৰু উপেক্ষিত জনসাধাৰণৰ বাস্তৱ চিত্ৰ। তেওঁৰ সাহিত্যৰ প্ৰত্যেক শ্ৰেণীত নাটক, প্ৰবন্ধ, বা গীত শোষণ, বৈষম্য, আৰু বিদ্ৰোহৰ এক উচ্চাৰিত স্বৰ শুনিবলৈ পোৱা যায়। ৰাভাৰ মতে - সাহিত্য কেৱল সৌন্দৰ্যৰ সৃষ্টি নহয়; ই হ'ল এক সমাজ পৰিবৰ্তনৰ হাতিয়াৰ। তেওঁৰ ৰচনাত আছিল বাস্তৱতাৰ টানটান চিত্ৰ, আৰু এজন বিপ্লৱীৰ উদ্দীপ্ত মনোভাৱ। বিষ্ণুপ্ৰসাদ ৰাভা অসমীয়া নাট্য সাহিত্যক আধুনিক সমাজবাদী দৃষ্টিভংগীৰে অলংকৃত কৰিছিল।

তেওঁৰ নাটকসমূহ কেৱল নাট্যমঞ্চৰ আৰ্হি নহয়, সেইবোৰ আছিল এজন শিল্পীৰ সমাজক লৈ চিন্তা কৰাৰ অভিব্যক্তি। বিষ্ণুপ্ৰসাদ ৰাভা অসমীয়া নাট্য সাহিত্যক আধুনিক সমাজবাদী দৃষ্টিভংগীৰে অলংকৃত কৰিছিল বুলি কোৱা হয়। তেওঁৰ নাটকসমূহ কেৱল নাট্যমঞ্চৰ আৰ্হি নহয়, সেইবোৰ আছিল এজন শিল্পীৰ সমাজক লৈ চিন্তা কৰাৰ অভিব্যক্তি।

ৰাভাৰ ৰচিত গীতসমূহৰ কাব্যিকতা, সংগীত আৰু বিপ্লৱী চেতনাৰ এক অনুপম মিশ্ৰণ। ৰাভাৰ মতে সংগীত হৈছে আত্মাৰ ভাষা, আৰু তেওঁ সাহিত্যিক ৰূপত সংগীতৰ মাধ্যমে মানুহৰ অন্তৰৰ আৱেগৰ প্ৰতিফলন ঘটাব বিচাৰিছিল। ৰাভাই অসমীয়া ভাষাক জাতিৰ আত্মাৰূপে গণ্য কৰিছিল। তেওঁ সাহিত্যৰ মাধ্যমে ভাষা, জাতীয়তা আৰু সাংস্কৃতিক স্বাৰ্থৰ সংহতি ঘটাইছিল বুলি কোৱা হয়।

তেওঁ সাহিত্যক জাতীয় জীৱনৰ এক দিশ নিৰ্দেশক হিচাপে বিবেচনা কৰিছিল। তেওঁৰ মতে - "সাহিত্যৰ উদ্দেশ্য হ'ল মানুহৰ ভিতৰত লুকাই থকা শক্তিক জগাই তোলা।" এই দৃষ্টিভংগীয়েই তেওঁক এক জাতীয় সাহিত্যিক চিন্তাবিদ হিচাপে পৰিগণিত কৰে বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্য সাধনা আছিল - চিন্তাৰ জ্যোতি, সমাজৰ প্ৰতিচ্ছবি আৰু বিপ্লৱৰ মুখপাত্ৰ।

তেওঁ সাহিত্যক জ্ঞানৰ আলো নহয়, সমাজৰ আয়নাৰূপে গঢ়ি তুলিছিল। নাটক, প্ৰবন্ধ, গীত- প্ৰত্যেক মাধ্যমত তেওঁ মনুষ্যত্বৰ হাহাকাৰ, মুক্তিৰ উদ্দীপনা আৰু আশা-স্বপ্নৰ ৰংৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছিল। তেওঁৰ সাহিত্যক হৃদয় দি অনুভৱ কৰিব লাগিব কাৰণ সেই সাহিত্য শব্দতহে সীমাবদ্ধ নহয়; ই আত্মাৰ ভাষা।

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্য সাধনা হৈছে অসমীয়া জাতিৰ বাবে এক অনন্ত প্ৰেৰণা, যিয়ে সময়ৰ দিয়া-নিদিয়া পাৰ কৰি যুগে যুগে নতুন সমাজ, নতুন চিন্তা আৰু নতুন মানৱতাৰ বীজ বোৱাই যাব। জীৱনৰ শেষৰ ফালে ৰাভাদেৱে তেওঁৰ মৃত্যুৰ কথা অনুভৱ কৰিয়েই হয়তো লিখিছিল 'এয়ে মোৰ শেষ গান, মোৰ জীৱন-নাটৰ শেষ ৰাগিনী, কল্যাণ খৰমান'।

সেয়াই যেন শেষ গান আছিল তেওঁৰ বাবে। পাকস্থলীত হোৱা কৰ্কট ৰোগত ভুগি এইজনা অসমীয়া সংস্কৃতিৰ সাধক, অসমীয়া সংস্কৃতিৰ পূজাৰী ৰভাদেৱে ১৯৬৯ চনৰ ২০ জুন তাৰিখে তেজপুৰত ইহলীলা সম্বৰণ কৰে।

তেখেতেৰ মৃত্যুদিনটোৰ প্ৰতি সন্মান জনাই অসমবাসী ৰাইজে 'ৰাভা দিৱস' হিচাপে পালন কৰি আহিছে আৰু ভৱিষ্যতেও কৰি গৈ থাকিব। আমি ভাৱো কেৱল 'ৰাভা দিৱস' পালন কৰিলেই নহ'ব বিষ্ণু ৰাভাক জীয়াই ৰাখিবলৈ হ'লে তেওঁৰ সৃষ্টিৰাজি জীয়াই ৰাখিব লাগিব তেওঁৰ সৃষ্টিৰাজি বহুলভাৱে প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থাও হাতত ল'ব লাগিব তেতিয়া হয়তো ৰাভাদেৱৰ সকলো কলা কৃষ্টি আমাৰ মাজত জীয়াই থাকিব।

*ঠিকনা ঃ বাংলিপাৰা, বৰপেটা*
*ম'বাইল ঃ ৯৩৬৫৬৮১৯৬৮*

## কেনে আছা বিষ্ণু ৰাভা

কেনে আছা বিষ্ণু ৰাভা?
এতিয়াও সাৰে আছানে তুমি ...
নিঠৰ হৈ শুই আছা শ্মশানত
নে অদৃশ্য জাগ্ৰত প্ৰহৰী হৈ উঠি আহিছা।
তোমাৰ দেশৰ মানুহক বিদ্ৰোহী বিপ্লৱী
সত্তাৰে উদ্বুদ্ধ কৰিবলৈ -
জগাইছা জাতিক জাতি সত্তাৰ সংকটত
সজাগ কৰিছা হালোৱা, হজুৱা, কৃষক,
বনুৱা, খাতিখোৱা জনতাক।
তোমাৰ বিপ্লৱে ভাঙিব পাৰে অভিশপ্ত দুৰ্গ
বোৱাই আনিব পাৰে প্ৰেম মন্দাকিনী
সৰগৰ পৰা ধৰাৰ বুকুলৈ -
সাজিব পাৰা দুৰ্ভেদ্য দুৰ্গ
শতজন বিপ্লৱীৰ দেহহীন বিপ্লৱী সত্তাৰ।
আদিম শিলত খোদিত হৈ আছে
আজিও তোমাৰ ৰক্তবীজ,
ভ্ৰষ্টাচাৰী শাসকৰ স্বৰ্গপুৰীত
অসহায় অবলাৰ চিৎকাৰ।
কেনে আছা বিষ্ণু ৰাভা -?
এতিয়াও তুমি সাৰে আছানে শ্মশানত ...।

✍ বলিন বৰদলৈ
কবিৰ ঠিকনা ঃ আলামি, গোলাঘাট
ম'বাইল ঃ ৯৪০১৮৭৬৭২৮

# কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতি সাহিত্য ঃ এক আলোকপাত

পূৰ্ণ কৰাৰ বাবে সাহিত্যই কাম কৰে। মানৱজাতিৰ বিশেষকৈ অসমীয়া জাতিৰ চিৰন্তন সম্পদৰূপে আবৃত হোৱা গীতি সাহিত্যসমূহৰ ভিতৰত শ্ৰদ্ধেয় কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ গীতি সাহিত্যখিনিও অন্যতম। মহৎ সাহিত্যৰ এটা অন্যতম লক্ষ্য হ'ল সৃজনীশক্তিৰ প্ৰকাশৰ মাধ্যমেৰে ছন্দিত, স্পন্দিত চিন্তাৰে সমাজৰ সমসাময়িক প্ৰয়োজনৰ লগতে মানসিক প্ৰয়োজন পূৰণ কৰা। কলাগুৰু ৰাভাদেৱৰ গীতে অসমীয়াৰ অন্তৰৰ বিশুদ্ধ ভাৱধাৰাকে প্ৰতিনিধিত্ব কৰিছিল। সাহিত্যৰ ইতিহাসত যদি আমি মন কৰোঁ মহৎ সাহিত্যিকসকলে দুইধৰণৰ এক সাহিত্য ৰচনাত মূলতঃ গুৰুত্ব দিয়ে। প্ৰথম ধৰণত তেওঁলোকে গুৰুত্ব দিয়ে অগ্নি-স্ফুলিংগস্বৰূপ প্ৰতিবাদী কণ্ঠৰে দেশপ্ৰেমৰ প্ৰৌজ্জ্বল চানেকি বহন কৰাত; আনহাতেদি অন্য এবিধ লেখাৰ জৰিয়তে তেওঁলোকে মানস সমাজৰ আধ্যাত্মিক চিন্তা আৰু মানৱ প্ৰাণৰ সৌন্দৰ্য্যতৃষ্ণাক প্ৰতিনিধিত্ব কৰে। সৃজনীশীল লিখকসকলে সমাজৰ দেহ-মন উভয়েৰে দাবী পূৰণ কৰিছিল। জন মিল্টনে পেৰাডাইজ্ লষ্ট্ লিখিছিল, লগতে বাক্ স্বাধীনতা উন্নত কৰাৰ সপক্ষে প্ৰচাৰ-পুস্তিকাও লিখিছিল। মহাকবি ডাণ্টেই যদিও 'ডিভাইন কমেদি' লিখিছিল, যুদ্ধক্ষেত্ৰলৈ যাবলৈ তেওঁ কুণ্ঠাবোধ কৰা নাছিল। ৰবীন্দ্ৰনাথেও অনুপম কাব্য 'গীতাঞ্জলি'ৰ সৃষ্টি কৰিছিল যদিও দেশৰ স্বাধীনতা সংগ্ৰামৰ সময়ত জালিৱানৱালাবাগৰ ঘটনাৰ বিপক্ষে ক্ৰোধদীপ্ত প্ৰতিবাদ সাব্যস্ত কৰিছিল। অম্বিকাগিৰী ৰায়চৌধুৰী আৰু জ্যোতিপ্ৰসাদ আগৰৱালায়ো মানৱাত্মাৰ বাবে সুকোমল ফুলৰ দৰে শব্দ ব্যৱহাৰ কৰি গীত-কাব্য লিখিছিল যদিও পৰ-পদানত পৰাধীন জাতি এটাৰ মুক্তিকামী চিন্তাক প্ৰখৰ কৰিবলৈ অগ্নিসদৃশ গীতৰ ৰচনা কৰিছিল। কলাগুৰু বিষ্ণুৰাভাও এইক্ষেত্ৰত ব্যতিক্ৰম নহয়।

পৰ-পদানত পৰাধীন জাতি এটাৰ সামগ্ৰিক দেশপ্ৰেম আৰু বিশুদ্ধ জাতীয়তাবাদৰ উত্থানৰ ক্ষেত্ৰত ৰাভাদেৱৰ গীতি-সাহিত্যও অন্যতম। অগ্নিৰ স্ফুলিংগৰ দৰে শব্দৰ ব্যৱহাৰে আগ্ৰাসী ইংৰাজৰ বিৰুদ্ধে অসমীয়া জাতিক প্ৰেৰণা প্ৰদান কৰি তেওঁ লিখিছিল গীত। জাতিৰ পৰাণত নিদ্ৰিত হৈ থকা জাতীয় চেতনাৰ ভাৱাৱেগে আলোড়িত কৰিব পাৰিছিল কলাগুৰুক। ইংৰাজৰ হাতৰ দাসত্বৰ বান্ধ ছিঙি পৰাধীনতাৰ মহাগৰ্ভ ফালি স্বতন্ত্ৰতাৰ নীলিম আকাশ স্ৰজিবলৈ অসমবাসীক তেওঁ আহ্বান জনাইছিল। তেওঁ জানিছিল মাতৃপূজাৰ বেদীত বলি দি দেশমাতৃক আগত ৰাখিবলৈ একমাত্ৰ নৱপ্ৰজন্মৰ ওপৰত ভৰসা কৰিব পাৰি। তাৰ বাবে নৱপ্ৰজন্মৰ বাবে বজ্ৰনিনাদ দিছিল এইদৰে-

"ভাঙ্ ভাঙ্ ভাঙ্ ভাঙ্
লোহাৰ শিকলি ভাঙ,
ছিঙ ছিঙ ছিঙ ছিঙ
দাসৰ বান্ধোন ছিঙ।
খোল খোল খোল খোল
কাৰাৰ 'ফাটেক' খোল।"

নাইবা তেওঁ লিখিছিল এইদৰে-

"অ' অসমীয়া ডেকা দল
আজি তোৰ তেজাল বদন
মলিন কিয় হ'ল?"

শাসন কৰাৰ চলেৰে শোষণৰ প্ৰয়াস কৰা নিষ্ঠুৰ আৰু আগ্ৰাসী প্ৰশাসনযন্ত্ৰৰ অবাধ কপটতাক ওফৰাই পেলাবলৈ ৰাভাৰ মগজুত ক্ৰিয়া কৰিছিল সাম্যবাদী চিন্তাই। অৰ্থাৎ কৃষক, বনুৱা তথা সমাজৰ শোষিত শ্ৰেণীয়ে শোষক শ্ৰেণীৰ বিৰুদ্ধে প্ৰতিবাদত গৰজি নিজৰ প্ৰাপ্য আদায় কৰাটো কলাগুৰু ৰাভাদেৱে মনে-প্ৰাণে বিচাৰিছিল। সেইবাবে তেওঁ লিখিছিল-

"ব'ল ব'ল ব'ল ব'ল
কৃষক শক্তি দল,
অ' বনুৱা সমনীয়া
আগবাঢ়ি যাওঁ ব'ল।"

আকৌ তেওঁ আমাৰ সুৰীয়া সংস্কৃতিটোৰ প্ৰতি দৃষ্টি দি তাৰ আদৰ্শৰেও যুৱ প্ৰজন্মক প্ৰেৰণা দিবলৈ বিচাৰিছিল-

"কীৰ্তন, দশম নামঘোষা
হওক আমাৰ শৌৰ্য,
নাট গীত নাম বৰগীত
হওক বনৰ তুৰ্য।
আৰ্হি তেওঁৰ এই অসমৰ
হওক অসীম বীৰ্য।"

ৰাজনৈতিক, সামাজিক সংগ্ৰামী আৰু বিপ্লৱী সত্তাৰ গৰাকী হ'লেও কলাগুৰুৰ জীৱনত সুন্দৰৰ উপাসনাই এক অনুপম প্ৰভাৱ পেলাইছে। বিষ্ণুৰাভাই মৰ্মে মৰ্মে অন্তঃকৰণেৰে উপলব্ধি কৰিছিল যে চিৰসুন্দৰৰ আৰাধনা অবিহনে সাৰ্থকতা অসম্ভৱ। সৃজন পালনেৰে জগত-সুন্দৰ কৰাৰ যজ্ঞত অংশ ল'বলৈ চিৰসুন্দৰৰ আৰাধনা আৱশ্যক। সেইবাবে তেওঁ লিখিছিল-

"সুৰৰে দেউলৰে
ৰূপৰে শিকলি ভাঙি দিলি খুলি
দুৱাৰ সোণোৱালী
পূজাৰী অ'..."

নাৰী আৰু পুৰুষৰ প্ৰেম চিৰন্তন প্ৰক্ৰিয়া। ৰাভাদেৱৰ জীৱনতো প্ৰেমৰ উমাল পৰশে আবৃত কৰি ৰাখিছিল। যিজন কলাগুৰুৱে অগ্নিৰ দৰে উত্তাপ থকা শব্দৰ ব্যৱহাৰেৰে শোষকৰ বিৰুদ্ধে মাত মাতিছিল তেৱেঁই প্ৰেমৰ চিন্তাৰে তৰি দিছিল সুকোমল শব্দৰ চন্দ্ৰাতপ। প্ৰেয়সীৰ কায়িক আৰু মানসিক ৰূপধ্যান কৰি অলেখ কোমল ৰোমাণ্টিক গীতৰ ৰচনাৰে হিয়া শাঁত পেলাইছিল এই সংগ্ৰামী মানুহজনে। তাৰেই উদাহৰণ-

"নাহৰ ফুলে নুশুৱায়
তগৰ ফুলে শুৱাব,
তগৰ ফুলে নুশুৱায়
কপৌ ফুলে শুৱাব।
কপৌ ফুলে নুশুৱায়
যদি ঘিলা খোপাতে মোৰ,
হিয়া ফুলে পাৰি দিম
গুজি খোপাতে মনোহৰ।"

অথবা তেওঁ লিখিছিল-

"মেঘৰ বুকু ফালি আনিম বিজুলী চাকি
খোপাত গুজিবানে?
কুঁৱলী জাল কাটি আনিম
ৰূপোৱালি জোনাই
বিৰীত লগাবানে? ....."

বিষ্ণুৰাভাই জীৱনত প্ৰেমৰ অভিজ্ঞতা যে কেৱল সুখৰ পাইছে তেনে নহয়। ইয়াৰ লগতে তেওঁৰ জীৱনক আৱৰি ৰাখিছে পৰাণৰ অযুত ভালপোৱাৰ বিষাদে। প্ৰিয়তমা পত্নীৰ বিয়োগৰ তেওঁৰ আকুল হৃদয়ত তুলিছিল বিষাদৰ সীমাজীন ঝংকাৰ। দুখেৰে পীড়িত হৈ তেওঁ লিখিছিল-

"পৰজনমৰ শুভলগনত
যদিহে হয় আমাৰ দেখা,
পূৰাবানে প্ৰিয়ে এই জনমৰ
মোৰ হিয়াৰ অপূৰ্ণ আশা।"

গীতৰ মাজেৰে বিষ্ণুৰাভাই অন্তৰৰ কথাবোৰ প্ৰকাশ কৰিছিল। প্ৰেয়সীক মনৰ কথা কোৱা নহ'ল বুলি আক্ষেপ কৰিছে এইদৰে-

"কিমান হেঙুলি উষা
কিমান জোনালী নিশা,
মিছাতেই গ'ল মোৰ
কিমান গধূলি পুৱা।
তেওঁ যে নহ'ল কোৱা...."

সংগ্ৰামী সত্তাৰে পৰিপূৰ্ণ, সাম্যবাদী চিন্তাৰে আৱেষ্টিত আৰু প্ৰেমৰ মিশ্ৰিত ৰসেৰে সমৃদ্ধ হৈ থাকিলেও বিষ্ণুৰাভাৰ মন আৰু মগজুত চিন্তাৰ কেন্দ্ৰবিন্দু হৈ থাকে তেওঁৰ গাওঁ আৰু চাৰিওপাশৰ সমাজখন। মা-মাটি-মানুহৰ বাবে কাম কৰাৰ তীব্ৰতম হেঁপাহ মনত পুহি লৈ জাতিৰ বাবে সৰ্বস্বপ্ৰদান কৰিব পৰা মানুহজনৰ কলমৰ পৰা আঁতৰি যোৱা নাছিল দৈনন্দিন অসমীয়া গাম্য জীৱনৰ এটি এটি অংগ। নৈসৰ্গিক শ্যামলীম শোভাৰে অপৰূপ গাঁৱৰ ৰূপচ্ছটাই তেওঁক মতলীয়া কৰাৰ লগতে তেওঁৰ চিন্তাক আৱৰ্তিত কৰি ৰাখে বিলত ফুলা কমলপাহিয়ে, ধুনীয়া কেতেকীটোৰে অথবা মধুৰ নিজৰাটিয়ে। গ্ৰাম্য সৌন্দৰ্য্যক বৰ্ণনা কৰি তেওঁ সেইহে লিখিছে-

"সোণামুৰা গাঁও দেহি সোণামুৰা গাঁও,
হিয়াভৰি সাদৰী গাঁৱকে ভাল পাওঁ।"

অথবা তেওঁৰ কলমৰ পৰা নিগৰি আহিছিল-

"উটি যা ৰূপালী নাও
উটি যা ৰূপালী নাও,
জুৰ কৈ বা
অ' মোৰ পশ্চিমৰ মলয়া বা।"

আকৌ-

"ৰৈ ৰৈ কেতেকী বিনা অ'
অমাতৰ মাত,
তোৰে সমনীয়া লগে চেমনীয়া
আহ উৰণীয়া মেলি দিওঁ হাত।
অমাতৰ মাত।"

আমি শেষত ইয়াকেই ক'ব পাৰোঁ যে চিৰ-দুখব্ৰতী মানৱ প্ৰেমিক এই মানুহজনৰ শব্দৰ বৰ্ণনাত প্ৰতিভাত হৈ উঠে অজস্ৰ আৱেগৰ লহৰ। তেখেতৰ চিন্তা-চেতনা আৱৰ্তিত হয় মূলতঃ মা-মাটি-মানুহৰ বাবে কাম কৰাৰ যাউতিযুগীয়া প্ৰেৰণাত। জীৱনে বিচিত্ৰ অভিজ্ঞতাৰে চহকী কৰি তোলা ৰাভাদেউৰ গীতি-সাহিত্যই ঘাইকৈ অসমীয়া লোকৰ অন্তৰত জন্ম-জন্মান্তৰলৈ সুচিন্তাৰ পৰশ বিলাই থাকিব। এইজনা মহান আত্মাৰ ১৯৬৯ চনৰ ২০ জুন তাৰিখে পৰলোকপ্ৰাপ্তি হয় যদিও অসমীয়া জাতিৰ বাবে কায়িকভাৱে নহ'লেও কায়াহীনভাৱে তেওঁৰ প্ৰভাৱ চিৰকাল সুদূৰপ্ৰসাৰী হৈ ৰ'ব।

*লেখকৰ ঠিকনা ঃ কামপুৰ, নগাঁও*
*ম'বাইল ঃ ৯৯৫৪৭৬৮৪৮৭*

## বিষ্ণু ককাই এতিয়া জানো সাৰে থকা নাই

বিষ্ণু ককাই এতিয়া কোনো সাৰে থকা নাই
সকলো শুই নিহ্পালি দিছে
ককাই তই যি গলি উভতি আৰু নাহিলি,
ভালেই কৰিলি
নহ'লে ককাই অসমীয়া জাতিৰ এইহেন
বন্ধকিত যোৱা ৰূপ দেখি তোৰ হাতৰ
ষ্টেনগানটো আকৌ এবাৰ গৰজি উঠিলহেতেন,
আৰু ককাই তেতিয়াই তোক
ককালত পঘাৰে বান্ধি চোচৰাই নি
আকৌ এবাৰ সজালেহেতেন
স্বজাতিৰ জাত শতৰু।
এতিয়াও ককাই সেয়াই চলে
প্ৰজাৰ বাক্ স্বাধীনতাই
ৰজাঘৰীয়াৰ নিদ্ৰাহৰণ কৰে।
পোতাশালত বন্দী কৰি প্ৰজাৰ
সুখৰ দৰদাম কৰে।
এতিয়া ককাই চোলাৰ জেপৰ
স্বাধীনতা হেৰুৱা কলমটিয়েও
নিৰ্বাক নিস্পন্দ হৈ শুই পৰে।
ককাই তই আকৌ এবাৰ উভতি নাহি
ভালেই কৰিলি।
আৰু ককাই এতিয়া ৰজাঘৰীয়াই
নেতা কিনে
নেতাবোৰ কচাইখানাৰ তৰ্জুত উঠা
মাংসৰ দৰত কিনা বেচা হয়।
ককাই বিক্ৰী যোৱা নেতাৰ বিলাসী সুখ বাঢ়ে
আৰু নেতা গঢ়া জনতাৰ কঁকাল ভাঙে
ৰাজহাৰত ঘূণে ধৰে।
দেশ এতিয়া এনেকৈয়ে চলে।
ককাই এতিয়া আৰু কোনো সাৰে থকা নাই।

*ডিম্বেশ্বৰ শৰণীয়া*
*ঠিকনা: বৰমা, বাক্সা*
*ম'বাইল ঃ ৬৯০১৫৫০৭৮৯*

## জনতাৰ শিল্পী কলাগুৰু

অসমৰ আকাশত তুমি উদিত সূৰ্য্য
আন্ধাৰ নাশি সমাজৰ
চিৰ যুগমীয়া তুমি কলাগুৰু
গীত, নৃত্য, অভিনয় ,সাহিত্যৰ কাণ্ডাৰী
মুক্তি যুঁজাৰু তুমি আন্দোলন কৰি ।।
তোমাৰ বাটেৰে বাট চাই চাই
অসমীয়া জাতি যায় আগুৱাই।
শত শত প্ৰণাম তোমাৰ চৰণ পখালি
দীপ্তমান সূৰ্য্যটি মাৰ যাব খুজিলে পশ্চিম
আকাশতে ডুবি
আহিবা নে আকৌ এবাৰ দিশ দেখাবলৈ,
পোহৰ সানিবলৈ
ভুল যদি কৰোঁ আমি অসমীয়াই, ঠগো যদি
অসমীয়াই অসমক বেচি
আহিবা নে চিৰ পূজ্য আৰাধ্য তুমি
পথ পদৰ্শক ৰূপে পুনৰ আমাৰ মাজলৈ ঘূৰি।।
শত সহস্ৰ গুণৰ অধিকাৰী, অসীম সাহসী
কলাগুৰু বিভূষিত সাধক তুমি।
নেদেখা দুৰণিৰ পৰা আশীৰ্বাদ কৰিবা প্ৰেৰণ
কৰোঁ যদি ভুল আমি শুধৰাই দি।।
প্ৰণাম প্ৰাণৰ স্পন্দন তুমি, তেজাল সুৰুযৰ দীপ্ত
স্বাধীনতা আন্দোলনৰ আছিলা সেনানী তুমি।
সমাজ সংস্কাৰক হৈ আকৌ এবাৰ আহা নামি
কলুষিত বিপথগামী সমাজক উদ্ধাৰৰ হেতু,
জগাই তোলা আহি।।
যুগে যুগে মহিয়ান হে মোৰ জনশিল্পী
প্ৰণাম তোমাক হিয়া উজাৰি।
থাকে মানে আকাশত জিলিকি
জোন, বেলি, তৰা ৰূপালী
আমাৰ প্ৰাণত থাকিবা চিৰদিন, মনৰ থাপনাত
থৈছোঁ আসন পাৰি।।

*অৰ্ণৱ কটকী*
*ঠিকনা ঃ জাঁজী যোৰহাট*

# এক অবিৰত যাত্ৰা

দিনটোত কোনেও হয়তো ভবা নাছিল যে সেই শিশুটোৱে এদিন অসম নামৰ ভূখণ্ডক তেওঁৰ প্ৰতিভাৰ পোহৰেৰে আলোকিত কৰি তুলিব! তেৱেঁই এদিন গীত-মাত, নৃত্য-কলা, সাহিত্য, অভিনয় আদি সকলো বিষয়ৰ উৰ্দ্ধলৈ গৈ বিপ্লৱৰ ডংকা বজাব। অসমীয়া মানুহৰ মনত বৈপ্লৱিক চিন্তাৰ বীজ ৰোপণ কৰিব! ভূপেন দাৰ গীতত বিষ্ণু ৰাভাক পাওঁ কিৰাট পুত্ৰ হিচাপে। কিছুমান পণ্ডিতৰ মতে, কিৰাট শব্দই সিংহৰ চৰিত্ৰ বহন কৰা লোকক প্ৰতিনিধিত্ব কৰে।

বিষ্ণুপ্ৰসাদ ৰাভাও আছিল সিংহৰ চৰিত্ৰ বহন কৰা ব্যক্তি। অনেক গ্ৰন্থ আৰু শতাধিক প্ৰবন্ধ, ৰচনা আদিত তেওঁৰ জীৱন বৃত্তান্ত লিখা হৈছে যদিয়ো মাজে মাজে ভাব হয়, বিষ্ণুপ্ৰসাদ ৰাভাক প্ৰকৃত মূল্যায়ন কৰোঁতে যেন কৰ'বাত কিবা ৰৈ গ'ল! উদাহৰণ স্বৰূপে তেওঁক 'কলাগুৰু' উপাধিটো ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে দিছিল নে বিবুধ কলিতাৰ লেখাত প্ৰথম প্ৰকাশ হৈছিল - সেয়াও এক অনিৰ্ণিত সিদ্ধান্ত। কিন্তু কি নাছিল - বিষ্ণু প্ৰসাদ ৰাভা নামৰ মানুহজনৰ মাজত? কবিত্বৰ সৌৰভ যেন তেওঁ লগত লৈ উপজিছিল। 'পৰ জনমৰ শুভ লগনত' নাইবা 'জীৱন নাটৰ শেষ ৰাগিণী'য়ে বিষ্ণু ককাইদেউৰ সংগীতৰ সমস্ত সুধা যেন চিৰ অমৰ কৰি ৰাখিছে। তেওঁৰ সংগীত, অভিনয় আৰু নাট্য প্ৰতিভাৰ বিষয়ে লিখিবলৈ কাৰ সাধ্য? আৰু সেই ১৯৩৯ চনত বাৰানসীত প্ৰদৰ্শন কৰা 'তাণ্ডৱ নৃত্য'ৰ কথা অসমীয়াই পাহৰি পাৰিব জানো?

বিষ্ণুপ্ৰসাদ ৰাভাৰ অধ্যয়নৰ গভীৰতা উপলব্ধ হয় তেওঁৰ প্ৰবন্ধ 'অসমীয়া কৃষ্টিৰ চমু আভাস', 'ৰাভা জাতিৰ ইতিবৃত্ত', 'বড়ো জাতিৰ ইতিহাস', 'অসমীয়া কৃষ্টি' আদিত। অতীত বুৰঞ্জীৰ পৰা সমল খান্দি আনি তেওঁ উজাগৰিত কৰিছিল জাতি সমূহৰ উৎপত্তি আৰু সভ্যতাৰ পথাৰত সেই সমূহৰ উত্তৰণৰ সংবাদ। আধ্যাত্মিক চিন্তাৰে তেওঁ প্ৰস্তুত কৰি উলিয়াইছে 'জনজাতীয় সংস্কৃতিত শিৱ'ৰ মহত্ব'। আলিয়াই- লিগাং, দিমাছা কছাৰীৰ বুৰঞ্জী, নাইবা বানে কেবাং-অত তেওঁ প্ৰমাণ কৰি দেখুৱাইছে অসমৰ জনজাতীয় কৃষ্টি-সংস্কৃতিৰ ওপৰত তেওঁৰ জ্ঞানৰ পৰিসৰ।

অসমীয়া উপন্যাসত প্ৰথমে জনজাতীয় জীৱন উন্মোচন কৰিছিল উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে। সেই ধাৰাটোক শক্তিশালী কৰিছিল বিষ্ণু ককাইদেৱে 'মিচিং কনেং' লিখি। তাৰ উপৰিও সেই সময়ত আমাৰ উপন্যাসৰ ভড়াল টনকিয়াল কৰিছিল তেওঁৰ সোণপাহি, জীৱন লালসা আদিৰে। তেওঁৰ সৃষ্টিত 'গেঙনি ৰেঙনি 'ৰে নাটকো বাদ পৰা নাছিল। যি সময়ত অসমীয়া গল্পকাৰসকলে গল্পৰ পৃথিবীত লাহে ধীৰে খোজ দিছিল, সেই সময়ত বিষ্ণু ৰাভাৰ কাপেও জন্ম দিছিল অনেক গল্প। সেইবোৰ হৈছে - কুৰি বছৰ জেইল, জাল কেছ, হিয়াৰ পুং, মামীৰ হাৰ, ফুংকা আদি।

অসম তথা ভাৰতৰ শৃংখল মুক্তিৰ সন্ধিক্ষণত জন্ম হৈছিল বিষ্ণু ৰাভাৰ - বেঙ্গল প্ৰেছিডেন্সিত ১৯০৯ চনৰ ৩১ জানুৱাৰীত। পিতৃ গোপাল চন্দ্ৰ মুছাহাৰী আছিল বড়ো জনগোষ্ঠী সম্ভূত ব্ৰিটিছ সৈন্য বাহিনীৰ উচ্চ পদস্থ বিষয়া। মাক - গেথীবালা ৰাভা। পিতৃ গোপাল চন্দ্ৰ মুছাহাৰী ডাঙৰ দীঘল হৈছিল ৰাভা পৰিয়ালত। সেই সূত্ৰে তেওঁৰ উপাধি হৈছিল ৰাভা। গোপাল ৰাভা শেষ পৰ্যন্ত বেংগলৰ এ.ডি.চি পদত অধিষ্ঠিত হৈছিল। তেনেকুৱা এটা পৰিয়ালৰ সন্তান হৈ বিষ্ণু ৰাভাই স্কুলৰ শিক্ষা আৰম্ভ কৰিছিল ঢাকাৰ সেনা বিভাগৰ বিদ্যালয়ত। দুৰ্ভাগ্য ক্ৰমে তেওঁ পিতৃ-বিয়োগ হোৱাত তেজপুৰৰ সম্বন্ধীয় লোকৰ ঘৰত থাকি তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পঢ়িবলৈ লয় আৰু ১৯২৬ চনত হাইস্কুলৰ শেষ পৰীক্ষাত দৰং জিলাৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰি 'কুইন এমপ্ৰেছ' পদক লাভ কৰিছিল। কলিকতাৰ চেইণ্টপ'ল কলেজত প্ৰথম বিভাগত আই এছ ছি পৰীক্ষা সম্পন্ন কৰাৰ সময়তে বিষ্ণু ৰাভালৈ আহে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ হাত বাউলি। স্বাধীনতা আন্দোলনৰ অংশীদাৰ হোৱাৰ ফলত তেওঁ বিভিন্ন কলেজৰ পৰা নিৰ্বাসিত হৈ হৈ ছাত্ৰ জীৱন সামৰি ১৯৩১ চনত ঘৰলৈ ঘূৰি আহিছিল।

তেজপুৰলৈ আহি বিষ্ণু ৰাভা জ্যোতি প্ৰসাদ আগৰৱালাৰ লগত আত্মীয়তাৰ এনাজৰীৰে বান্ধ খাই পৰিল। ১৯৩৫ চনত জ্যোতিপ্ৰসাদৰ মানস কন্যা 'জয়মতী'ৰ নৃত্য পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰিলে। ১৯৩৫-৩৭ চনত বিষ্ণু ৰাভা আৰু ৰূপকোঁৱৰে 'জয়মতী' আৰু 'শোণিত কুঁৱৰী' নাটক বাণীবদ্ধ কৰিলে।

ভাৰতৰ স্বাধীনতাক সকলোৱে আদৰণি জনালে। কিন্তু তেওঁৰ মনঃপূত নহ'ল স্বাধীনতা। তেওঁৰ বাবে স্বাধীনতা আছিল এক প্ৰহসন। তেওঁৰ বিপ্লৱী সত্তা তেতিয়াই জাগৰিত হৈ উঠিল। বিপ্লৱী কমিউনিষ্ট দলৰ সদস্য হৈ তেওঁ স্বাধীনতাৰ বিৰুদ্ধে বিপ্লৱৰ সূচনা কৰিলে। অসমত সশস্ত্ৰ বিপ্লৱৰ বীজ তেৱেঁই ৰোপণ কৰিলে। স্বাধীন ভাৰতৰ পুলিচে তেওঁক খেদি ফুৰিবলৈ ধৰিলে।

অৰঙে-দৰঙে হাবিয়ে-জংঘলে অনাহাৰে-অনিদ্ৰাই তেওঁ ঘূৰি ফুৰিলে। ১৯৪৮ ভাৰত চৰকাৰে কমিউনিষ্ট দলক নিষিদ্ধ ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত ১৯৪৮ চনৰপৰা ১৯৫২ চনলৈ বিষ্ণু ৰাভাই নিৰুদ্দিষ্ট যাযাবৰী জীৱন আঁকোৱালি লৈছিল। সেই সময়ত তেওঁৰ মুৰৰ দাম ঘোষণা কৰা হৈছিল দহ হেজাৰ টকা। বিষ্ণু ৰাম মেধিৰ চৰকাৰে ১৯৫২ চনত পূৰ্বৰ অবিভক্ত গোৱালপাৰা জিলাৰ দোতমাত তেওঁক গ্ৰেপ্তাৰ কৰিলে। সেই সংগ্ৰামী জীৱনে তেওঁক জীৱন্ত কিংবদন্তী ৰূপে প্ৰতিষ্ঠা কৰিলে। সময় আগবাঢ়িল। ১৯৬২ চনত চীনে আক্ৰমণ কৰিলে। কংগ্ৰেছ চৰকাৰৰ পুলিচে তেওঁক তেজপুৰৰ পৰা পঘাৰে বান্ধি গুৱাহাটীলৈ লৈ গৈ সাত মাহ সুদূৰ উৰিয্যাত ৰাখিলে বন্দী কৰি।

বিষ্ণু প্ৰসাদ ৰাভা আছিল সুন্দৰৰ পূজাৰী। যেনেকৈ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে তেজপুৰক ধন্য কৰিছে, তেনেকৈয়ে বিষ্ণু ৰাভায়ো তেজপুৰক বহুতো কিবা কিবি দি গৈছে। বাণ থিয়েটাৰ নিৰ্মাণতো তেওঁৰ হাত আছিল। মোৰ দেউতাও এসময়ত তেওঁৰ সহযোগী আছিল। ১৯৬২ চনত মোহনবাৰী বিমান ঘাটিত চাকৰিত যোগ দিবলৈ যোৱাৰ সময়তে মোৰ দেউতা প্ৰয়াত হৰেশ্বৰ বেজবৰুৱাক বিষ্ণু ৰাভাৰ সহযোগী বুলি পুলিচে গ্ৰেপ্তাৰ কৰিছিল। দেউতাৰ মুখত শুনিছিলোঁ বিষ্ণু ৰাভাৰ অনেক আশ্চৰ্য্যজনক কথা। তেওঁ যেনেদৰে আছিল তীক্ষ্ণ বুলেটৰ দৰে তাৰ বিপৰীতে আছিল ফুলৰ পাপৰিৰ দৰে এখন হৃদয়ৰ অধিকাৰী। দুখীয়া ভূমিহীন কৃষকৰ অধিকাৰ দিয়াবলৈ লৈ তেওঁ জনজাতীয় আধিয়াৰ আন্দোলনৰ নেতৃত্ব দিছিল।

তেওঁ বুজি পাইছিল-ভাৰতৰ মাটি সাম্যবাদৰ ভেঁটি মজবুত কৰিবলৈ তেতিয়াও প্ৰশস্ত হোৱা নাই। বিপ্লৱৰ মাজেৰে সাম্যবাদ অনা সম্ভৱ তেতিয়াও হোৱা নাই। সেই সময়ত ভাৰতৰ জনতা কংগ্ৰেছৰ প্ৰতিশ্ৰুতিত মোহাছন্ন হৈ আছিল। সেই বাবেই পিছলৈ তেওঁ সক্ৰিয় ৰাজনীতিত নামিছিল। ভাৰতীয় বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ (আৰ চি পি আই) প্ৰাৰ্থী হিচাপে ১৯৫৭ চনত বৰপেটা সমষ্টিৰ পৰা বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হৈছিল। কিন্তু ১৯৬৭ চনত তেজপুৰৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাপে বিধানসভালৈ নিৰ্বাচিত হৈছিল। পুনৰ ১৯৬৮ চনত কোকৰাঝাৰ সমষ্টিৰ পৰা লোকসভাৰ নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থীৰূপে নিৰ্বাচন খেলি পৰাস্ত হৈছিল।

১৯৩৭ চনৰ ২৪ নবেম্বৰত বিষ্ণু ৰাভাৰ জীৱন যোৰহাটৰ গায়িকা প্ৰিয়লতা দত্তৰ সৈতে একেটা সূত্ৰত বান্ধ খাই পৰিছিল। কিন্তু নিয়তিয়ে তেওঁলোকক দিলে মাত্ৰ ২৮ দিনৰ সান্নিধ্য। পত্নী হেৰাই যোৱাৰ শোক তেওঁ সঁপি দিলে গীতৰ মাজত। যাৰ ফলত সৃষ্টি হ'ল এক অমৰ গীত-

"পৰজনমৰ শুভ লগনত
যদিহে আমাৰ হয় দেখা........ "

তেওঁ আছিল প্ৰেমিক। বিধাতাই বিষ্ণুপ্ৰসাদ ৰাভাক প্ৰেমেৰে চপচপীয়া এখন হৃদয় দিয়াৰ বিপৰীতে তেওঁৰ পাৰিবাৰিক জীৱনৰ ওপৰত পেলাইছিল ক্ৰুৰ দৃষ্টি। ১৯৫০ চনত বিষ্ণু ৰাভা পুনৰ বিবাহ পাশত আৱদ্ধ হয় বেলশৰৰ কনকলতা মেধিৰ লগত। ১৯৬২ চনৰ আৰম্ভণিতে কনকলতায়ো তেওঁক এৰি গুচি গৈছিল অনন্ত ধামলৈ। তাৰ পিছত গোসাঁইগাঁৱৰ মোহিনীবালা বসুমতাৰী আহে তেওঁৰ জীৱনলৈ। তাৰ মাজতে আকৌ লগ হৈছিল নিৰুপমা দেৱীয়ে। তেওঁৰ তিনটা পুত্ৰৰ পৃথ্বীৰাজ ৰাভা বৰ্তমান ৰাজনৈতিক নেতা।

ৰাচিয়াৰ নৃত্য পটিয়সী আনা পাভলোভাৰ নৃত্যৰে অনুপ্ৰাণিত হৈ বৰপেটাত গৈ তেওঁ সত্ৰীয়া নৃত্যশৈলী আয়ত্ত কৰিছিল। অসমৰ জনজাতীয় নৃত্যকে ধৰি দাক্ষিণাত্যৰ বিভিন্ন প্ৰাচীন নৃত্য আৰু মূৰ্তি অধ্যয়ন কৰি আয়ত্ত কৰিছিল বিভিন্ন মুদ্ৰা আৰু শৈলী।

তেওঁ আঠ বছৰ বয়সতে অভিনয়ৰ পাতনি মেলিছিল ঢাকাত মঞ্চস্থ কৰা হৰিশ্চন্দ্ৰ নাটকত শিশু শিল্পী হিচাপে। যাত্ৰা পাৰ্টিৰ পৰা এবা বাটৰ সুৰ, প্ৰতিধ্বনি, ছিৰাজ আদি বোলছবিত কৰা অভিনয়েৰে বিষ্ণু ৰাভা এক বলিষ্ঠ অভিনেতা হিচাপে খ্যাত হৈ পৰিছিল। 'জয়মতী' আৰু ১৯৪১ চনত ৰোহিণী বৰুৱাৰ 'মনোমতী' বোলছবিত তেওঁ কৰিছিল নৃত্য পৰিচালনা।

মোৰ কবিতাৰ ছন্দ লাগি, পৰজনমৰ শুভলগনত, লগন উকলি গ'ল, টিলাই টিলাই ঘূৰি ফুৰে উলাহেৰে, নাহৰ ফুলে নুশুৱাই, এয়ে মোৰ শেষ গান, বল বল বল কৃষক শক্তি দল, সুৰৰে দেউলৰে ৰূপৰে শিকলি, বিশ্বৰ ছন্দে ছন্দে, আজি মন্দিৰ দুৱাৰ খোলা, তেজৰ বোলেৰে লিখি যাম ইতিহাস, হে বিপ্লৱী বীৰ অধিনায়ক হে, মোৰ জীৱনৰ আকাশতে ইন্দ্ৰধনু গঢ়িম, বিলতে হালিছে ধুনীয়া পদুমী, অ' গুৰু মোৰ শংকৰ তৰিবৰ কিনো উপায়, অ' অসমীয়া ডেকা দলকে আদি কৰি তেওঁ ১৩৭টা কালজয়ী গীত ৰচনা কৰি থৈ গ'ল। এই গীতসমূহত যি লোক সংস্কৃতিৰ সুৰ শুনা যায়, আধ্যাত্মিকতাৰ যি পয়োভৰ দেখা যায়, সৰ্বহাৰৰ মুক্তিৰ যি উদাত্ত আহ্বান অনুৰণিত হয় আৰু প্ৰেমৰ যি মিতব্যয়ী স্বৰ্গীয় ৰূপ পৰিস্ফুট হৈ আছে, তাৰেই হয়তো বিষ্ণু ৰাভাৰ সৃষ্টিশীলতাক মূল্যায়ন কৰিব পৰা গ'ল হেঁতেন। কিন্তু কাৰীকৰ তেওঁ। তাতেই থমকি ৰোৱা নাছিল তেওঁৰ হাত। তেওঁ অকল শংকৰদেৱৰেই তিনিখন চিত্ৰ অংকণ কৰিছিল- ১৯৩৫ চনত, ১৯৪০ চনত আৰু ১৯৪৫ চনত। তাৰ উপৰিও শ্ৰীমন্ত শংকৰ-মাধৱৰ যুগল ছবি, চিত্ৰলেখা, নটৰাজ, স্নান (A Bathing lady), শকুন্তলা, গৰমৰ দিনৰ তিৰোতা, বড়োসকলৰ বিবাহ সমদল, ভূমিকম্প, গাঁৱৰ প্ৰাকৃতিক দৃশ্য আদি তেওঁৰ হাতত জীৱন্ত ৰূপ ধাৰণ কৰিছিল। বাঁহী আৰু আমাৰ প্ৰতিনিধি আলোচনীৰ বেটুপাততো তেওঁ হাতৰ যাদু ৰৈ গৈছে।

আমি সাধাৰণ এটা প্ৰবন্ধত বিষ্ণু প্ৰসাদ ৰাভাদেৱৰ জীৱন আৰু কৰ্মক সামৰা সম্ভৱ নহয়। তেওঁৰ বিষয়ে অনেক কথা বহুতো মনিষীৰ কাপত ইতিমধ্যে লিপিবদ্ধ হৈছে। তাৰ ভিতৰত ড° ভূপেন হাজৰিকাৰ 'বিষ্ণু ককাইদেউ', কমল চৌধুৰীৰ 'হাঁহি কান্দোনৰ মেলা', গুৰুপদ চৌধুৰীৰ 'মায়াবী মানুহজন', হীৰেন গোহাঁই আৰু পৰমানন্দ মজুমদাৰৰ সম্পাদনাত 'সৈনিক শিল্পী বিষ্ণু ৰাভা' 'বিষ্ণুৰাভা ৰচনাৱলীঃ প্ৰথম আৰু দ্বিতীয় খণ্ড' ইত্যাদি উল্লেখযোগ্য। সূৰ্য্যকান্ত হাজৰিকাই ২০০৭ আৰু ২০০৮ চনত দুখন বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনালেখ্যও তৈয়াৰ কৰিছে। তথাপি যেন আমি সম্পূৰ্ণ কৰিব পৰা নাই এই মহান 'সৈনিক শিল্পী' তথা 'কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক'।

১৯৬৯ চনৰ ২০ জুনৰ পুৱাঁতি নিশা এটি বিধ্বস্ত সৈনিকৰ দৰে তেজপুৰত ৰাভাদেৱে পাকস্থলীত বাঁহ লোৱা কৰ্কট ৰোগৰ হাতত পৰাজিত হৈ এই সংসাৰৰ পৰা বিদায় ল'লে।

বছৰি ২০ জুন তাৰিখে 'বিষ্ণু ৰাভা দিৱস' পাতি বা তেওঁৰ জন্ম শতবাৰ্ষিকীত ভাৰত চৰকাৰে উন্মোচন কৰা ডাক-টিকট এটাৰে বিষ্ণু প্ৰসাদ ৰাভাক স্মৰণ কৰিলেই যথেষ্ট নহয়। তেওঁক আমাৰ বুকুত জীয়াই ৰাখিবলৈ চৰকাৰ তথা অসমীয়া ৰাইজৰ কৰণীয় অনেক আছে। তেওঁৰ দ্বাৰা ৰচিত 'ৰাভা সংগীত'সমূহ আমাৰ উত্তৰ পুৰুষে আঁকোৱালি ল'বলৈ প্ৰেৰিত কৰিব লাগিব। তেওঁৰ ৰচনা, দৰ্শন, চিত্ৰসমূহ, গীতবোৰ সংৰক্ষণ কৰি বহুল ভাৱে প্ৰচাৰৰ দিহা কৰিব লাগিব। তাতকৈ বেছি প্ৰয়োজন হৈছে এই মহা নায়কৰ এখন জীৱনী গ্ৰন্থৰ।

বিষ্ণু প্ৰসাদ ৰাভাক আমি হৃদয়ত ৰাখিবলৈ চেষ্টা কৰিব লাগিব। তেওঁৰ সেই সাধনাৰ যাত্ৰাক অবিৰত যাত্ৰাৰ ৰূপ আমিয়েই দিব লাগিব।

# ৰাভাদেৱৰ সমাজ চেতনা আৰু ৰাজনৈতিক জীৱন তথা মতাদৰ্শ

জাতি গঠনৰ আদৰ্শ আৰু সমন্বয়কৰ্তা হিচাপে পৰিচিত বিষ্ণু প্ৰসাদ ৰাভা। সমাজ সচেতনভাৱে অসমীয়া জাতি আৰু কৃষ্টি-সংস্কৃতিক একতাৰ বান্ধোনেৰে সংঘবদ্ধ হৈ ভিন্ন জাতি-জনগোষ্ঠীক বুকুত সাৱটি অসমীয়া জাতি গঠনৰ আদৰ্শ আৰু সমন্বয়কৰ্তা হিচাপে পৰিচিত বিষ্ণু প্ৰসাদ ৰাভা। সমাজ সচেতনভাৱে অসমীয়া জাতি আৰু কৃষ্টি-সংস্কৃতিক একতাৰ বান্ধোনেৰে সংঘবদ্ধ হৈ সুস্থ-সবল কৰি তোলা ৰাভা আছিল সমাজ জীৱনৰ অন্যতম কাণ্ডাৰী। সমাজৰ পৰা সামাজিক ব্যাধি এলান্ধু আঁতৰাই মানৱীয় প্ৰমূল্যবোধেৰে এখন সুস্থ সমাজ গঢ়াত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল ৰাভাই। শেহতীয়া ভাৱে যোৱা ২০ জুনত বিষ্ণু ৰাভা দিৱস আন বছৰবোৰৰ দৰেই তাড়পূৰ্ণভাৱে উদযাপন কৰা হৈছে যদিও দিৱস গ'লেও বিষ্ণু ৰাভা সদায় প্ৰাসংগিক সেই কথাটো প্ৰতিটো মূৰ্হততে অনুভৱ কৰা হয়। কাৰণ ১৯০৯ চনৰ ঢাকা চহৰত জন্ম লাভ কৰা বিষ্ণু প্ৰসাদ ৰাভা অসমৰ সমাজ জীৱনৰ এটা ভোটাতৰা। ধনী দুখীয়াৰ ভেদাভেদ তথা জাতি ভেদ ওফৰাই বিষ্ণু ৰাভাই পাহাৰ ভৈয়াম একত্ৰিত কৰাৰ কচৰৎ কৰিছিল। সামাজিক ব্যাধি স্বৰূপ এলান্ধুকলীয়া মানসিক অনুভূতিবোৰ আঁতৰাই এক মানৱিক প্ৰমূল্যবোধেৰে সমাজ গঠনত বিশেষ ভূমিকা গ্ৰহণ কৰাত বিষ্ণু ৰাভা আছিল এক অনন্য অগ্ৰদূত। তেখেতৰ জাতি গঠন প্ৰক্ৰিয়া তথা তেখেতৰ সৃষ্টিৰাজিত আছিল পাহাৰ ভৈয়ামৰ সকলো জাতি জনগোষ্ঠীয়ে প্ৰতিনিধিত্ব কৰা এখন উমৈহতীয়া মঞ্চ। প্ৰকৃততে এখন বৃহৎ সমন্বয় আদৰ্শৰে সংপৃক্ত সংস্কাৰমুক্ত সমাজ গঢ়া। সমন্বয় ক্ষেত্ৰখনেই হ'ল বৃহৎ অসমীয়া জাতি মঞ্চ। এই বিশ্বাস ৰাখি বিষ্ণু ৰাভাই লিখিছিল, সৰু সৰু জুৰি নিজৰা নৈ উপনৈ সমন্বিতে যেনকৈ ব্ৰহ্মপুত্ৰ নদীয়ে বহল আৰু বিৰাটতা লাভ কৰিছে ঠিক তেনেকৈ অসমৰ বহু জাতি উপজাতি আৰু জনজাতিৰ কৃষ্টি সংস্কৃতিৰ আৰু সাহিত্যও বিৰাটতা লাভ কৰিছে। সেয়েহে তেখেতে অসমৰ সামগ্ৰিক উত্তৰণ ৰাজ্যখনৰ প্ৰতিটো প্ৰান্তত থকা পাহাৰ ভৈয়ামত বসবাস কৰা সকলো জাতি জনজাতিৰ ভাষা কৃষ্টি সভ্যতা সংস্কৃতি সমন্বয় দ্বাৰাহে সম্ভৱ বুলি উপলব্ধি কৰি অসমীয়া জাতি ইয়াৰ ভাষা সংস্কৃতি আৰু সাহিত্যৰ ক্ষেত্ৰখনত উন্নতি সাধন কৰিবলৈ সকলো সমন্বিত জাতি জনগোষ্ঠী সামগ্ৰিক জীৱন ধাৰাৰ উন্নতিৰ হেতু সকলো জাতি জনজাতিক উদাত্ত কণ্ঠৰে আহ্বান জনাইছিল। মুখত সোণৰ চামুচ লৈ জন্মগ্ৰহণ কৰা পাছতো বিষ্ণু ৰাভা আছিল চহা গ্ৰাম্য জীৱনৰ ভালপোৱা নিপীড়িত দৰিদ্ৰ শ্ৰমিক কৃষকৰ প্ৰকৃত পথ প্ৰৰ্দশক। অসমীয়া গাঁৱৰ খেতিয়কৰূপী সঁচা শিল্পী, কলাসাধক। তেখেতে অনুভৱ কৰিছিল যে গাঁৱলীয়া, হজুৱা, চহা নিৰক্ষৰ জনজাতীয় সমাজ সমন্বয় অবিহনে কেতিয়াও অসমীয়া সমাজৰ ভেঁটি সুদৃঢ় হ'ব নোৱাৰে। সেয়েহে তেখেতে প্ৰকাশ কৰিছিল যে অসমৰ সংস্কৃতিৰ সুঁতিটো বিভিন্ন জনগোষ্ঠীয় গ্ৰাম্য চহা জীৱনকেন্দ্ৰিক হ'ব লাগিব। নগৰ কেন্দ্ৰিক হ'লে নহ'ব। ভাৰতে স্বাধীনতা লাভ কৰা পাছতো শোষিতজনৰ স্বাধীনতাৰ বাবে নিজৰ যুদ্ধ অব্যাহত ৰাখিছিল সৈনিক শিল্পী বিষ্ণু ৰাভাই। বিল্পৱী আৰু শিল্পী সত্তাৰ বাহিৰেও গৱেষণাৰ দিশতো অগ্ৰণী আছিল বিষ্ণু প্ৰসাদ ৰাভা। তেখেতৰ চিন্তা তথা আৰ্দশক গৱেষণা মূলক দৃষ্টিৰে নৱপ্ৰজন্মৰ মাজলৈ অনাৰ নিশ্চয়কৈ প্ৰয়োজন আছে। আনহাতে অসমৰ পাহাৰে ভৈয়ামে সিঁচৰিত হৈ থকা ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি জনগোষ্ঠীৰ ভাষা সাহিত্যৰ অবিহনে সামগ্ৰিক ভাৱে অসমীয়া ভাষাৰ লগতে জাতি গঠন প্ৰক্ৰিয়াৰ উত্তৰণ হ'ব নোৱাৰে। অসমৰ বিভিন্ন প্ৰান্তত সিঁচৰিত হৈ থকা ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি জনগোষ্ঠীৰ অবিহনে সামগ্ৰিকভাৱে অসমীয়া ভাষাৰ লগতে জাতি গঠন প্ৰক্ৰিয়াৰ উত্তৰণ হ'ব নোৱাৰে। ভিন্ন জাতি-জনগোষ্ঠীক বুকুত সাবটি অসমীয়া জাতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব বিচৰা বিষ্ণু ৰাভাৰ সেই সপোন বৰ্তমানৰ অৰ্থসৰ্বস্ব ৰাজনীতিৰ পাকচক্ৰত বিধ্বস্ত প্ৰায়। আনহাতে, ক্ষুদ্ৰ জাতি চিন্তা আৰু মূল্যহীন জাতিদম্ভ আৰু অহমিকাৰ তেনেদৰে অসাৰ। বিষ্ণুৰাভাই ঠিকেই বুজিছিল প্ৰকৃতাৰ্থত গঢ়ি উঠে কৃষকজীৱি মানুহৰ সংগ্ৰামৰ কথা। অসমীয়া কৃষ্টি সংস্কৃতি নিৰ্যাতিত নিষ্পেষিত দুখীয়া, কৃষক বনুৱা অসমীয়াইহে আজিও অৱহেলিতভাৱে জীয়াই ৰাখিব পাৰিছে। বিষ্ণু ৰাভাই ৰচনা কৰা অলেখ ৰচনা অসমৰ গাঁৱে-ভূঞে এতিয়াও সিঁচৰতি, যাৰ সম্পূৰ্ণ ন প্ৰকাশ কৰিব নোৱাৰাটো পৰিতাপৰ কথা। যুক্তিবাদী, বিজ্ঞানবাদী আদৰ্শৰ দ্বাৰাহে বিষ্ণুৰাভাৰ জীৱন দৰ্শন বুজাটো সম্ভৱ। ৰাভাই যি জিলিকনি বিচাৰিছিল সেয়া হাড়ভগা শ্ৰমজীৱী মানুহৰ ধৰণী আলোকময় কৰাৰ ইংগিত। যিসকলে কেৱল কলাৰ পূজাৰী বুলি এটা সীমিত পৰিসৰতে ৰখাৰ প্ৰয়াসত ৰাভাৰ নাম লয় তেওঁলোকেও ৰাভাৰ এফাঁকি কবিতাত পাব সংগ্ৰামী চেতনাৰ ছবি। ৰাভাই লিখিছিল- শোষণৰ বেদনা যন্ত্ৰণা জ্বলা হ'ব চুৰমাৰ শোষক শোষিতৰ ছাৰখাৰ। উচ্চবিত্তৰ বিৰুদ্ধে ৰাভাৰ লিখনিত শ্ৰেণীদ্বন্দ্ব বিৰাজমান। এয়া যেন সামন্ত শোষণত পিষ্ঠ মহাজন, জমিদাৰ দাম্ভিকতাত নিপীড়িত হোজা শ্ৰমজীৱী জনতাৰ মুক্ত মনৰ পুঞ্জীভূত বহিৰ্প্ৰকাশ। সেয়ে শোষণ-পীড়নৰ শিকলিৰে আৱদ্ধ কৰি কাৰোবাৰ কমৰেড, কাৰোবাৰ কলাগুৰু, গণশিল্পী গৰিবৰ দৰদী বন্ধু বিষ্ণু ৰাভা অসমৰ শিল্পী সাহিত্যিকৰ মাজত সদায় দায়বদ্ধ শিল্পী। আজি এচাম শিল্পীয়ে পেঞ্চন- বা বঁটা লাভৰ আশাত বন্দী হৈ পৰিছে। আনহাতে ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই লিখিছে- 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি তুমি সাৰে আছা, সাৰে আছে আৰু জাগ্ৰত, জনতা নিদ্ৰাবিহীন ৰাতি'। ৰাভাৰ আকাংক্ষা অসমাপ্ত। প্ৰাক স্বাধীনতা কালৰ পৰা স্বাধীনতা-উত্তৰ কাললৈ ১৯৬৯ চনৰ ২০ জুন মৃত্যু দিন পৰ্যন্ত ৰাভা আছিল শিল্পী-সৈনিক, অক্লান্ত যুঁজাৰু। কিন্তু ৰাভাৰ আকাংক্ষিত সমাজখন প্ৰতিষ্ঠা নহ'লেও আন্ধাৰৰ ডেউকা ভাগি ৰাভাৰ আভাই আনে প্ৰভাতৰ নতুন বতৰা। বিষ্ণু ৰাভাৰ দেশপ্ৰেম আৰু প্ৰজ্ঞাৰ পোহৰত আজিৰ দ্বন্দ্বসচেতন প্ৰতিজন শিল্পী- সাহিত্যিকৰে যেন পবিত্ৰ কৰ্তব্যঃ.... লোক-কলাৰ মাজেৰে আমি আগুৱাই নিব লাগিব সমাজৰ প্ৰকৃত সত্যক। ছেগ চাই কঠীয়া পৰা সুবিধাবাদীৰ কবলৰ পৰা ৰক্ষা কৰিব লাগিব জীৱনৰ প্ৰকৃত সত্যক। তেতিয়াহে জনতাৰ চকু মেল খাব আৰু সুবিধাবাদৰ অৱলুপ্তি ঘটিব। গীত আৰু কবিতাসমূহৰ মাজেদি ৰাভাৰ ব্যক্তিসত্তা যি প্ৰতিফলন ঘটিছে তাক গুঁহিয়াই চালে তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহ দৃষ্টিগোচৰ হয়, (ক) 'মানৱতাবাদ'ৰ প্ৰতি শিল্পীগৰাকীৰ আস্থা, (খ) শান্তি আৰু সম্প্ৰীতি ৰচনাৰ বাবে আজীৱন প্ৰয়াস, (গ) অসমৰ থলুৱা সৌন্দৰ্যৰ প্ৰতি সচেতনতা, (ঘ) দলিত-নিষ্পেষিতজনৰ প্ৰতি আকুল মমতা, (ঙ) যুৱশক্তিৰ জৰিয়তে নতুন পৃথিৱী গঢ়ি তোলাৰ উদগ্ৰ কামনা, (চ) প্ৰিয়াৰ সৌন্দৰ্যৰ মাজেদি সত্য আৰু সুন্দৰৰ উপাসনা আৰু উপলব্ধি, (ছ) অসমৰ গৌৰৱোজ্জ্বল অতীত ইতিহাস উদ্ধাৰৰ প্ৰতি দায়বদ্ধতা, (জ) লোক- সাহিত্যৰ আধাৰত সাহিত্যক্ষেত্ৰত বিচৰণৰ আগ্ৰহ, (ঝ) সভ্যতাৰ ক্ৰমবিকাশৰ মননশীল ব্যাখ্যাৰ প্ৰয়াস। আনহাতে গীত আৰু কবিতাৰ মাজেৰে অসমৰ লোক-সংস্কৃতিৰ প্ৰতি ৰাভাৰ আস্থা আৰু শ্ৰদ্ধা দুয়োটাই প্ৰকাশ পাইছে। যি সময়ত সাহিত্যৰ প্ৰতিটো দিশত পশ্চিমীয়া ধ্যান-ধাৰণাক আদৰ্শ কৰি লোৱা হৈছিল, অসমৰ মাটিৰ গোন্ধ নথকা চিত্ৰকল্পৰ সহায়েৰে ব্যক্তি মানসত এটা তোলপাৰ লগোৱাৰ প্ৰস্তুতি চলিছিল, ঠিক সেইখিনি সময়তে জ্যোতিপ্ৰসাদে ইউৰোপীয় প্ৰশিক্ষণৰ দ্বাৰা প্ৰশিক্ষণপ্ৰাপ্ত হৈয়ো অসমৰ বিয়ানাম, আইনাম, ধাইনাম আৰু বিহু গীতৰ পৰা নিভাঁজ অসমীয়া সুৰ লৈ তেওঁৰ কথাছবিসমূহত আৰু নাটকত সাৰ্থকভাৱে প্ৰয়োগ কৰি কাললৈ খিয়াতি ৰাখি গৈছে আৰু লগতে প্ৰমাণ কৰি থৈ গৈছে অসমৰ সংস্কৃতিৰ বৰ্ণাঢ্য চহকী ৰূপ। ঠিক সেইদৰে বিষ্ণু ৰাভাই অসমৰ বাহিৰত শিক্ষাজীৱন কটালেও অসমৰ লোক-জীৱনৰ স্পৰ্শৰ পৰা কেতিয়াও আঁতৰি অহা নাছিল আৰু সেয়ে গৌৰৱেৰে তেওঁ মাটিৰ গোন্ধ থকা গীত লিখিছে, কিংবদন্তীক আশ্ৰয় কৰি কবিতা লিখিছে। নাহৰ আৰু তগৰৰ ফুলেহে কবিৰ কল্পনাক জোকাৰি দিয়ে। 'লুইতৰ পাৰ', 'বালিচাপৰি', 'অমিয়া বৰগীত', 'সুৰীয়া বনগীত', ভূঁই কই থকা বোৱনীজনী বিলত হালি থকা পদুমী, নাচি থকা জুৰিটিহে কবিৰ আকৰ্ষণৰ বস্তু। আনহাতে, চিত্ৰলেখাৰ কাহিনী মণিকোঁৱৰ, ফুলকোঁৱৰৰ সাধু, চেনেহৰ বিহুটিও গা ৰজনজনাই যোৱা উদ্দীপনাই মন্ত্ৰমুগ্ধ কৰি ৰাখে। নিজৰ অস্তিত্ব, সংস্কৃতি আন পৰম্পৰাক লৈ গঠিত আছিল বিষ্ণুৰাভা আৰু সেই গৰ্ববোধ তেওঁৰ গীত আৰু কবিতাৰ মাজেৰে নিগৰি আহিছে। নতুন প্ৰজন্মই ৰাভাৰ এই বৈশিষ্ট্যৰ প্ৰতি চকু দিলে যে অনুপ্ৰাণিত নোহোৱা নাথাকে তাত সন্দেহৰ অৱকাশ নাই কাৰণ, নিজৰ পৰম্পৰা আৰু ঐতিহ্য মূলধন কৰিহে এটা জাতি জীয়াই থাকে আৰু জীন নিয়াব নোৱাৰা সম্পদেৰে সেইটো কেতিয়াও সম্ভৱ নহয়। জীৱনক বন্ধনৰ মাজত আৱদ্ধ কৰি ৰখাৰ মানসিকতা যাৰ নাছিল, টকা-অনা-পাইৰ হিচাপ লৈ যিজন কেতিয়াও ব্যতিব্যস্ত নাছিল সেই যাযাবৰ ৰূপী ৰাভাদেৱ প্ৰকৃত শিল্পী জনতাৰ প্ৰাণৰো প্ৰাণৰ। তেওঁ মানুহক 'মানুহ' বুলিহে গণ্য কৰে। আনহাতে, সাম্প্ৰতিক সময়ত অসমত বাঢ়ি অহা দুৰ্নীতি ভ্ৰস্তাচাৰ ৰাজনীতি, কূটলতা অৰ্থনৈতিক শোষণ সাংস্কৃতিক অৱক্ষয়ে একপ্ৰকাৰে অসমীয়া জাতিটো কোঙা কৰি পেলাইছে। চৰকাৰী ষড়যন্ত্ৰতে ব্যভিচাৰ, অন্ধবিশ্বাস, কু-সংস্কাৰ আদিবোৰ বৃদ্ধি পাইছে। কাৰণ সাধাৰণ জনতা এইবোৰৰ মাজত ব্যস্ত থাকিলে নিজৰ অধিকাৰ বিচৰা পৰা দূৰত থাকিব তথা সামগ্ৰিক উত্তৰণৰ বিষয়ত গুৰুত্ব প্ৰদান কৰিব নোৱাৰিব। ফলত খাতি খোৱা জনতাৰ মুখৰ ভাত কাঢ়ি চৰকাৰী পক্ষৰ সম্পদ লুণ্ঠনৰ বাট সূচল হৈ থাকিব। কৃষিপ্ৰধান অসমত বৰ্তমানৰ সামাজিক অৱস্থাত এই ধৰণৰ অস্পষ্ট ভৱিষ্যতৰ ছবি বিৰাজমান। আনহাতে, যুগৰ লগত আগুৱাই নতুনক আদৰাৰ মানসিকতা প্ৰত্যেকৰে থকা উচিত যদিও নিজৰ কলা সংস্কৃতি পাহৰি যোৱাটো সমূলি অনুচিত। আজিৰ নৱ প্ৰজন্মৰ একাংশই আধুনিক হ'বলৈ গৈ পশ্চিমীয়া ভোগবাদীৰ মানসিকতাৰ বশৰ্ৱতী হৈ বিপথে পৰিচালিত হোৱা দেখা গৈছে। কেৱল বছৰটোৰ এটা দিনতেই বিষ্ণু ৰাভা দিৱস উদযাপন কৰি সেই দিনটোতেই বিষ্ণু ৰাভাক মনত পেলালেই নহ'ব। প্ৰতিটো দিনতেই বিষ্ণু ৰাভাক জীয়াই ৰখাৰ কচৰৎ কৰিব লাগিব। বিষ্ণু ৰাভাৰ সহিষ্ণু চেতনাক উঠি অহা নৱপ্ৰজন্মক শিকাই বুজাই ল'ব লাগিব। গণতান্ত্ৰিক চেতনাসম্পন্ন মানুহৰ বিপৰীতে বাকীসকলে জানি-শুনিয়েই হওক অথবা অজানিতেই হওক, বিষ্ণু ৰাভাৰ আদৰ্শ, ৰাজনৈতিক দৰ্শন, সাংস্কৃতিক চেতনাক বছৰ বছৰ ধৰি ভুলকৈ উপস্থাপন কৰি আহিছে। এই অসমতাৰে ভৰি থকা সামাজিক ছবিখনৰ বিপৰীতে বিষ্ণু ৰাভাই নিজা সাম্যবাদী চিন্তাৰ যোগেদি সাধাৰণ জনতাৰ মুক্তিৰ সপোন দেখিছিল। সেয়ে মাৰ্বাদ-লেলিলাদৰ আদৰ্শৰ ভাষা প্ৰভাৱিত বিষ্ণুৰাভাই দেশৰ উত্তৰণৰ বাবে জনতাৰ মুক্তি অনিবাৰ্য বুলি স্পষ্ট কৰিছিল। এক কথাত ৰাভাৰ আদৰ্শই ৰাইজৰ মুক্তিৰ পথ। আনহাতে বৰ্তমান সন্ধিক্ষণত সকলো একত্ৰিত হোৱাৰ থল আহি পৰিছে। কাৰণ ঐক্যৰ অবিহনে সুস্থ ভৱিষ্যত তথা প্ৰগতি অসম্ভৱ। সমাজখনত চলি থকা টনা আজৰাবোৰ সমাপ্তি হোৱাৰ স্বাৰ্থতেই বিষ্ণু ৰাভাৰ ত্যাগ আৰু আৰ্দশ কৰ্মৰাজিৰ এক সুস্থ চৰ্চা হোৱা উচিত। এনে সন্ধিক্ষণত সকলো জাতি জনজাতি একত্ৰিত হৈ মাৰবান্ধি ওলাই নাহিলে শোষণ বঞ্চনাৰ পৰা খাতিখোৱা মেহনতী জনতাৰ প্ৰগতি অসম্ভৱ।

*লেখিকাৰ ঠিকনা ঃ বোকাখাত*
*ম'বাইল ঃ ৬০০১১৪৪০১৬*

# বিষ্ণু প্ৰসাদ ৰাভাৰ কবিতা আৰু গীতত বৈপ্লৱিক চিন্তাধাৰা : এটি অৱলোকন

প্ৰতি বছৰে ২০ জুন আহিলেই আমাৰ ৰাজ্যত চৰকাৰী বা বেচৰকাৰী ভাৱে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত জাকজমকতাৰে বিভিন্ন বৰ্ণাঢ্য কাৰ্যসূচীৰে বিষ্ণু প্ৰসাদ ৰাভাৰ মৃত্যু দিৱসটিক ‘ৰাভা দিৱস’ হিচাপে উদ্‌যাপন কৰি থকা হৈছে। নিঃসন্দেহে, এয়া এটা জাতিৰ বাবে খুবেই সুন্দৰ পদক্ষেপ। সাধাৰণতে, এই দিৱসটিত বিষ্ণুপ্ৰসাদ ৰাভা দেৱক এজন কলাৰ পূজাৰী বা কলাগুৰুৰূপে মূল্যায়ন কৰা হয়। কিন্তু, এয়াই একমাত্ৰ ৰাভা দেৱৰ প্ৰকৃত পৰিচয় নে? নে ইয়াৰ মাজতো কোনো ৰাজনৈতিক অভিসন্ধি লুকাই আছে? এদিন কোচবিহাৰৰ এখন মহাবিদ্যালয়ৰ দেৱালে দেৱালে লিপিবদ্ধ তেওঁৰ অগ্নি-বৰ্ষী লেখাৰ বাবে

“ৰাজ্যে আছে দুইটি পাঠা
একটি কালো একটি সাদা,
দেশেৰ যদি মঙ্গল চাও
দুইটি পাঠাই বলি দাও।”

বৃটিছ শাসক তথা দেশৰ শাসক গোষ্ঠীৰ হৃদয়ত প্ৰৱাহিত হৈছিল তীব্ৰ কম্পন। তেওঁৰ এই বিপ্লৱী সত্তাক স্বাধীন ভাৰতৰ চৰকাৰেও যে নিশ্চয়কৈ জনগণৰ মাজত জাগ্ৰত কৰাৰ বাবে কোনো অগ্ৰগামী ভূমিকা পালন কৰিব বুলি আশা কৰা মানে পৰ্বতত কাছৰ কণী বিচৰা। কাৰণ, বিষ্ণুপ্ৰসাদ ৰাভাই সক্ৰিয় কমৰেড হিচাপে অংশ গ্ৰহণ কৰা বিপ্লৱী কমিউনিষ্ট দলক (Revolutionary Communist party) ভাৰতৰ কেন্দ্ৰীয় চৰকাৰে নিষিদ্ধ ঘোষণা কৰাৰ বাবে ১৯৪৮ চনৰ পৰা ১৯৫২ চনলৈকে অসমৰ বিভিন্ন ঠাইত বিষ্ণু ৰাভাই হালোৱা-হজুৱাৰ বেশেৰে আত্মগোপন কৰিবলগীয়া হৈছিল। আত্মগোপন কৰি থকাৰ সময়তো বিষ্ণু ৰাভাৰ সমগ্ৰ কবিতা আৰু গীতত শাসক তথা শোষক শ্ৰেণীৰ বিৰুদ্ধে তীব্ৰ হুংকাৰ ফুটি উঠিছে, -



নাছিৰ আহমেদ

‘দুখীয়াৰ কলিজা নিঙাৰি ল’ব,
টুপি টুপি তেজ শুহি শুহি পিব,
ৰুকি ৰুকি মঙহ চোবাই খাব,
কুৰুকি হাড় কেইডালো চোবাব,
হুচিয়াৰ! হুচিয়াৰ!
ধনী! মহাজন! জমিদাৰ!
হুচিয়াৰ! হুচিয়াৰ! হুচিয়াৰ !!
বিপ্লৱ পথেৰে যাত্ৰী আমি।”

যাৰ ফলত ভাৰতৰ শাসক শ্ৰেণীটোৱে বিষ্ণুপ্ৰসাদ ৰাভাক গ্ৰেপ্তাৰ কৰিবলৈ সম্পূৰ্ণৰূপে সাজু হৈ পৰিছিল।

এনেকি সেই সময়ৰ অসমৰ কংগ্ৰেছ শাসিত ৰাজ্যিক চৰকাৰৰ তদানীন্তন মুখ্যমন্ত্ৰী বিষ্ণু ৰাম মেধিয়ে খঙত অগ্নিশৰ্মা হৈ তেওঁৰ মূৰৰ দাম দহ হেজাৰ টকা ঘোষণা কৰিছিল। অৱশেষত ১৯৫২ চনত অবিভক্ত গোৱালপাৰা জিলাৰ বৰ্তমান কোকৰাঝাৰ জিলাৰ দোতমা ৰাজহ চক্ৰৰ ঘিলাগুৰি গাঁৱত অসম চৰকাৰৰ পুলিচ প্ৰশাসনে তেওঁক সপত্নীক গ্ৰেপ্তাৰ কৰি দুহাতে ৰছীৰে বান্ধি জেললৈ প্ৰেৰণ কৰিছিল ; অথচ সেই সময়ত তেওঁ কেন্সাৰ ৰোগত আক্ৰান্ত হৈ দুৰ্বিসহ যন্ত্ৰণা ভুগি আছিল।

সাম্যবাদী ভাৱধাৰাৰ বিপ্লৱী বিষ্ণু প্ৰসাদ ৰাভাই কেতিয়াও শাসক তথা শোষক শ্ৰেণীৰ ওচৰত নতজানু নহৈ প্ৰতি মুহূৰ্ত্তত কবিতা আৰু গীতৰ মাজেৰে সমূহ শাসক আৰু শোষক শ্ৰেণীৰ বিৰুদ্ধে তীব্ৰ হুংকাৰ ফুটি তুলিছিল।

“ধনী! মহাজন! জমিদাৰ!!
হুচিয়াৰ! হুচিয়াৰ! হুচিয়াৰ!
বিপ্লৱ পথেৰে যাত্ৰী আমি
সৰ্বহাৰাৰে মুক্তিকামী
চুৰ্ণ কৰিম আমি সংগ্ৰামী
দৰ্প ধনীৰ -পণ আমাৰ।
হুচিয়াৰ! হুচিয়াৰ! হুচিয়াৰ!!”

বিষ্ণু ৰাভাই কৃষক -বনুৱাৰ প্ৰকৃত সত্তাও বিভিন্ন কবিতা আৰু গীতৰ মাজেৰে প্ৰকাশ কৰিছে।

“ তই নিজে অনন্ত বিশাল !
দহ শত ফণা তুলি এৰি বিষ -জাল
তই অগ্নিগিৰি
অগনি উগাৰি
জ্বলা জ্বলা শত লক্ষ পাপ অনৰ্গল
হয় দাবানল।”

অৰ্থাৎ তেওঁৰ মতে কৃষক -বনুৱাৰ ভিতৰত থকা অন্তৰ্নিহিত গুণ সমূহ হ’ল, তেওঁলোক সীমাহীন বিশাল পৰিসৰৰ। প্ৰয়োজন সাপেক্ষে শত সহস্ৰ ফণা তুলি সমস্ত বিষ-জাল এৰি দি এক জ্বলন্ত অগ্নিগিৰি হৈ অগ্নি উদ্‌গাৰণ কৰি জুইৰ লেলিহান শিখা বিস্ফোৰণ ঘটাই সকলো এপিনৰ পৰা ধ্বংসস্তুপত পৰিণত কৰাৰ অটুট শক্তি কৃষক -বনুৱাৰ মাজত আছে।

কেৱল সেয়ে নহয়, বিষ্ণু প্ৰসাদ ৰাভাই উল্লেখ কৰিছে যে, কৃষক -বনুৱা সকল হিম-গিৰি- শৃংগ গগণ চুম্বন উচ্চতা মৌন গম্ভীৰতা, প্ৰশান্তৰ গম্ভীৰতা,উৰ্মিময় সাগৰৰ মহা অসীমতা, কল্লোলময়ী বিশালতা ।

কৃষক -বনুৱা সকল হৈছে শক্তিৱান ক্ষীণ ঋষি দধীচি মহান ; যাৰ অস্থি মহা-অস্ত্ৰ,শোষকৰ মহা শস্ত্ৰ। ইয়াৰ আগলৈকে কোনোৱে কৃষক -বনুৱা সকলৰ মাজত থকা এনে অনন্ত বিশালতা, গভীৰতা, উচ্চতা, অগ্নিগিৰি দাবানল, ঋষি দধীচিৰ মহা শক্তিশালী অস্থি মহা-অস্ত্ৰ, শোষকৰ মহা শস্ত্ৰ বুলি গণ্য কৰা নাছিল। বিষ্ণু ৰাভাই কৃষক সকলক বাৰে বাৰে সোঁৱৰাই দিছে---

“হেৰ’ কৃষক
প্ৰথম বিপ্লৱী বীৰ প্ৰকৃতিৰ বক্ষ
বিদাৰক
পোনে পোনে তয়ে লখিমীক
লভিছিলি।”

অৰ্থাৎ বিশ্বৰ বুকুত কৃষক সকলেই হৈছে প্ৰথম বিপ্লৱী ; যিয়ে প্ৰকৃতিৰ বুকু ফালি প্ৰথমতে সোণৰ লখিমী ৰূপী সেউজ -সোণোৱালী শস্য উৎপাদন কৰিছিল। অথচ,

“ আজিনো লখিমী ক’ত? ক’ত
হেৰুৱালি? -
লোকৰ ফাঁকিত পৰি বলি
শোষণৰ দাস-মজুৰ- শ্ৰমিক।
ধিক্ ধিক্ জীৱনত ধিক্ !”

তেওঁ কৃষকৰ মনত ক্ষোভৰ উদ্‌গীৰণ ঘটোৱাৰ বাবে লিখিছে -



“হেৰ’ নিলাজ!
মুকুতিৰ সেনা -সাজে সাজে সাজ!
ব’ল ব’ল ব’ল আগবাঢ়ি
কৰিব লাগিব আজি লখিমী
উধাৰ।”
“হেৰ’ কমাৰ!
বিদ্ৰোহী বিপ্লৱী যুগান্তৰ মথ-
সৃষ্টিকৰ।
মহতী সভ্যতা তোৰে দান।
জগতৰ নৱ নৱ যুগ সভ্যতাৰ
মহা মহা স্ৰষ্টা সৃষ্টিকাৰ।”

বিষ্ণু ৰাভাৰ মতে শ্ৰমিক ৰূপী কমাৰ সকলেই হৈছে যুগ-যুগান্তৰৰ বিদ্ৰোহী বিপ্লৱী মহতী সভ্যতাৰ স্ৰষ্টা, জগতৰ নৱ নৱ সভ্যতাৰ তেওঁলোকেই হৈছে মহা মহা স্ৰষ্টা। বিষ্ণু ৰাভাই কৃষক-বনুৱা সকলক সোঁৱৰাই দিছে -

“তয়েই খুৱাৰ বিশ্ববাসীক
মাটি ফালি ধান
তয়েই যুগাৱ ধনী শ্ৰেণীক
অস্ত্ৰ শক্তিমান
কাৰখানা -কল তোৰেই সৃজন
পথাৰ সুবহল।
নাঙল,কাঁচি, হাতুৰী,দাৰ
যাদুকৰী ফল।
তোৰ বাহুতে আগবাঢ়ি যাওঁ।”

অৰ্থাৎ কৃষক সকলে শস্য উৎপাদন কৰি বিশ্বৰ সকলো মানুহক খাদ্য- সামগ্ৰী যোগান ধৰে । শ্ৰমিক সকলে শ্ৰম কৰি এই পৃথিৱীৰ সকলোকে অত্যাৱশ্যকীয় সামগ্ৰী, যান-বাহন, বহল যাতায়ত ব্যৱস্থা, বৃহৎ বৃহৎ ব্যৱসায় প্ৰতিষ্ঠান, অত্যাধুনিক ভৱন আদি নিৰ্মাণ কৰি মানৱ -সভ্যতাক ক্ৰমে উত্তৰোত্তৰ সমৃদ্ধিশালী কৰি আহিছে ; অথচ তেওঁলোক সদায় লাঞ্চিত, বঞ্চিত, শোষিত, নিৰ্যাতিত -নিপীড়িত হৈ আছে। সেয়ে সাম্যবাদী ভাৱধাৰাৰ জনতাৰ শিল্পী বিষ্ণু ৰাভাই এখন শোষণহীন সৰ্বহাৰা শ্ৰেণীৰ সমাজ ব্যৱস্থা গঢ়াৰ মানসেৰে কৃষক -বনুৱা সকলক বিপ্লৱী কবিতা আৰু গীতেৰে জাগ্ৰত কৰিব বিচাৰিছিল , এনেদৰে -

“জাগ জাগ জাগ মজদুৰ নজোৱান
নিৰ্যাতিত -নিপীড়িত কৃষক
শক্তিমান,
তোৰ বাহুতে আছে লুকাই অসীম
শক্তিবল,
ৰণৰ শিঙা বাজে শুন ও
আগবাঢ়ি যাওঁ বল।”

নিৰ্যাতিত -নিপীড়িত কৃষক -বনুৱাৰ সকলৰ মাজতেই লুকাই আছে অসীম শক্তি। সেয়ে তেওঁলোকে ৰণৰ শিঙা বজাৰ লগে লগে যুদ্ধৰ সাজেৰে সাজিকাচি ওলাই যাবলৈ হ’ল।

ৰাইজেই ৰজা ‘‘অসমীয়া সমাজৰ এই প্ৰাচীন সাম্যবাদী ভাৱধাৰা আৰু সংস্কৃতিৰ স্বৰূপ বিষ্ণু ৰাভাই ভালকৈ উপলব্ধি কৰিছিল। তেওঁৰ বিপ্লৱী জীৱনৰ অজ্ঞাত বাসৰ সময়ৰ কথা কওঁতে তেওঁ নিজেই কৈছে -

“ৰাইজৰ মৰম-চেনেহ আমাৰ ৰক্ষাকৱচ, ৰাইজৰ আশীষেই আমাৰ পাশুপাত অস্ত্ৰ। এই ৰক্ষাকৱচ আৰু পাশুপাত অস্ত্ৰ লৈয়েই বিষ্ণু ৰাভাই এখন শোষণহীন সৰ্বহাৰা শ্ৰেণীৰ সমাজ ব্যৱস্থা গঢ়ি তুলিব বিচাৰিছিল।

সেয়ে, বিষ্ণু ৰাভাই কৃষক -বনুৱাক বৈপ্লৱিক গীতেৰে আহ্বান জনাইছে-

“ব’ল্ ব’ল্ ব’ল্ ব’ল্
কৃষক শক্তিৰ দল
অ’ বনুৱা সমনীয়া
আগ বাঢ়ি যাওঁ ব’ল।
জাগ্ জাগ্ জাগ্ জাগ্
মজদুৰ ন-জোৱান।
নিৰ্যাতিত -নিপীড়িত
কৃষক শক্তিমান।”

নিৰ্যাতিত -নিপীড়িত কৃষক -বনুৱা সকলে টোপনিত লালকাল যোৱাৰ এয়া সময় নহয়, যুদ্ধৰ সাজেৰে সাজিকাচি ওলাই আগবাঢ়ি আহি যুদ্ধক্ষেত্ৰত উপস্থিত হোৱাৰ এয়া সময় সমাগত।

আকৌ তেওঁ উদাত্ত ভাৱে গাইছে, -

“ধ্বংস কৰ্ ধ্বংস কৰ্
ধনীৰ অহংকাৰ ।
দয়া মায়া নকৰিবি
ক্ষমাৰ দিন যে গ’ল।
হাল,কোৰ দা, হাতুৰি লৈ
ৰণলৈ যাওঁ ব’ল।”

বিপ্লৱী শিল্পী বিষ্ণু ৰাভাই বাৰে বাৰে কৃষক বনুৱা সকলক যুদ্ধক্ষেত্ৰত আগবাঢ়ি যাবলৈ কৈছে যদিও তেওঁ সশস্ত্ৰ সংগ্ৰামৰ পথ বাচি লবলৈ তেওঁলোকক আহ্বান জনোৱা নাই। ধ্বংসাত্মক আগ্নেয় অস্ত্ৰ ব্যৱহাৰ কৰাৰ বাবে আহ্বান জনোৱা নাই ; যুদ্ধক্ষেত্ৰত কৃষক -বনুৱা সকলৰ সমল হাল, কোৰ, দা, হাতুৰি লৈহে যাবলৈ কৈছে।

কিন্তু, এটা ক্ষেত্ৰত তেওঁ দৃঢ়ভাৱে অনুভৱ কৰিছিল যে, ধনী,মহাজন আৰু জমিদাৰ শ্ৰেণীৰ শোষণ বন্ধ কৰিব নোৱাৰিলে কৃষক -বনুৱা সকলে কেতিয়াও অৰ্থনৈতিক মুক্তি লাভ কৰিব নোৱাৰিব। সেয়ে সাম্যবাদী ভাৱধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত হৈ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই ধনী, মহাজন আৰু জমিদাৰ শ্ৰেণীৰ শোষণৰ পৰা পৰিত্ৰাণ পাবলৈ হ’লে প্ৰয়োজন সাপেক্ষে সশস্ত্ৰ সংগ্ৰামৰ পথো বাচি লব লগা হ’ব পাৰে। সেয়ে বিষ্ণু ৰাভাই বিপ্লৱী গীতৰ ঝংকাৰ সৃষ্টি কৰি কৃষক -বনুৱা সকলক সশস্ত্ৰ সংগ্ৰাম কৰিবলৈ তীব্ৰ ভাৱে আহ্বান জনাইছে -

“ ভাঙ্ ভাঙ্ ভাঙ্ ভাঙ্
লোহাৰ শিকলি ভাঙ্
ছিঙ্ ছিঙ্ ছিঙ্ ছিঙ্
দাসৰ বান্ধোন ছিঙ্
খোল খোল খোল খোল
কাৰাৰ ফাটক খোল,
ভাঙ্ ভাঙ্
দুৱাৰৰ দাং।”

এইখিনিতে বিষ্ণু ৰাভাই সম্পূৰ্ণ ৰূপে সশস্ত্ৰ সংগ্ৰামৰ পথত অগ্ৰসৰ হোৱা পৰিলক্ষিত হৈছে; যাৰ বাবে তেওঁ ভাৰতৰ স্বাধীন চৰকাৰৰ হাতত প্ৰহৃত হ’ব লগা হৈছিল। ছদ্মবেশেৰে কেইবা বছৰ আত্মগোপন কৰিবলগীয়া হৈছিল। শেষত কাৰাবাস খাটি অতি শীঘ্ৰে কৰুণ মৃত্যুক আকোঁৱালি লৈছিল।

সাম্প্ৰতিক কালতো অসম তথা ভাৰতীয় সমাজত শাসক আৰু শোষক শ্ৰেণীৰ দেশৰ কোটি কোটি আপাম’ নিৰীহ জনতা আৰু কৃষক -বনুৱা আদি শোষিত শ্ৰেণীৰ ওপৰত বিভিন্ন ধৰণে অন্যায়, অবিচাৰ, অত্যাচাৰ, শোষণ, নিৰ্যাতন, হত্যা, লুট, ধৰ্ষণ আদি অনৈতিক কাৰ্য্যসমূহ তীব্ৰতৰ ভাৱে বৃদ্ধি পাই আছে। সাম্যবাদী ভাৱধাৰাৰ জনতাৰ শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দেৱৰ বৈপ্লৱিক চিন্তাধাৰাৰ এতিয়াও প্ৰাসংগিকতা আছে। সেয়ে, প্ৰগতিশীল চিন্তাধাৰাৰ কবি ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই সাম্যবাদী ভাৱধাৰাৰ বিপ্লৱী কবি বিষ্ণু প্ৰসাদ ৰাভাক উদ্দেশ্য কৰি লিখিছে -

“বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি?
ডাচকেপিটেলৰ বহু পৃষ্ঠা বাকী।”
(বিষ্ণু ৰাভা এতিয়া কিমান
ৰাতি?)

*ঠিকনা ঃ শিমলাবাৰী, গোৱালপাৰা*
*ভ্ৰাম্যভাষ ঃ ৯১০১৪৬৫৮০৫*

---

# বিপ্লৱী বিষ্ণু ৰাভা

বিষ্ণুপ্ৰসাদ ৰাভাৰ শিল্পীসত্তাই, সংগ্ৰামী চেতনাই প্ৰাণ পাই উঠিছিল ছাত্ৰাৱস্থাতে। পঢ়া-শুনা, খেলা-ধূলা, নৃত্য-গীত, চিত্ৰ-ভাস্কৰ্যত পাৰ্গত ছাত্ৰ ৰাভাই ভিক্টোৰিয়া কলেজত পঢ়ি থাকোঁতে লক্ষ্য কৰিছিল যে বিদেশী শাসক আৰু তেওঁলোকৰ অনুগত এচাম দেশীয় শাসকে জনসাধাৰণক ভৃত্যৰ দৰে আচৰণ কৰে। বিষ্ণু ৰাভাৰ স্বাধীনচিতীয়া মনে সেয়া সহ্য কৰিব পৰা নাছিল। সেইবাবেই তেওঁ ৰাজপ্ৰাসাদৰ সিংহ দুৱাৰত আৰিছিল পদ্য-পোষ্টাৰ - “ৰাজ্যে আছে দুইটি পাঠা/ একটি কালো একটি সাদা/ ৰাজ্যেৰ যদি মংগল চাও/ দুইটি পাঠাই বলি দাও।” ৰাভাৰ সেই কাৰ্যৰ কথা গোপন হৈ নাথাকিল। যাৰ বাবে ৰাভাৰ ওপৰত শাসকৰ কোপ-দৃষ্টি পৰিল আৰু ফলত ৰাভাই কোচবিহাৰ এৰিব লগা হ’ল। এইবাৰ ৰাভা পালেগৈ ৰংপুৰৰ কাৰমাইকেল কলেজ। তাতো ৰাভা শান্তিৰে থাকিব নোৱাৰিলে। ৰাভাৰ গতি-বিধিৰ ওপৰত পুলিচ-চোৰাংচোৱাৰ চোকা দৃষ্টি পৰিল। ৰাভা থকা হোষ্টেলতো সঘন তালাচী চলিল। ফলত ৰংপুৰক বিদায় দিবলৈ ৰাভা বাধ্য হ’ল। তাৰ লগে লগে সম্ভাৱনাপূৰ্ণ ছাত্ৰ জীৱন এটাৰো সামৰণি পৰিল।



দিলীপ কুমাৰ ভট্টাচাৰ্য

১৯৪৭ চনত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে ঠিকেই ; কিন্তু সেই স্বাধীনতাক লৈ ৰাভা সন্তুষ্ট নহ’ল। সেই স্বাধীনতাক তেওঁ ভুৱা স্বাধীনতা বুলি কৈছিল। তেওঁৰ কাব্যিক ভাষাত- “এমুঠি ধনীৰ হ’ল সুখ/ কোটি কোটি ৰাইজৰ হ’ল/ বিধে বিধে দুখ/ এয়ে হ’ল স্বাধীনতা, ভুৱা স্বাধীনতা/ কোটি কোটি মানুহৰ ঘৃণ্য স্বাধীনতা।” ক্ষমতাৰ হস্তান্তৰে জনসাধাৰণৰ দুখ-দুৰ্গতি মোচন কৰিব নোৱাৰে বুলি তেওঁ উপলব্ধি কৰিলে। সমাজত অৰ্থনৈতিক বৈষম্য থকালৈকে জনসাধাৰণৰ বিলাই-বিপত্তিৰ ওৰ নপৰে বুলি তেওঁৰ ধাৰণা গাঢ় হ’ল, তেওঁ লিখিলে - “কাৰখানা-কল আমাৰ সৃজন/ পথাৰ সুবহল... / তেওনো কিয় আমাৰ এনে/ আলৈ-বিলৈ হ’ল।” পৰিত্ৰাণৰ উপায়? তেওঁৰ দৃষ্টিত - “অ’ হলোৱা অ’ বনুৱা/ গা তুলিবৰ হ’ল/ ৰঙা তেজৰ নিচানটি লৈ/ আগ বাঢ়ি যাওঁ ব’ল।” শ্ৰেণী-চেতনা সম্পৰ্কে তেওঁ সজাগ হ’ল। ৰঙা তেজৰ নিচান উৰুৱাবলৈ তেওঁ বিপ্লৱী সাম্যবাদী দলৰ লগত সংযুক্ত হ’ল। স্বাধীন চৰকাৰৰ ৰোষৰ পৰা বাচিবলৈ ১৯৪৮ চনত তেওঁ আত্মগোপন কৰিলে। তেওঁৰ ভাষাত ‘অজ্ঞাতবাসী’ হ’ল। অৰ্থনৈতিক স্বাধীনতাৰ বাবে তেওঁ কৃষক, বনুৱা আৰু মহিলাসকলক সংগঠিত কৰাত লাগিল। এহাতত ষ্টেনগান আৰু আনহাতত কলম লৈ দিহিঙে-দিপাঙে ঘূৰি সংগঠন আৰু সৃষ্টি সমানে কৰি গ’ল। কৃষক-শ্ৰমিকক জগাই তুলিবলৈ তেওঁ গান ৰচিলে - “জাগ জাগ জাগ জাগ/ মজদুৰ ন-জোৱান/ নিৰ্যাতিত নিপীড়িত কৃষক শক্তিমান।” শোষিত জনতাক তেওঁ আহ্বান জনালে- “ভাং ভাং ভাং ভাং/ লোহাৰ শিকলি ভাং/ ছিং ছিং ছিং ছিং/ দাসৰ বান্ধোন ছিং।” তেওঁ মুক্তি ফৌজ, নাৰী মুক্তি সংঘ আৰু কৃষক- বনুৱা পঞ্চায়ত গঠন কৰি ৰাইজক নিজৰ অধিকাৰ সম্পৰ্কে সজাগ কৰাত ব্ৰতী হ’ল। মুক্তি ফৌজৰ বাবে তেওঁ ‘ৰণ-নীতি আৰু ৰণ-কৌশল’ নামৰ এখন সচিত্ৰ পুস্তিকা প্ৰস্তুত কৰিছিল। সৰ্বভাৰতীয় পৰ্যায়ত ব্যৱহাৰৰ বাবে তাৰেই পৰিবৰ্ধিত ৰূপ এটা ইংৰাজীত প্ৰস্তুত কৰিছিল- Tactics ও Strategy of Revolution নামেৰে। পুলিচ-চোৰাংচোৱাৰ পৰা বাচিবলৈ পলাই ফুৰোঁতে আন বহু ৰচনা হেৰোৱাৰ দৰে সেই দুখনো হেৰাল।

ৰাভাই জনগণক প্ৰাণভৰি ভাল পাইছিল আৰু সেইবাবেই নিপীড়িত, নিষ্পেষিত, অৱহেলিত জনগণৰ হকে কাম কৰাৰ তাগিদা অনুভৱ কৰিছিল। সেই তাগিদা উপৰুৱা নাছিল বাবেই উত্তৰাধিকাৰী সূত্ৰে পোৱা দুহেজাৰ বিঘা মাটি আধিয়াৰ কৃষকসকলক এৰি দিব পাৰিছিল, পুলিচৰ উচ্চপদস্থ চাকৰিৰ প্ৰস্তাৱ হেলাৰঙে ত্যাগ কৰিব পাৰিছিল। পৰৱৰ্তী সময়ত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চাকৰিৰ প্ৰস্তাৱো অগ্ৰাহ্য কৰিছিল। খাটিখোৱা জনগণৰ মাজত সোমাই পৰি ৰাভাই তেওঁলোকক ওচৰৰ পৰা নিৰীক্ষণ কৰিছিল। দেশৰ দুখীয়া- নিছলা জনগণৰ দুখ-দুৰ্দশাই তেওঁক ব্যথিত কৰি তুলিছিল। সেইসকলৰ প্ৰতি সমাজে কৰা বঞ্চনা, অৱহেলাক ৰাভাই সহজভাৱে ল’ব পৰা নাছিল। তেওঁ জনজাতিসকলৰ ক্ষোভ-বেদনাৰ উমান কাহানিবাই পাইছিল। কাৰণ তেওঁ আছিল অসমত বাস কৰা বিভিন্ন জাতি-গোষ্ঠীৰ মনৰ খবৰ ৰাখোঁতা। ত্ৰিশৰ দশকৰ আৰম্ভণিতে তেওঁ ‘আৱাহন’ৰ পাতত সকীয়নি দিছিল এনেদৰে- “অসমৰ অত্যাচাৰিত আৰু অৱনত জাতিসমূহক আন আন উন্নত জাতিৰ লগত একে আসনতে ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতিজ্ঞ আৰু সমাজনেতাসকলে এতিয়াৰ পৰা চেষ্টা কৰা উচিত। তাকে নকৰিলে অনুন্নত জাতিসমূহৰ বুকুত বিদ্ৰোহৰ অগনি জ্বলাই অসমত আৰু এটা গৃহকন্দলৰ বাহ সাজি দিয়া হ’ব।” শোষিত জনগণৰ প্ৰতি ৰাভাৰ সমমৰ্মিতা আছিল বাবেই তেওঁ জনগণৰ বুকুৰ কুটুম হ’ব পাৰিছিল, জননায়কত পৰিণত হৈছিল। অজ্ঞাতবাসৰ কালছোৱাত ৰাভাক বিচাৰি উলিওৱাত পুলিচ-চোৰাংচোৱা ব্যৰ্থ হোৱাত, জীৱিত বা মৃত অৱস্থাত ৰাভাক ধৰাই দিলে দহ হেজাৰ টকাৰে পুৰস্কৃত কৰা হ’ব বুলি ঘোষণা কৰা সত্বেও ধৰাই দিওঁতা ওলোৱা নাছিল। ৰাভাৰ অভিনয় প্ৰতিভাও এইক্ষেত্ৰত সহায়ক হৈছিল। অৱশ্যে ১৯৫২ চনত ৰাভা ধৰা পৰিল আৰু এবছৰ জে’ল হ’ল। জনগণৰ লগত থকা প্ৰাণৰ সম্পৰ্কই ৰাভাক সৃষ্টিশীল কৰি তুলিছিল আৰু সেইবাবেই তেওঁৰ সৃষ্টিত সেইসকলৰ দুখ-দুৰ্গতিৰ ছবিখন প্ৰতিফলিত হৈছিল। তেওঁৰ গীতত পাওঁ - “গাম পীড়িতৰ চিৰ-বিজয়ৰ গান/ ফিৰাই আনিম দলিতৰ সন্মান/ মৰা জগতৰ



হৃদয়ত ঢালি প্ৰাণ/ পাতিম ধৰাত চিৰ-শান্তিৰ উদ্যান।” শ্ৰেণীহীন- শোষণহীন সমাজ গঢ়াৰ তাড়নাই ৰাভাক প্ৰথমে সশস্ত্ৰ সংগ্ৰামী কৰি তুলিছিল যদিও পিছলৈ ৰাভাই সেই পথ ত্যাগ কৰিছিল। সেই পথেৰে গ’লে নিৰীহ জনতাৰ অধিক হানি-বিঘিনি হোৱাৰেই আশংকা। হয়, গণতান্ত্ৰিক সংগ্ৰামৰ বিকল্প নাই। সেই পথেই প্ৰতিৰোধৰ প্ৰকৃত পথ। মাথোঁ তাৰ বাবে জনগণক সংগঠিত কৰিব লাগিব। বিভিন্ন কাৰণত ৰাভাই বিচৰা শ্ৰেণীহীন-শোষণহীন সমাজখন প্ৰতিষ্ঠা নহ’ল। তথাপি শোষিত-পীড়িত জনগণক তেওঁলোকৰ অধিকাৰ সম্পৰ্কে সজাগ কৰিবলৈ ৰাভা বহু পৰিমাণে সক্ষম হ’ল। সমান্তৰালভাৱে সৃষ্টি হ’ল ভালেসংখ্যক গীত, কবিতা, নাটক, চুটিগল্প আৰু অন্যান্য ৰচনাৰ। তাৰে বহুখিনি হেৰাল যদিও অৱশিষ্ট ৰচনাৰাজিয়ে অসমীয়া সাহিত্য-সংস্কৃতিক আজিও জীপাল কৰি ৰাখিছে।

*ঠিকনা ঃ কোচগাঁও, বিশ্বনাথ চাৰিআলি*
*ম’বাইল ঃ ৮৬৩৮৬০৩১৩৪*

---

# জনতাৰ শিল্পী কলাগুৰু



অসমৰ আকাশত তুমি উদিত সূৰ্য্য
আন্ধাৰ নাশি সমাজৰ
চিৰ যুগমীয়া তুমি কলাগুৰু
গীত, নৃত্য, অভিনয় ,সাহিত্যৰ কাণ্ডাৰী
মুক্তি যুঁজাৰু তুমি আন্দোলন কৰি।।
তোমাৰ বাটেৰে বাট চাই চাই
অসমীয়া জাতি যায় আগুৱাই।
শত শত প্ৰণাম তোমাৰ চৰণ পখালি
দীপ্তমান সূৰ্য্যটি মাৰ যাব খুজিলে পশ্চিম আকাশতে ডুবি
আহিবা নে আকৌ এবাৰ দিশ দেখাবলৈ, পোহৰ সানিবলৈ
ভুল যদি কৰোঁ আমি অসমীয়াই, ঠগো যদি অসমীয়াই অসমক বেচি
আহিবা নে চিৰ পূজ্য আৰাধ্য তুমি
পথ পদৰ্শক ৰূপে পুনৰ আমাৰ মাজলৈ ঘূৰি।।
শত সহস্ৰ গুণৰ অধিকাৰী, অসীম সাহসী
কলাগুৰু বিভূষিত সাধক তুমি।
নেদেখা দুৰণিৰ পৰা আশীৰ্বাদ কৰিবা প্ৰেৰণ
কৰোঁ যদি ভুল আমি শুধৰাই দি।।
প্ৰণাম প্ৰাণৰ স্পন্দন তুমি , তেজাল সূৰুযৰ দীপ্ত
স্বাধীনতা আন্দোলনৰ আছিলা সেনানী তুমি।
সমাজ সংস্কাৰক হৈ আকৌ এবাৰ আহা নামি
কলুষিত বিপথগামী সমাজক উদ্ধাৰৰ হেতু, জগাই তোলা আহি।।
যুগে যুগে মহিয়ান হে মোৰ জনশিল্পী
প্ৰণাম তোমাক হিয়া উজাৰি।
থাকে মানে আকাশত জিলিকি জোন, বেলি, তৰা ৰূপালী
আমাৰ প্ৰাণত থাকিবা চিৰদিন, মনৰ থাপনাত থৈছোঁ আসন পাৰি।।

✍ অৰ্ণৱ কটকী
কবিৰ ঠিকনা ঃ জাঁজী যোৰহাট

---

# তেওঁ হেনো বিষ্ণুপ্ৰসাদ ৰাভা

✍ বিপাশা বৰা

তেওঁ হেনো বিষ্ণুপ্ৰসাদ ৰাভা,
বৰলুইতৰ দৰে বিশাল যাৰ শিল্পীসত্তা
কোনো কোনোৰৰ মতে আকৌ তেওঁ
দ্বিতীয়জন শংকৰদেৱ,
আন কোনোৰ মতে আকৌ তেওঁ
চুফীৰ পূৰ্ণমানৱ...

তেওঁ আমাৰ এজন ভোটাতৰা
যাৰ জ্যোতিৰে গোটেই অসমকে পোহৰাইছে,
প্ৰেমিক ৰাভা তেওঁ, বিপ্লৱী তেওঁ,
তেৰেঁই হৈছে জনদৰদী শিল্পী,
হয় তেৰেঁই বিষ্ণুপ্ৰসাদ ৰাভা।

কৃষ্টিৰ পূজাৰী তেওঁ
অসমীয়া সমাজৰ প্ৰতিভাশালী ব্যক্তি
তেওঁ
সংগ্ৰামী জীৱনৰ প্ৰেৰণাৰ উৎস তেওঁ,
তেৰেঁই নম্ৰতা আৰু সততাৰ প্ৰতীক,
হয় তেৰেঁই বিষ্ণুপ্ৰসাদ ৰাভা।

অসমীয়া সাহিত্যৰ যাদুকৰ তেওঁ
গীতৰ জোৱাৰ তোলা এক অসাধাৰণ
শিল্পী তেওঁ,
প্ৰতিভাৰ অসীম শিখৰ তেওঁ,
অসীমৰ মৌ-সনা সোঁৱৰণী তেওঁ,
হয় তেৰেঁই বিষ্ণুপ্ৰসাদ ৰাভা।

*কবিৰ ঠিকনা ঃ মাজুলী*

---

# বিষ্ণু প্ৰসাদ ৰাভাৰ গীত আৰু কাব্যত বামপন্থী চিন্তাৰ প্ৰকাশ



সমুজ্জ্বল ডেকা

কলাগুৰু ৰূপে জনাজাত অনেক প্ৰতিভাসম্পন্ন বিষ্ণু প্ৰসাদ ৰাভাই সমাজ জীৱনৰ সুখ-দুখ তথা ভিন্ন সংগ্ৰামৰ বৃষ্টি নিজৰ সৃষ্টিৰ মাজেৰে প্ৰকাশ কৰে।

১) ঐতিহ্য-চেতনা ঃ ৰাভাৰ গীত-কবিতাত অতীতপ্ৰীতিৰ কিছু আভাস পোৱা যায়। অৱশ্যে, ৰাভাৰ বস্তুনিষ্ঠ ইতিহাস চেতনা তেওঁৰ ‘মানৱ জাতি’, ‘অতীত অসম’ আদি প্ৰবন্ধতহে সুন্দৰকৈ ফুটি উঠিছে। শংকৰ-মাধৱৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত ৰাভাই শান্তি আৰু সাম্য-মৈত্ৰীৰ সুন্দৰ সমাজ এখন গঢ়া দিয়াৰ নিমিত্তে গীত আৰু কবিতাৰে ৰাইজক দুজনা গুৰুৰ আদৰ্শ ল’বলৈ আহ্বান জনাইছে। “অ’ গুৰু মোৰ শংকৰ তৰিবৰ এ কিনো উপায়” বুলি এটি হৃদয়স্পৰ্শী গীতি কবিতা ৰচনা কৰি লোকগীতৰ সুৰত তেওঁ নিজে পৰিৱেশন কৰি ৰাইজৰ হৃদয় জয় কৰিছিল। আহোম বুৰঞ্জীৰ মহীয়সী নাৰী জয়মতী আইৰ আত্মত্যাগ আৰু দেশপ্ৰেমৰ কাহিনীৰে গীতিকবিতা লিখি হৃদয়স্পৰ্শী কৰুণ সুৰেৰে পৰিৱেশন কৰি অসমীয়া জীয়ৰী-বোৱাৰীক উদ্বুদ্ধ কৰিছিল—

“জয়া নাই... জয়া নাই...
জয়সাগৰৰ বুকুৰ মাজত উঠে চকুলোৰে ঢল,
মলয়াই তোলে হিয়াভগা সুৰ, কৰুণ বিননী ৰোল
জয়া নাই জয়া নাই
অসমী আইৰ চেনেহৰ জী সতী জয়মতী নাই”

২) প্ৰেম-বিৰহৰ চেতনা ঃ ৰাভাৰ বহুকেইটা গীত-কবিতাত প্ৰেম-বিৰহৰ সুগভীৰ অনুভূতি ফুটি উঠিছে। তেওঁৰ ব্যক্তিগত জীৱনটো প্ৰেম-বিৰহ, পোৱা-নোপোৱা, হ’ব-নহ’ব দ্বন্দ্বৰেই পূৰ্ণ। ৰাভাৰ প্ৰেম-বিৰহৰ গীত-কবিতাবোৰত নিজৰ জীৱনৰ বহু গোপন কথা প্ৰকাশ হৈ পৰিছে। ‘নাহৰ ফুলে নুশুৱায় তগৰ ফুলে শুৱাব’ গীতটোত বক্তাই প্ৰেমিকাৰ বাবে সাতসাগৰ সিঁচি মাণিক আনিম বুলিছে, নাহৰ তগৰ কপৌ ফুলে নুশুৱালে মেঘৰ বুকু ফালি বিজুলী ফুল আনিম, প্ৰয়োজন হ’লে হিয়া ফালি তেজাল পোৱালমণি উলিয়াই প্ৰেমিকাৰ ডিঙিত পিন্ধাম বুলিছে। আন এটা কবিতাত বক্তাই সুধিছে-

“হিয়াৰ ফুলনিত যি ফুল ফুলালোঁ
সেই ফুল তুমি ছিঙিবানে?
যি ফুলৰ পাহি যতনে মেলিলোঁ
সেই পাহি তুমি চুমিবানে?”

ৰাভাৰ আন কেইবাটাও হৃদয়স্পৰ্শী তথা বহুসমাদৃত কবিতা আছে য’ত বিফল প্ৰেমৰ তীব্ৰ দহন ফুটি উঠিছে, যেনে-

“লগন উকলি গ’ল তেওঁযে নহ’ল কোৱা
মনৰ কথাটি মোৰ হিয়াত গুপুতে থোৱা।”
“পৰজনমৰ শুভ লগনত যদিহে আমাৰ হয় দেখা
পূৰাবানে প্ৰিয়ে এই জনমৰ মোৰ হিয়াৰ অপূৰ্ণ আশা?”
“মেলানি বেলাৰ বিদায় লগন যেতিয়া আহিব চাপি,
উঠিবনে প্ৰিয়ে! তেতিয়া এবাৰ হৃদয় তোমাৰ কঁপি?”
ইত্যাদি

এই গীতি কবিতাবোৰত কবিৰ যি অকৃত্ৰিম প্ৰেম আৰু হৃদয়ানুভূতি প্ৰকাশ পাইছে সেয়া সৰ্বজনীন মানৱীয় অনুভূতি। আন কেইবাটাও কবিতাত ৰাভাই অপূৰ্ব শ্লীলতাৰ মাজেৰে নাৰীৰ ৰূপ-সৌন্দৰ্যৰ বন্দনা কৰিছে। গীতি কবিতাত জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা আৰু ভূপেন হাজৰিকাই নাৰী বন্দনাত যি সম্ভ্ৰম আৰু শ্লীলতা বজায় ৰাখে সেয়া আজিৰ নতুনচাম কবি-শিল্পীয়ে মনোযোগেৰে অনুকৰণ কৰা উচিত।

৩) মুক্তিৰচেতনা ঃ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমি ফুৰোঁতে সাধাৰণ কৃষিজীৱী ৰাইজ আৰু দীনহীন শ্ৰমিক, বনুৱাৰ দুৰৱস্থা দেখি ৰাভাৰ হৃদয়ে কান্দি উঠিছিল-

“...অসহ জীৱন উটি ভাহি যোৱা
ভগা ছিগা মানৱী আমঠু হিয়া
শ্ৰম কৰিও খাবলৈ নোহোৱা
আলৈ বিলৈ হোৱা হজুৱা,
কান্দে দুখীয়া বনুৱা।”

শ্ৰমজীৱী ৰাইজৰ দুৰৱস্থাৰ বিপৰীতে অগাধ প্ৰাচুৰ্যৰ মাজত এমুঠিমান সামন্ত ভূ-স্বামী আৰু কাৰখানাৰ মালিকৰ উগ্ৰ বিলাসিতা দেখি বিপ্লৱী শিল্পী ৰাভাৰ কলমে গৰ্জি উঠিছিল-

“ধ্বংস কৰ ধ্বংস কৰ ধনীৰ অহংকাৰ
দয়া মায়া নকৰিবি ক্ষমাৰ দিন যে গ’ল
হাল কোৰ দা হাতুৰী লৈ ৰণলৈ যাওঁ ব’ল।”

ৰাভাই উপলব্ধি কৰিছিল ৰাজনৈতিক স্বাধীনতাই কোটি কোটি দৰিদ্ৰ জনতালৈ প্ৰকৃত মুক্তি আনিব নোৱাৰে যদিহে জনতাই দেশীয় ধনীক শ্ৰেণী আৰু বৰ্ণবাদী সমাজখনৰ পৰা সামাজিক ন্যায়, মানৱীয় অধিকাৰ আৰু অৰ্থনৈতিক স্বাধীনতা লাভ কৰিব নোৱাৰে। সেয়ে ৰাভাই তথাকথিত নিম্নজাতৰ মানুহবোৰ আৰু দৰিদ্ৰ কৃষক-বনুৱাৰ মঙ্গলৰ বাবে আত্মসন্মান আৰু ন্যায্য অধিকাৰৰ মন্দিৰৰ দুৱাৰখন খুলি দিবলৈ সুন্দৰৰ পূজাৰীক আহ্বান জনাইছিল-

“আজি মন্দিৰৰ দুৱাৰ খোলা
বহে মিলনৰ উৎসৱ মেলা।
শুনো মঙ্গল আৰতি গান
নাচি উঠে ভকতৰ প্ৰাণ।”

একেসময়তে, শিক্ষা আৰু জ্ঞান সাধনাইহে বিশ্বৰ কোটি কোটি দৰিদ্ৰ জনতালৈ প্ৰকৃত মুক্তি আনিব পাৰিব বুলি ৰাভাই বিশ্বাস কৰিছিল। সেয়ে লিখিছিল—

“...বিশ্বৰে দেউলত জ্ঞানৰে বন্তিৰ
আলোকৰে শিখা উঠক নাচি
অজ্ঞান এন্ধাৰ বিনাশী পুলকানন্দে...”

গতিকে বিষ্ণু ৰাভাৰ গীত আৰু কবিতাৰ ভাৱ-বৈচিত্ৰ্য আৰু আংগিকৰ বিশেষত্ব মন কৰিবলগীয়া দিশ। ৰাভা কলাৰ প্ৰতি গভীৰভাৱে অনুৰক্ত এগৰাকী প্ৰকৃত শিল্পী আৰু কবি আছিল। সেয়ে প্ৰতিটো কথা আৰু বিষয়ক কলাত্মক ভাৱনাৰে উপস্থাপন কৰিছিল। তেওঁৰ গীত আৰু কবিতাবোৰত বিভিন্ন ভাৱৰ সমাহাৰ ঘটিছে, যেনে- ৰোমাণ্টিক প্ৰেম, বিৰহ, দ্বন্দ্ব, বিদ্ৰোহ, প্ৰকৃতি-প্ৰেম, ধৰ্মনিৰপেক্ষতা, গণতান্ত্ৰিক ভাৱনা, সংস্কাৰ, মানৱতা, অপত্য স্নেহ, জ্ঞান আৰু সুন্দৰৰ সাধনা আদি। ইয়াৰ উপৰি বহু কবিতাত ব্যঙ্গ, ঘৃণা, স্মৃতি, বন্দনা আদিও আছে। ৰাভাই তেওঁৰ শিল্পকৰ্মবোৰ মনৰ খোৱাক পূৰণৰ বাবে নিৰ্মাণ কৰা নাছিল- প্ৰতিটোৰে মহৎ উদ্দেশ্য আছিল। মুখ্য উদেশ্যটো আছিল- মানৱীয় সত্তাৰ উত্তৰণ আৰু সমাজখনক সুন্দৰ ৰূপত গঢ়ি তোলা। তেওঁ প্ৰকৃতাৰ্থতে এগৰাকী নিৰ্ভেজাল কবি আছিল। তেওঁ ভাষা আৰু ছন্দৰ প্ৰয়োগত বিশেষ সাৱধান আছিল। মুক্তক ছন্দ আৰু স্পন্দিত গদ্যৰ অৱলম্বন তেওঁৰ বহু গীত-কবিতাত দেখা যায়। সৰহখিনি গীত আৰু কবিতাতে সমাজচেতনা তীব্ৰ। বহু গীত আৰু কবিতাত ৰাভাই অসমীয়া লোকসাহিত্যৰ ভাষা, সুৰ আৰু কাহিনীক আদৰি আনিছে। ‘বিলতে হালিছে ধুনীয়া পদুমী’, ‘অ’ অসমীয়া ডেকা দ’ল’, ‘কাষতে ক’লচি লৈ’, ‘আজলী ছোৱালী’, ‘মেলানি বেলাৰ বিদায় লগন’, ‘লগন উকলি গ’ল’, ‘পৰজনমৰ শুভ লগনত’, ‘মোৰ জীৱনৰ আকাশতে’, ‘বিশ্বৰ ছন্দে ছন্দে’, ‘সুৰৰ দেউলৰে’, ‘আজি মন্দিৰৰ দুৱাৰ খোলা’, ‘ব’ল ব’ল ব’ল ব’ল’, ‘নিছলা আইৰে’, ‘জয়া নাই’ আদি তেওঁৰ অসমীয়া সাহিত্য আৰু সংগীতজগতলৈ নজহা নপমা অৱদান। ‘নাৰী’, ‘উভয় পুনৰ’, ‘ভঙা-প্ৰিয়া’, ‘ন-সমাজ’, ‘কল্পনা মূৰুতি’, ‘কাৰবালা’, ‘অঘৰীৰ ঘৰ’ ইত্যাদি ৰাভাৰ দীঘল কবিতা। জনপ্ৰিয় বৈষ্ণৱ সাহিত্যৰ দ্বাৰাও ৰাভাৰ গীত আৰু কবিতাবোৰ প্ৰভাৱান্বিত। তেওঁৰ গীত আৰু কবিতাৰ ভাষা সহজ-সৰল—সৰ্বসাধাৰণে সহজে বুজিব পৰা। ভাৱপ্ৰকাশক শব্দবোৰ অতি আকৰ্ষণীয় আৰু যথাযথ। আৱেগপ্ৰৱণ ভাৱ, কাব্যিক ব্যঞ্জনাই গীত আৰু কবিতাবোৰক ৰসোত্তীৰ্ণ কৰি তুলিছে। ৰাভাৰ সৰহভাগ গীত আৰু কবিতাৰ সামগ্ৰিক মাধুৰ্য আৰু ব্যঞ্জনাই ৰাভাৰ সাহিত্যকৰ্মক বহু উচ্চ স্তৰৰ গণ-সাহিত্যলৈ উন্নিত কৰিছে।

*লেখকৰ ঠিকনা ঃ ৰঙিয়া*
*ম’বাইল: ৭৫৭৮৮৮০৯৩৩*



# চাংসাৰিস্থিত নাইপাৰ গুৱাহাটীত সপ্তম সংখ্যক সমাৱৰ্তন সমাৰোহ

**অসম বাৰ্তা, কমলপুৰ, ১৯ জুন ঃ** চাংসাৰিস্থিত নাইপাৰ গুৱাহাটীত সপ্তম সংখ্যক সমাৱৰ্তন সমাৰোহ।ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য মুখ্য অতিথি হিচাপে উপস্থিত থকা সমাৰোহ খনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ভাৰত চৰকাৰৰ ঔষধ বিভাগৰ সচিব অমিত অগ্ৰৱাল।২০২২-২৪ বৰ্ষৰ ১৪৪ গৰাকী পি জি ছাত্ৰ ছাত্ৰী,২০২৩-২৫ বৰ্ষৰ ২১২ গৰাকী পি জি ছাত্ৰ ছাত্ৰী আৰু ১০ গৰাকী পি এইচ ডি ছাত্ৰ ছাত্ৰী সহ মুঠ ৩৬৬ গৰাকী ছাত্ৰ ছাত্ৰীক প্ৰদান কৰা হয় ডিগ্ৰী।সফলতাৰে উত্তীৰ্ণ ছাত্ৰ ছাত্ৰী সকলক ৰাজ্য পাল গৰাকীয়ে অভিনন্দন জনায় তেওঁ লোকক নিজৰ লক্ষ্যত উপনীত হোৱাৰ উপৰিও জাতিটোৰ সেৱা কৰিবলৈ আহ্বান জনায়।ছাত্ৰ ছাত্ৰী সকলৰ সফলতা কেৱল ব্যক্তিগত জয় নহয় বৰঞ্চ ই দেশৰ ভৱিষ্যতৰ বাবে স্বাস্থ্য সেৱা, উদ্ভাৱন আৰু আত্মনিৰ্ভৰশীলতাৰ দিশত এক ৰাষ্ট্ৰীয় বিনিয়োগ বুলি ৰাজ্যপাল গৰাকীয়ে অৱগত কৰে।অতি কম সময়ৰ ভিতৰতে গুৱাহাটী নাইপাৰে গৱেষণা, ঔষধ আৱিষ্কাৰ আৰু ঔষধ উদ্ভাৱনত যথেষ্ট অৱিহণা যোগাই অহাৰ কথা উল্লেখ কৰে ভাৰত চৰকাৰৰ ঔষধ বিভাগৰ সচিব অমিত অগ্ৰৱালে। মেডিকেল ডিভাইচ টেংষ্টিৰ জৰিয়তে ৰাজ্যৰ স্বাস্থ্য সেৱাত আমূল পৰিবৰ্তন অনাৰ আশা প্ৰকাশ কৰে নাইপাৰৰ সঞ্চালক ইউ এছ এন মূৰ্তিয়ে।

# সমাজৰ নিয়মহীন আৰু অজ্ঞানতাক দূৰ কৰিবলৈ মনোজ কুমাৰ শৰ্মাই কবিতাৰ সৃষ্টি কৰিছে ঃ ড° শৰৎ বৰকটকী

## কবি-সাহিত্যিকসকলৰ অনুপ্ৰেৰণাৰ উৎস ভিন্নৰসৰ কবি মনোজ কুমাৰ শৰ্মা

## সমাজত ঘটি অহা ঘটনাৰ আলমলৈ ১৪ খন কবিতা আৰু গল্প-প্ৰবন্ধৰ গ্ৰন্থ প্ৰকাশ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৯ জুন ঃ** নগাঁও চহৰৰ আমোলাপট্টিৰ নিবাসী অভিযন্তা মনোজ কুমাৰ শৰ্মা বৰ্তমান সময়ত ভিন্নৰসৰ কবি হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। ১৯৮৪ চন মানৰ পৰাই কবিতা আৰু গল্প-প্ৰবন্ধ লিখি নিজকে এজন কবি, সাহিত্যিক হিছাপে প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰি অহা মনোজ কুমাৰ শৰ্মাৰ ১৪ খনকৈ কবিতা আৰু গল্প -প্ৰবন্ধৰ গ্ৰন্থ এতিয়ালৈকে প্ৰকাশিত হৈছে।সমাজত ঘটি থকা ঘটনাৰ আলম লৈ প্ৰকাশ কৰি অহা গল্প-প্ৰবন্ধৰ গ্ৰন্থ সমূহে পাঠকৰ সমাদৰ লাভ কৰিছে।ইতিমধ্যে অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই তেওঁক ভিন্ন ৰসৰ কবি হিছাপে আখ্যা দিছে।অসম সাহিত্য সভাৰ হিতৈষী সদস্য,আমোলাপট্টি শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক তথা প্ৰাক্তন সভাপতি,নগাঁও জিলা সাহিত্য সভাৰ কবি উপ-সমিতিৰ কাৰ্যকৰী সভাপতি হিচাপে দায়িত্ব পালন কৰি অহা মনোজ কুমাৰ শৰ্মাৰ প্ৰকাশিত গ্ৰন্থ সমূহ হ'ল ভিন্ন ৰস,ভিন্ন ৰসৰ টৌ তুলি,ভিন্ন ৰসৰ টোপাল সৰে,সেউজীয়া গামোচাখনি,কি নাম দি মাতিম তামাক, তথাপিও জীৱন, প্ৰাণৰ কলং (সম্পাদনা), ভিন্ন ৰসৰ নিজৰা, ভিন্ন ৰসৰ কবিতা। কাব্যগ্ৰন্থ কেইখনৰ উপৰিও প্ৰভাতী পখিয়ে কিয় গায়,জোনাকৰ সন্ধানত কেইশাৰীমান গদ্য,শৰবিদ্ধ সময়ৰ খতিয়ান,আখৰৰ আইনা আদি গদ্য সংকলন কেইখন অন্যতম।সময়ৰ লগত খাপ খোৱাকৈ লিখি উলিওৱা এই কবিতা আৰু গল্প সংকলন কেইখনে পাঠকৰ সমাদৰ লাভ কৰাৰ উপৰিও সাহিত্যৰ ভঁড়াল টনকিয়াল কৰিছে।ইফালে, প্ৰত্যেক বছৰৰ শিক্ষক দিৱসৰ দিনটোত মেচাৰ্চ ইঞ্জিনীয়াৰ্চ গিল্ডৰ ব্যৱস্থাপনাত ছাত্ৰ-ছাত্ৰীৰ মাজত তেওঁৰ কবিতাৰ এখন কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত কৰি উঠি অহা প্ৰজন্মৰ মাজত কবিতা আবৃত্তিৰ পৰিবেশ গঢ়ি তোলাৰ প্ৰয়াস কৰি আহিছে।উল্লেখযোগ্য যে, মৰিগাঁও জিলাৰ দলৈচুবা গাঁৱৰ প্ৰয়াত অতুল চন্দ্ৰ শৰ্মা আৰু ভানু শৰ্মাৰ পুত্ৰ মনোজ কুমাৰ শৰ্মা নগাঁও জিলা উন্নয়ন প্ৰাধিকৰণৰ এজন ব্যস্ত অভিযন্তা হোৱাৰ পিছটো আজৰি সময়ত নিৰলস ভাৱে সাহিত্যচৰ্চা কৰি আন কবি সাহিত্যিকসকলৰ অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছে।ইফালে, তেওঁৰ এই সাহিত্য সাধনাক উৎসাহিত কৰিছে বিভিন্নজনে।ইয়াৰ ভিতৰত অন্যতম নগাঁও জিলা সাহিত্য সভাৰ সভাপতি বিশিষ্ট শিক্ষাবিদ,সাহিত্যিক তথা নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড' শৰৎ বৰকটকী। মনোজ কুমাৰ শৰ্মাৰ কবিতা আৰু, গল্প সংকলনৰ বিষয়ে বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ড' বৰকটকীয়ে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয়, মনোজ কুমাৰ শৰ্মাৰ কবিতা:বুদ্ধিমত্তাৰ কণ্ঠ মনোজ কুমাৰ শৰ্মাৰ ভিন্ন ৰসৰ কবিতাৰ বৈশিষ্ট্য হৈছে উপযুক্ত শব্দৰ সৈতে বিদ্ৰূপ আৰু কটূক্তি।সমাজৰ নিয়মহীনতা আৰু অজ্ঞানতাক দূৰ কৰিবলৈ শৰ্মাই কবিতা সৃষ্টি কৰিছে।তেওঁৰ ভিন্ন ৰসৰ কবিতা সমূহ বুদ্ধিমত্তাৰ সৈতে উপহাসৰ মিশ্ৰণ।ভাৰতীয় বিখ্যাত ব্যংগ কবি কাকা কলেলকাৰে ভিন্নৰসৰ মাজেৰে কবিতা লিখি কবিতা ন্যায় আৰু সংস্কাৰৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। মনোজ কুমাৰ শৰ্মাই সেই পথ লোৱা যেন লাগে।ব্যংগ কবিতা হৈছে হাস্যৰস, বিদ্ৰূপ, কটূক্তি আদিৰে দুৰ্নীতি, সামাজিক ভণ্ডামি বা সাংস্কৃতিক অৰ্থহীনতাক উদঙাই দিয়া এক সাহিত্যিক কলা। ই বিশুদ্ধ হাস্যৰসৰ দৰে নহয়, ব্যংগৰ নৈতিক প্ৰান্ত আছে। চতুৰ উপহাসৰ জৰিয়তে সমালোচনা কৰা।মনোজ কুমাৰ শৰ্মাৰ কেতবোৰ এনেকুৱা ব্যংগ কবিতা আছে। তেওঁ কবিতাত ভণ্ডামী আৰু প্ৰভাৱশালী লোকৰ লোভক উপহাস কৰিছে। কিতাপ এখনত "জুভেনালিয়ান ব্যংগ" শব্দটো পাইছিলোঁ। যিবোৰ ব্যংগ কবিতা খঙাল সুৰৰ বাবে জনাজাত আছিল সেইবোৰক জুভেনালিয়ান ব্যংগ বুলি কোৱা হৈছিল।সেইসময়ৰ ৰোমান আইনী ব্যৱস্থা আৰু ভণ্ডামিক আক্ৰমণ কৰিছিল।নৈতিক ক্ষোভৰ সৈতে কঠোৰ, বিদ্ৰূপপূৰ্ণ ব্যংগ কবিতা হিচাপে জনপ্ৰিয় আছিল। নগাঁৱৰ নাৰায়ন কটকীয়ে সমাজ আৰু ৰাজহুৱা ব্যক্তিৰ ব্যৰ্থতাক হাস্যৰসেৰে সমৃদ্ধ কৰি কবিতা লিখিছিল। নাৰায়ন কটকীৰ পিছত মনোজ কুমাৰ শৰ্মাই সেই পথ অনুকৰণ কৰা যেন লাগে।এক কথাত ক'বলৈ গ'লে মনোজ কুমাৰ শৰ্মাৰ কবিতা হৈছে বুদ্ধিমত্তাৰ কণ্ঠ। কবি মনোজ কুমাৰ শৰ্মাৰ এই কণ্ঠ আৰু শক্তিশালী হওক। গল্প সংকলনৰ বিষয়ে বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ড' বৰকটকীয়ে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয়, মনোজ কুমাৰ শৰ্মাৰ কবিতা:বুদ্ধিমত্তাৰ কণ্ঠ মনোজ কুমাৰ শৰ্মাৰ ভিন্ন ৰসৰ কবিতাৰ বৈশিষ্ট্য হৈছে উপযুক্ত শব্দৰ সৈতে বিদ্ৰূপ আৰু কটূক্তি।সমাজৰ নিয়মহীনতা আৰু অজ্ঞানতাক দূৰ কৰিবলৈ শৰ্মাই কবিতা সৃষ্টি কৰিছে।তেওঁৰ ভিন্ন ৰসৰ কবিতা সমূহ বুদ্ধিমত্তাৰ সৈতে উপহাসৰ মিশ্ৰণ।ভাৰতীয় বিখ্যাত ব্যংগ কবি কাকা কলেলকাৰে ভিন্নৰসৰ মাজেৰে কবিতা লিখি কবিতা ন্যায় আৰু সংস্কাৰৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। মনোজ কুমাৰ শৰ্মাই সেই পথ লোৱা যেন লাগে।ব্যংগ কবিতা হৈছে হাস্যৰস, বিদ্ৰূপ, কটূক্তি আদিৰে দুৰ্নীতি, সামাজিক ভণ্ডামি বা সাংস্কৃতিক অৰ্থহীনতাক উদঙাই দিয়া এক সাহিত্যিক কলা। ই বিশুদ্ধ হাস্যৰসৰ দৰে নহয়, ব্যংগৰ নৈতিক প্ৰান্ত আছে। চতুৰ উপহাসৰ জৰিয়তে সমালোচনা কৰা।মনোজ কুমাৰ শৰ্মাৰ কেতবোৰ এনেকুৱা ব্যংগ কবিতা আছে। তেওঁ কবিতাত ভণ্ডামী আৰু প্ৰভাৱশালী লোকৰ লোভক উপহাস কৰিছে। কিতাপ এখনত "জুভেনালিয়ান ব্যংগ" শব্দটো পাইছিলোঁ। যিবোৰ ব্যংগ কবিতা খঙাল সুৰৰ বাবে জনাজাত আছিল সেইবোৰক জুভেনালিয়ান ব্যংগ বুলি কোৱা হৈছিল।সেইসময়ৰ ৰোমান আইনী ব্যৱস্থা আৰু ভণ্ডামিক আক্ৰমণ কৰিছিল।নৈতিক ক্ষোভৰ সৈতে কঠোৰ, বিদ্ৰূপপূৰ্ণ ব্যংগ কবিতা হিচাপে জনপ্ৰিয় আছিল। নগাঁৱৰ নাৰায়ন কটকীয়ে সমাজ আৰু ৰাজহুৱা ব্যক্তিৰ ব্যৰ্থতাক হাস্যৰসেৰে সমৃদ্ধ কৰি কবিতা লিখিছিল। নাৰায়ন কটকীৰ পিছত মনোজ কুমাৰ শৰ্মাই সেই পথ অনুকৰণ কৰা যেন লাগে।এক কথাত ক'বলৈ গ'লে মনোজ কুমাৰ শৰ্মাৰ কবিতা হৈছে বুদ্ধিমত্তাৰ কণ্ঠ।কবি মনোজ কুমাৰ শৰ্মাৰ এই কণ্ঠ আৰু শক্তিশালী হওক।

# মন্দিয়াৰ বাৰাকাটাৰ পৰা নিজ বাঘবৰলৈ যোৱা ১৪.৮৪ কোটি টকীয়া পকী পথ বিধ্বস্ত

## নিৰ্মাণৰ এবছৰ পিছতেই বিধ্বস্ত পথটোৰ নহ'ল মেৰামতি, ব্যাহত যাতায়াত, বিধায়ক শ্বেৰমানৰ বিৰুদ্ধে ক্ষোভ

**অসম বাৰ্তা, বাঘবৰ, ১৯ জুন ঃ** বৰপেটা জিলাৰ পূৰ্বৰ বাঘবৰ সমষ্টিৰ তথা বৰ্তমানৰ নৱগঠিত মন্দিয়া সমষ্টিৰ অন্তৰ্গত বাৰাকাটা চাৰিআলিৰ পৰা সাতভিটা এম ই স্কুল হৈ নিজ বাঘবৰলৈ যোৱা পকী পথটো আজি প্ৰায় দুবছৰ ধৰি বিধ্বস্ত হৈ থকাত পথটোৰে যাতায়াত ব্যাহত হৈ পৰিছে। প্ৰাপ্ত তথ্য মতে, লোক নিৰ্মাণ বিভাগৰ বৰপেটা সংমণ্ডলৰ অধীনস্থ বৃহত্তৰ অঞ্চলটোৰ অতিকৈ গুৰুত্বপূৰ্ণ পথটো নিৰ্মাণৰ বাবে লোক নিৰ্মাণ বিভাগে এ এছ-০১-২০৫ নম্বৰ পেকেজত ১৪ কোটি ৮৪ লাখ টকা মঞ্জুৰী দিয়ে । ১০ কিলোমিটাৰ পকী পথ নিৰ্মাণৰ বাবে বিভাগীয়ভাৱে নিবিদা আহ্বান কৰাত উক্ত পকী পথ নিৰ্মাণৰ দায়িত্ব লাভ কৰে দেৱদীব দাসে। প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ গ্ৰাম্য পথ উন্নয়ণ মন্ত্ৰালয়ে আৱন্টন দিয়া বৃহৎ পুঁজিৰে ঠিকাদাৰ দেৱদীব দাসে পকী পথটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰে যদিও নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱাৰ এবছৰ নৌহওঁতেই পকী পথটো বিধ্বস্ত হৈ পৰাৰ অভিযোগ উত্থাপন কৰিছে একাংশ লোকে । স্থানীয় লোকে অভিযোগ কৰা মতে, পকী পথটোৰ নিৰ্মাণৰ পিছত 'ছাইটবাম' ভালদৰে নিৰ্মাণ নকৰাৰ ফলত প্ৰথমাৱস্থাত বৰষুণ আৰু পিছত বানপানীয়ে পকী পথটোৰ বিস্তৰ ক্ষতিসাধন কৰে । প্ৰায় দুবছৰ পূৰ্বেই পথটোৰ কেইবাটাও অংশ খহাই নিয়াৰ লগতে পথটোৰ ওপৰৰ পকী অংশ অৰ্থাৎ 'ব্লেক টপিং' উঠি যোৱা পৰিলক্ষিত হৈছে। স্থানীয় লোকে অভিযোগ কৰা মতে, পকী পথটো বিধ্বস্ত হৈ পৰাৰ দুবছৰ পাৰ হোৱাৰ পাছতো দহ কিলোমিটাৰ দৈৰ্ঘ্যৰ পকী পথটো মেৰামতিৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে লোক নিৰ্মাণ বিভাগে । যাৰ বাবে উক্ত পথেৰে যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে। জানিব পৰা মতে, অতিকৈ গুৰুত্বপূৰ্ণ পথেৰে কেইবাখন গাঁৱৰ লোকে কোনোমতে খোজকাঢ়ি, দুচকীয়া বাহনেৰে অহা যোৱা কৰিব পাৰে যদিও নচলে চাৰিচকীয়া বাহন । ১৪.৮৪ লক্ষাধিক টকা ব্যয় কৰি নিৰ্মাণ কৰা ১০ কিলোমিটাৰ পথেৰে যদি চাৰিচকীয়া বাহনেই চলাচল কৰিব নোৱাৰে তেন্তে পথটো পকীকৰণ কৰাৰ যুক্তি কি আছিল? বিধ্বস্ত পকী পথটোৰে চাৰিচকীয়া বাহন চলাচল কৰিব নোৱাৰাৰ বাবেই বৃহত্তৰ অঞ্চলটোলৈ নাযায় এম্বুলেঞ্চ সেৱাৰ গাড়ী। যাৰ বাবে বিভিন্ন সময়ত বৃহত্তৰ অঞ্চলটোৰ লোক সকলে চিকিৎসা সেৱাৰ পৰাও বঞ্চিত হবলগীয়া হৈছে। বিশেষকৈ গৰ্ভৱতী, প্ৰসূতি মহিলাৰ লগতে শিশু আৰু মুমূৰ্ষু অৱস্থাৰ ৰোগী সকল জৰুৰীকালীন চিকিৎসা লাভৰ পৰা বঞ্চিত হৈছে । প্ৰায় দুবছৰ ধৰি বিধ্বস্ত হৈ থকা গুৰুত্বপূৰ্ণ পকী পথটো মেৰামতি ও পুনঃনিৰ্মাণৰ বাবে স্থানীয় ৰাইজে লোক নিৰ্মাণ বিভাগৰ লগতে বিধায়ক শ্বেৰমান আলী আহমেদক কেইবাবাৰো অনুৰোধ জনাইছে যদিও আজিলৈকে পকী পথটো মেৰামতি কৰা নহ'ল। বৃহত্তৰ বাঘবৰ-মন্দিয়া অঞ্চলৰ প্ৰায় সংখ্যক ৰাস্তা জৰাজীৰ্ণ ৰূপ দেখি নেদেখাৰ ভাওঁ বিধায়ক শ্বেৰমানৰ। জৰাজীৰ্ণ ৰাস্তাৰ সমূহৰ মেৰামতি কৰিবলৈ গুৰুত্ব নিদিয়াৰ অভিযোগ। লোক নিৰ্মাণ বিভাগৰ লগতে বিধায়ক শ্বেৰমান আলীৰ এনে অৱহেলাৰ বাবেই যাতায়াতৰ নামত জীয়াতু ভুগিব লগীয়া হৈছে অঞ্চলবাসীয়ে। এনে অৱহেলাৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ ব্যক্ত কৰিছে স্থানীয় লোকে । বৃহত্তৰ অঞ্চলটোৰ যাতায়াত ব্যৱস্থা সুচল কৰাৰ বাবে শীঘ্ৰে পকী পথটো মেৰামতি ও পুনঃনিৰ্মাণ কৰিবলৈ বৰপেটা জিলা আয়ুক্ত , চৰকাৰ তথা বিভাগীয় মন্ত্ৰীক দাবী জনাইছে অঞ্চলবাসীয়ে।

# স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফলত ঘনকান্ত বৰা মহাবিদ্যালয়ৰ এশ শতাংশ উত্তীৰ্ণ

**অসম বাৰ্তা, গৌৰীসাগৰ, ১৯ জুন ঃ** যোৰহাট জিলাৰ ভগামুখৰ তামুলীছিগাত অৱস্থিত ঘনকান্ত বৰা মহাবিদ্যালয়ে সদ্য ঘোষিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক ষষ্ঠ যাণ্মাসিকৰ পৰীক্ষাত উন্নত ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। মহাবিদ্যালয় খনৰ উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ । ছাত্ৰ-ছাত্ৰীসকলৰ এই সফলতাৰ খবৰে মহাবিদ্যালয়খনত এক আনন্দমুখৰ পৰিবেশৰ সৃষ্টি কৰে। মহাবিদ্যালয়খনৰ সৰ্বমুঠ ১১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এ গ্ৰেড লাভ কৰিবলৈ সক্ষম হয় । ইয়াৰ ভিতৰত অসমীয়া বিভাগত ১গৰাকী,শিক্ষাতত্ত্ব বিভাগত ৩ গৰাকী, ৰাজনীতি বিজ্ঞান বিভাগত ৩ গৰাকী,বুৰঞ্জী বিভাগত ২ গৰাকী আৰু সমাজশাস্ত্ৰ বিভাগত ২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এ গ্ৰেড অধিকাৰ কৰাৰ বিপৰীতে অসমীয়া বিভাগৰ ছাত্ৰী ৰিদিষণ্ডা গগৈয়ে বিশ্ববিদ্যালয়ৰ ভিতৰত দ্বাদশ স্থান লাভ কৰে। তদুপৰি উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ১১ গৰাকীয়ে বি পছ গ্ৰেড আৰু ১৬ গৰাকীয়ে বি গ্ৰেড লাভ কৰিবলৈ সক্ষম হোৱাত মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অধ্যাপক অধ্যাপিকা আৰু অঞ্চলবাসী ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কলা শাখাৰ চূড়ান্ত পৰীক্ষাত শিক্ষাতত্ত্ব বিভাগত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থানেৰে উজ্জ্বলিল বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ ছাত্ৰ সৌৰভ দাস



**অসম বাৰ্তা, জাঁজী, ১৯ জুন ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত শিৱসাগৰ জিলাৰ বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ ষষ্ঠ যাণ্মাষিকৰ শিক্ষাতত্ত্ব বিভাগৰ ছাত্ৰ সৌৰভ দাসে সদ্য ঘোষিত স্নাতক ষষ্ঠ যাণ্মাসিকৰ চূড়ান্ত পৰীক্ষাত A+গ্ৰেড লাভ কৰি বিশ্ববিদ্যালয়ৰ ভিতৰত দ্বিতীয় স্হান লাভ কৰি মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ পৰা সৰ্বমুঠ ১৪০জন ছাত্ৰছাত্ৰী অৱতীৰ্ণ হোৱাৰ বিপৰীতে উত্তীৰ্ণ হয় ১৩৪জন ছাত্ৰছাত্ৰী ।উত্তীৰ্ণৰ হাৰ ৯৩.৭১ শতাংশ । ছাত্ৰ-ছাত্ৰীৰ এই সফলতাত মহাবিদ্যালয়ৰ অধ্যক্ষা দিপালী নেওগৰ লগতে সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা পৰিয়াল বৰ্গই সন্তোষ প্ৰকাশ কৰিছে।

# কাছাৰৰ দয়াপুৰত নিযুক্তিপ্ৰাপ্ত ৩০১জন চিআৰপিএফ জোৱানৰ পেৰেড সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিলচৰ, ১৯ জুন ঃ** সোমবাৰে কাছাৰৰ দয়াপুৰ চিআইএটি স্কুলত ৩০১জন চি আৰ পি এফ জোয়ানক নিযুক্তি দিয়াৰ পিছত শপত বাক্য পাঠ কৰোৱা হয়। পুৱাৰ ভাগত ট্ৰেনিং প্ৰাপ্ত সকলে সমূহিয়া পেৰেডতো ভাগ লয়। শিলচৰৰ ওচৰৰ দয়াপুৰত চিআইএটি (কাউণ্টাৰ ইনচাৰ্জেন্সি আৰু সন্ত্ৰাসবাদ বিৰোধী) স্কুল অৱ চিআৰপিএফত নতুনকৈ নিযুক্তিপ্ৰাপ্ত কৰ্মীয়ে সোমবাৰে তেওঁলোকৰ ১৬ সপ্তাহৰ মৌলিক প্ৰশিক্ষণ সফলতাৰে সম্পূৰ্ণ কৰিছিল। ২০০৫ চনৰ ২৩ ফেব্ৰুৱাৰীত স্থাপিত দয়াপুৰৰ চিআইএটি টো হৈছে উত্তৰ-পূবৰ একমাত্ৰ কমাণ্ডো প্ৰশিক্ষণ প্ৰতিষ্ঠান। এইটোৱে প্ৰথমবাৰৰ বাবে ইমান ডাঙৰ বেচ এটা স্কুলৰ পৰা একেলগে উলাইছে। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে গ্ৰুপ চেণ্টাৰ চি আৰ পি এফ শিলচৰৰ ডি আই জি হৰপাল সিঙে উপস্থিত হৈ সকলো কৈ শুভেচ্ছা জনায়। এই পেৰেডৰ নেতৃত্ব দিছিল সহকাৰী কমাণ্ডেণ্ট কে.এন. জয়ছৱাল। অনুষ্ঠানত উপস্থিতসকলক তেওঁ কয় যে তেওঁ গৌৰৱান্বিত পৰিয়ালৰ সদস্য আৰু গণ্যমান্য ব্যক্তিসকলে এই কাৰ্য সূচীৰ সাক্ষী হৈছে। নতুনকৈ নিযুক্তিপ্ৰাপ্তসকলে জাতিটোক ভাৰত মাতা সমৰ্পণ আৰু সততাৰে সেৱা আগবঢ়াবলৈ তেওঁ আহ্বান জনায়। আনহাতে কমাণ্ডেণ্ট ভৰত ভূষণ জাখমোলাই এই অনুষ্ঠানৰ তাৎপৰ্য্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা নিযুক্তিপ্ৰাপ্তসকলে এতিয়া জাতিটোৰ সেৱাত নিয়োজিত হ'বলৈ সাজু হৈছে। তেওঁ লোকে সদায় দেশৰ হৈ কাম কৰি যাবলৈ উৎসাহিত কৰে।

# বৰপেটাত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকলৈ নৱ সৃষ্টি গৌৰৱ বঁটা প্ৰদান



**অসম বাৰ্তা সেৱা, ভক্তৰডোবা, ১৯ জুন ঃ** বৰপেটাৰ অন্যতম সামাজিক, সাংস্কৃতিক, শৈক্ষিক, সাহিত্যৰ সংগঠন নৱ সৃষ্টি সমাৰোহ সমিতিৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি অম্বিকাগিৰী - বাণীকান্ত বৰপেটা সাহিত্য সভা ভৱনত নৱ সৃষ্টি গৌৰৱ বঁটা প্ৰদান কৰা হয়। এই উপলক্ষে নৱ সৃষ্টি সমাৰোহ সমিতিৰ সভাপতি ডঃ নঞ্জু দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত নৱ সৃষ্টি গৌৰৱ বঁটা অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাক প্ৰদান কৰা হয় ।বঁটা গ্ৰহণ কৰি দেৱজিৎ বৰাই কয় যে , মানুহৰ পৰিষ্কাৰ মনবিলাক সমাজৰ বাবে বৰ প্ৰয়োজন হৈ পৰিছে ।ৰাজনৈতিক দল বোৰৰ সভা বিলাকৰ ক্ষেত্ৰত বেলেগ,কিবা নহয় কিবা স্বাৰ্থ থাকে। কিন্তু অসম সাহিত্য সভাৰ সভাত কেৱল জাতিৰ স্বাৰ্থ আৰু ,সমাজৰ স্বাৰ্থ জড়িত থাকে। আজি অসমীয়া জাতি আৰু ভাষাক লৈ যিমান চিন্তা হয় তেনে চিন্তা কৰিব লগীয়া নাই। এতিয়া পাহাৰে ভৈয়ামে সকলোতে অসমীয়া ভাষাৰ জয়গান। তাতকৈ গৌৰৱৰ কাম কি হব পাৰে। বৰ্তমান অসমীয়া ভাষাক লৈ আমাৰ আগ্ৰাসন হবলৈ ধৰিছে। অলপ সচেতন হব লাগিব। চুবুৰীয়া ৰাজ্য অৰুণাচলত এতিয়া অসমীয়া মাধ্যমৰ বিদ্যালয় নথকাৰ বাবে অৰুণাচলত এচামে অসমীয়া ভাষা পঢ়িব পৰা নাই। আগতে অৰুণাচলত অসমীয়া ভাষাৰ বিদ্যালয় আছিল যদিওঁ এতিয়া নাই। অসম সাহিত্য. সভাই এক ধনাত্মক বাৰ্তা লৈ অহা ২১ জুনত অৰুণাচললৈ যাব আৰু অৰুণাচলৰ মুখ্যমন্ত্ৰীৰ সৈতে এই বিষয়ে আলোচনা কৰিব বুলি ভাষণ. প্ৰসংগত জানিবলৈ দিয়ে। বঁটা গ্ৰহণ কৰি নৱ সৃষ্টি সমাৰোহ সমিতিয়ে দিয়া সন্মান অসম সাহিত্য সভালৈ দিয়া বুলি কয়। নৱ সৃষ্টি সমাৰোহ সমিতিৰ কাৰ্যকৰী সভাপতি গোবিন্দ গায়নে আঁত ধৰা এই সভাত অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য কন্দৰ্প কুমাৰ শৰ্মাইয়ো ভাষণ দিয়ে। নৱ সৃষ্টি সমাৰোহ সমিতিৰ সম্পাদক লুইত প্ৰবাল দাসে উদ্দেশ্য ব্যাখ্যা কৰা এই অনুষ্ঠানত অৱসৰ প্ৰাপ্ত. শিক্ষয়িত্ৰী তথা সাহিত্য সেৱী নীলিমা ৰণা পাটগিৰীক সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁৰ অভিনন্দন গ্ৰন্থ উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই। সভাত শিখা বায়ন ভূঞাৰ গল্প সংকলন উন্মোচন কৰে লোক নিৰ্মাণ বিভাগৰ অৱসৰ প্ৰাপ্ত অধীক্ষক অভিযন্তা, ভাৰত দাসে। সভাত. আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি ভাষণ দিয়ে বিবেকা ৰঞ্জন ৰায়চৌধুৰী, ৰাষ্ট্ৰপতি পুৰস্কাৰ প্ৰাপ্ত কৃতি শিক্ষক, নাট্যৰত্ন আৰু অৱসৰ প্ৰাপ্ত অধ্যক্ষ বিবেকাৰঞ্জন ৰায় চৌধুৰীয়ে।

# অসম-মিঞা (অসমীয়া) পৰিষদৰ নগাঁও জিলা সমিতিৰ চিন্তন বৈঠক সম্পন্ন

**অসম বাৰ্তা, ৰূপহীহাট, ১৯ জুন ঃ** অসম-মিঞা অসমীয়া পৰিষদৰ নগাঁও জিলা সমিতিৰ উদ্যোগত আৰু আঞ্চলিক সমিতিৰ সহযোগত ভৱিষ্যত কাৰ্যপন্থা উদ্ভাৱন সম্পৰ্কত ৰূপহী হাটৰ মাগুৰমাৰী নতুন বজাৰস্থিত আলম মাৰ্কেটত চিন্তন বৈঠক অনুষ্ঠিত হয়। গাম্ভীৰ্যপূৰ্ণ সভাৰ সভাপতিত্ব কৰে নগাঁও জিলাৰ অসম মিঞা অসমীয়া পৰিষদৰ শ্বেখ আব্দুল্লাহ বাহাৰে। সভাত উপস্থিত থাকে অসম মিঞা অসমীয়া পৰিষদৰ কেন্দ্ৰীয় সভাপতি এম আব্দুল বাতিন, অসম মিঞা অসমীয়া পৰিষদৰ প্ৰতিষ্ঠাপক সভাপতি এম জি হাজৰিকাৰ, নগাঁও জিলাৰ অসম মিঞা অসমীয়া পৰিষদৰ সাধাৰণ সম্পাদক ড আশ্ৰাফুল আলমসহ এই অঞ্চলৰ বিশিষ্ট গন্যমান্য ব্যাক্তিসকল। কেন্দ্ৰীয় সভাপতিৰ উপস্থিতিত এখন শক্তিশালী আঞ্চলিক সমিতি গঠন কৰে য'ত সভাপতি শুৰুজ আলী আৰু সাধাৰণ সম্পাদক হিচাপে আজমল হুছেইনক দায়িত্ব অৰ্পণ কৰে। ভাষন প্ৰসঙ্গত এম আব্দুল বাতিনে কয় যে আমাৰ এই সংগঠনটো কেনেকৈ শক্তিশালী কৰিব পৰা যায় সেইবাবে ৰাইজক উদ্দেশ্য কৰি ভালদৰে বোজাই দিয়ে। অনাগত দিনত আৰু অধিক শক্তিশালী বাবে কাম কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। অসম মিঞা অসমীয়া পৰিষদ জন্ম হোৱাৰ পিছৰে পৰাই মিঞা জনগোষ্ঠীৰ হৈ বিভিন্ন ক্ষেত্ৰত মাত মাতি আহিছে। সংবাদ মাধ্যমৰ আগত কয় যে কেন্দ্ৰীয় সভাপতি এম আব্দুল বাতেনে চৰকাৰক আহ্বান জনাই উচ্ছেদিতা সকল বৈধ ভাৰতীয় নাগৰিক আৰু তেওঁলোকক সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে।লগতে কয় যে NRC খন মহামান্য উচ্চতম ন্যায়ালয়ৰ আওতাত আৰু Latest Scientific Method ৰ আধাৰত হৈছে গতিকে NRC খন শুদ্ধ আৰু নিখুঁত।অসম মিঞা অসমীয়া পৰিষদৰ মূল উদ্দেশ্যে হ'ল আমি মিঞা আমি অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ হিচাপে অসম মিঞা অসমীয়া পৰিষদৰ জন্ম হৈছে বৃহত্তৰ অসমীয়া জাতি অধিক শক্তিশালী হ'ব বুলি মন্তব্য আগবঢ়ায় এম আব্দুল বাতিনে। ইপিনে ধুবুৰীৰ পৰা ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট আৰু নগাঁও লৈকে সম্প্ৰিতিৰ সমন্বয়ৰ যাত্ৰাৰে এক মাত্ৰ অসমীয়া জাতিক সুৰক্ষিত কৰিব ইয়াত কোনো শৃংখল চলিহাৰ দৰে নেতাই অসমীয়া জাতিক নবচাই বৰঞ্চ অসমীয়া জাতিক হত্যাহে কৰিব এনে দৰে তীব্ৰ ভাষাৰে সমালোচনা কৰে অসম মিঞা অসমীয়া পৰিষদৰ কেন্দ্ৰীয় প্ৰতিষ্ঠাপক সভাপতি এম জি হাজৰিকাই।

# হাঁহচৰাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মদিন উদযাপন

**অসম বাৰ্তা, আমগুৰি, ১৯ জুন ঃ** জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম দিনৰ উপলক্ষে যোৰহাট জিলাৰ জাঁজী হাঁহচৰাত শাখা এক বিশেষ অনুষ্ঠান আয়োজন কৰা হয়। হাঁহচৰা শাখা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানটো হাঁহচৰা উপহাৰ বিবাহ ভৱনৰ প্ৰাংগণত অনুষ্ঠিত হয়। শাখাৰ উপ-সভাপতি মাধৱ গগৈৰ অনুষ্ঠানৰ আঁত ধৰি শিল্পী গৰাকীৰ জীৱন আদৰ্শৰ ওপৰত আলোকপাত কৰে।। হাঁহচৰা শাখা সাহিত্য সভাৰ সভানেত্ৰী অৰ্পনা চুতীয়াই বন্তি প্ৰজ্বলন কৰি জ্যোতিপ্ৰসাদৰ কৰ্মজীৱন, সাহিত্য আৰু সংগীতক্ষেত্ৰত অৱদানৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। বন্তি প্ৰজ্বলনৰ পিছত উপস্থিত সকলোৱে একত্ৰ হৈ জ্যোতি সংগীতৰ মাধ্যমেৰে মহান শিল্পীজনক সোঁৱৰণ কৰে। অনুষ্ঠানটোত চেলেংহাট প্ৰেছ ক্লাবৰ সম্পাদক অনুৰাগ শইকীয়া, পত্ৰিকা সম্পাদিকা মনোমালা হাজৰিকা, সফল মাতৃ ববিতা বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰিপামণি শইকীয়া আদিকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# জালুগুটিত মৰিগাঁও জিলা সাহিত্য সভাৰ কেন্দ্ৰীয়ভাৱে বিষ্ণু ৰাভা দিৱস উদযাপন ব্যাপক প্ৰস্তুতি

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৯ জুন ঃ** মৰিগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত, জালুগুটি আঞ্চলিক স্বৰ্ণ শাখা সাহিত্য সভাৰ আতিথ্যত আৰু জালুগুটি মাধ্যমিক বিদ্যালয়ৰ সহযোগত কলাগুৰু বিষ্ণু ৰাভা দিৱসটি ২০ জুনত কেন্দ্ৰীয়ভাৱে জালুগুটি মাধ্যমিক বিদ্যালয়ত বিস্তৃত কাৰ্যসূচীৰে উদযাপনৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। প্ৰকাশিত কাৰ্যসূচী অনুসৰি ৰাভা দিৱসৰ পুৱা ৮.৪৫ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড০ হৰমোহন কলিতাই। ইয়াৰ পিছতে কলাগুৰু বিষ্ণুপ্ৰসাদৰ ৰাভাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰিব বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতি আনোৱাৰ হুছেইনে আৰু মাল্যাৰ্পণ কৰিব মৰিগাঁও জিলা সাহিত্য সভাৰ উপ-সভাপতি লক্ষেশ্বৰ বৰদলৈয়ে। পুৱাৰ ভাগতে ড০ হৰমোহন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব এখন মুকলি সভা। সভাখন উদ্বোধন কৰিব জালুগুটি মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জোনা ৰাণী ভাগৱতীয়ে আৰু আদৰণী ভাষণ প্ৰদান কৰিব জালুগুটি আঞ্চলিক স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি মুন ঠাকুৰীয়াই। সভাখনত মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰিব লোক সংস্কৃতিৰ বিশিষ্ট গৱেষক লোকেন্দ্ৰ হাজৰিকাই। এই সভাতে অসমৰ যশস্বী কন্ঠ শিল্পী জে পি দাসক বিশেষ ভাৱে সম্বৰ্দ্ধনা জনোৱা হ'ব। সন্ধিয়া বিষ্ণুপ্ৰসাদ ৰাভাৰ পবিত্ৰ স্মৃতিত সমূহীয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ন কৰা হ'ব বুলি মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক কুশল কুমাৰ বৰা আৰু জালুগুটি আঞ্চলিক স্বৰ্ণ শাখা সাহিত্য সভাৰ সম্পাদক নৱজিৎ পাতৰে সংবাদ মাধ্যমক জানিবলৈ দিছে।

# সদৌ গোলাঘাট জিলা চুতীয়া ছাত্ৰ সন্থা ঢেকীয়াল আৰু দৈগ্ৰোঙত আঞ্চলিক সমিতি গঠন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৯ জুন ঃ** সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ অন্যতম শক্তিশালী অংগ সদৌ গোলাঘাট জিলা চুতীয়া ছাত্ৰ সন্থাই আৰম্ভ কৰিছে সাংগঠনিক তৎপৰতা । গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলত সংগঠনটোৰ শক্তি বৃদ্ধিৰ বাবে আঞ্চলিক সমিতি গঠনৰ এক প্ৰক্ৰিয়া আৰম্ভ কৰিছে জিলা সমিতিয়ে । সদৌ গোলাঘাট জিলা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি পাপু শইকীয়াৰ নেতৃত্বত আজি গঠন কৰা হয় ঢেকীয়াল আৰু দৈগ্ৰোং আঞ্চলিক সমিতি । প্ৰমোদ শইকীয়া আৰু ফুলেশ্বৰ শইকীয়াক উপদেষ্টা,বিপিন বৰাক সভাপতি,মহেন্দ্ৰ বৰাক উপ সভাপতি,ৰিতুমনি বৰাক কাৰ্যকৰী সভাপতি,প্ৰাঞ্জল বৰাক সাধাৰণ সম্পাদক,আকাশদীপ বৰা,বিশ্বজিত শইকীয়াক সহকাৰী সম্পাদক,বিতোপন বৰাক সাংগঠিনক সম্পাদক আৰু জুৰি শইকীয়াক ক্ৰীড়া সম্পাদক আৰু বহুকেইজনক কাৰ্যনিৰ্বাহক সদস্য হিচাপে লৈ ঢেকীয়াল আঞ্চলিক চুতীয়া ছাত্ৰ সন্থা গঠন কৰা হয় । আনহাতে পাৰ্থপ্ৰতিম বৰা,উমেশ্বৰ বৰা,প্ৰাঞ্জল প্ৰতীম শইকীয়াক উপদেষ্টা, পাৰ্থপ্ৰতিম শইকীয়াক সভাপতি, কৃষ্ণমনি শইকীয়াক উপ সভাপতি, তপন শইকীয়াক কাৰ্যকৰী সভাপতি, ডেইজী শইকীয়াক সাধাৰণ সম্পাদক,অসীমা শইকীয়াক সহকাৰী সম্পাদক, দীপাংকৰ বৰুৱা, পাৰ্থীৱ বৰুৱাক ক্ৰীড়া সম্পাদক আৰু জোনমনি বৰাক সাংস্কৃতিক সম্পাদক হিচাপে লৈ দৈগ্ৰোঙ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ সমিতি গঠন কৰা হয় । আনহাতে বেতীয়নী আঞ্চলিক চুতীয়া ছাত্ৰ সন্থা গঠনৰ বাবেও অনুষ্ঠিত হয় বিশেষ আলোচনা সভাৰ। সমিতি দুখনত দায়িত্বপ্ৰাপ্ত সকলোকে অভিনন্দন জনাইছে জিলা সমিতিয়ে। আগত দিনত জিলাখনৰ বিভিন্ন প্ৰান্তত সংগঠনটোৰ সাংগঠনিক ভেটি শক্তিশালীকৰণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি উল্লেখ জিলা সভাপতি পাপু শইকীয়াৰ।

# ৰূপহী মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীৰ দেহাৱসান

**অসম বাৰ্তা, ৰূপহীহাট, ১৯ জুন ঃ** নগাঁও জিলাৰ ৰূপহী মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়ত্ৰী ফৰিদা আহমেদৰ আজি ৬৫ বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত নিজ বাসগৃহত আজি পুৱা পৰলোকপ্ৰাপ্তি ঘটে। প্ৰয়াত শিক্ষয়ত্ৰী আহেমেদে ৰূপহী মজলীয়া বিদ্যালয়ত শিক্ষকতা কৰি বিগত ৩১ জানুৱাৰী ২০২০ চনত অৱসৰ গ্ৰহণ কৰিছিল। বিজ্ঞান বিষয়ৰ শিক্ষয়ত্ৰী হিচাপে দায়িত্বকালত ছাত্ৰ-ছাত্ৰীৰ মাজত খুব জনপ্ৰিয় হৈ পৰিছিল। সেইগৰাকী শিক্ষয়ত্ৰীৰ আজি মৃত্যু ঘটাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীও শোকস্তব্ধ হৈ পৰে। শিক্ষয়ত্ৰী গৰাকীৰ মৃত্যুৰ খবৰ পাই বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়ত্ৰীৰ লগতে সেই সময়ত থকা কেইবাগৰাকীও সহকৰ্মীয়ে শেষ বাৰৰ বাবে দৰ্শন কৰি শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য যে ৰূপহী জিলা পৰিষদৰ প্ৰাক্তন সদস্য প্ৰয়াত ওৱাহিদ উজ জামান আৰু ৰূপহী মহাবিদ্যালয়ৰ অধ্যাপিকা ৰাহিদা ৰহমানৰ ভগ্নী ফৰিদা আহেমদৰ মৃত্যুত বিভিন্নজনে শোক প্ৰকাশ কৰে।